# জাগীৰোড মহাবিদ্যালয় আলোচনী

২০০১-২০০৩ বৰ্ষ

ANNUAL JOURNAL 2001-2003




JAGIROAD COLLEGE
DIST. MORIGAON, ASSAM
JAGIROAD COLLEGE
ESTD. 1979



# জাগীৰোড মহাবিদ্যালয় আলোচনী

JAGIROAD COLLEGE
ESTD 1970

২০০১-২০০৩ বৰ্ষ


তত্বাৱধায়কদ্বয়
ওম প্ৰকাশ ডেকা
হাবীবুৰ ৰহমান

সম্পাদকদ্বয়
সুৰজিৎ দেউৰী
পদ্মকান্ত বৰদলৈ

**JAGIROAD MAHAVIDYALAYA ALOCHANI,** *Literary journal of the Students' Union, Jagiroad College, Morigaon, Assam Edited by S. Deuri, P. K. Bordoloi and Published by Principal Dr. Altafur Rahman, Jagiroad College Megazine Incharge : Om Prakash Deka, Habibur Rahman*

# জাগিৰোড মহাবিদ্যালয় আলোচনী
## ২০০১ - ২০০৩ বৰ্ষ


সম্পাদনাৰ নেপথ্যত ঃ

ডঃ আলটাফুৰ ৰহমান (অধ্যক্ষ)
ওম প্ৰকাশ ডেকা, প্ৰবক্তা
হাবীবুৰ ৰহমান, প্ৰবক্তা
ভাস্কৰজ্যোতি হাজৰিকা (সাধাৰণ সম্পাদক, ২০০১-২০০২)
সুৰজিৎ দেউৰী (সাধাৰণ আলোচনী সম্পাদক, ২০০১-২০০২)
পদ্মকান্ত বৰদলৈ (সাধাৰণ সম্পাদক, ২০০২-২০০৩)

সম্পাদকদ্বয় ঃ

সুৰজিৎ দেউৰী
পদ্মকান্ত বৰদলৈ

বেটুপাতৰ ক'লাজ ঃ

কঙ্কণ বৰঠাকুৰ

অলংকৰণ ঃ

ৰমেন ভাগৱতী

মুদ্ৰণ ঃ

গ্ৰাফিক্স, হেদায়েৎপুৰ, গুৱাহাটী - ৭৮১ ০০৩
ফোন ঃ ০৩৬১-২৬৬১৫২৫

# অৰ্পণ

অসমৰ শিক্ষা-সাহিত্য-সংস্কৃতি তথা বোলছবি জগতৰ জয়ধ্বজা বহনকাৰী প্ৰথিতযশা কথা সাহিত্যিক প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ কৰকমলত মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটি শ্ৰদ্ধাৰে অৰ্পণ কৰিলোঁ —

— সম্পাদনা সমিতি

# শ্ৰদ্ধাৰ্ঘ্য



স্বৰ্গীয়া ড° নিৰ্মল প্ৰভা বৰদলৈ

জন্ম ঃ ২০ জুন, ১৯৩৩ চন।
মৃত্যু ঃ ১ জুন, ২০০৪ চন।

অসমৰ সাহিত্য জগতৰ অন্যতম কাণ্ডাৰী, বিশিষ্টা কবি, সাহিত্যিক, গীতিকাৰ, প্ৰাচ্যতত্ত্ববিদ, লোক-সংস্কৃতিৰ গৱেষক পণ্ডিত সদ্যপ্ৰয়াত 'সৰস্বতী' ড° নিৰ্মল প্ৰভা বৰদলৈ বাইদেউ (নীলা বাইদেউ)ক আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক—

JAGIROAD COLLEGE ESTD 1970
জাগীৰোড মহাবিদ্যালয়
স্থাপিত - ১৯৭০

# শ্ৰদ্ধাৰ্ঘ্য



## আচাৰ্য্য ইলাৰাম দাস

জন্ম ঃ ২৩-১২-১৯২৯ চন।

মৃত্যু ঃ ১৯-১০-২০০৩ চন।

২০০১ চনৰ অসম চৰকাৰৰ শঙ্কৰদেৱ বঁটাৰে বিভূষিত শ্ৰীমন্ত শংকৰদেৱৰ মতাদৰ্শৰ প্ৰচাৰক একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক মৰিগাওঁ জিলাৰ জালুগুটিত জন্মলাভ কৰা প্ৰয়াত আচাৰ্য্য ইলাৰাম দাসক আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ —

# সূচীপত্ৰ


●অৰ্পণ ●শ্ৰদ্ধাৰ্ঘ্য ●তত্বাৱধায়কৰ একলম ●সম্পাদকীয়

**❋প্ৰবন্ধ**

●উদ্ভিদ আৰু মানৱ ✦ মিচ উদ্দীপতা মহন্ত/১১ ●কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান-এক আলোকপাত ✦ দীপক বৰুৱা/১৩ ●অসমৰ গ্ৰাম্য নিবনুৱা সমস্যা সমাধানৰ উপায় ✦ জোনমণি কলিতা/১৫ ●অসমৰ লোক-বাদ্য — "ঢোল" ✦ পিংকি মনি বৰা/১৯ ●প্ৰেম, জীৱনবোধ আৰু মামনি ৰয়চম ✦ ভৰেশ কুমাৰ শৰ্মা/২১ ●দয়াৰ প্ৰতিমূৰ্তি মাদাৰ টেৰেছা (জীৱনী) ✦ ৰশ্মিৰেখা দাস/২২ ●সাফল্যৰ সোপানে সোপানে ✦ উৎপল জ্যোতি ভূঞা/২৩ ●জ্যেষ্ঠ প্ৰতিম হিৰিম্ব গোস্বামীক সোঁৱৰি কিছু সাম্প্ৰতিক চিন্তা ✦ ড০ মহীধৰ গোস্বামী/২৫ ●মনোভাষাবিজ্ঞান ✦ হাবীবুৰ ৰহমান/২৭ ●পৰিবৰ্তিত সামাজিক প্ৰেক্ষাপট আৰু সামাজিক অনুষ্ঠান ✦ ধ্ৰুৱজ্যোতি চহৰীয়া/৩০ ●পুৰণি অসমৰ চিত্ৰকলা আৰু 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰশৈলী ✦ পংকজ শ্যাম/৩২

**❋গল্প-উপন্যাসিকা শিতান**

●নিঃসংগ বেদনাৰ প্ৰতিশ্ৰুতি ✦ কাবেৰী বড়া/৩৭ ●আধা লিখা কবিতাটো ✦ দুলুৰাণী মজুমদাৰ/৩৮ ●এখন নীলা শাৰী ✦জুনমণি পাঠক/৩৯ ●পুৱতিৰ অপেক্ষাত.. ✦ কৃষ্ণা মেধী/৪১ ●প্লট ✦ দীপাঙ্কৰ শৰ্ম্মা/৪২ ●সেন্দুৰীয়া প্ৰভাতী সুৰুয ✦ কুইন আফ্ৰিন/৪৩

**●কৌতুক - কুইজ - স্মৰণীয় কথা**/৪৮-৫০

**❋ভ্ৰমণ**

●সোণালী ত্ৰিভূজৰ ডুখৰীয়া স্মৃতি ✦ ভাস্কাৰজ্যোতি হাজৰিকা/৫১ ●কলিকতা আৰু পুৰীৰ এটি মধুৰ স্মৃতি ✦ জ্যোতিষ্মা দেউৰী/৫৪

**❋ কবিতা শিতান**

●জীৱনৰ নেপথ্যত ✦ নয়নজ্যোতি ভূঞা/৫৯ ●ইয়াতো এখন নদী ✦ অৰুণাৰাণী ভূঞা/৬০ ●অশ্ৰু ✦ ৰমেন চন্দ্ৰ দাস/৬০ ●কৃপা প্ৰাৰ্থী ✦ পৰমানন্দ ডেকা/৬১ ●তুমি ✦ বৰ্ণালী শইকীয়া/৬১ ●ইপ্সা ✦ হেমন্ত ডেকা/৬২ ●আহত হেঁপাহ ✦ পল্লৱী শৰ্ম্মা/৬২ ●এখন হাত ✦ দীপাঙ্কৰ শৰ্ম্মা/৬২ ●এক অনাৰিম্বৰ যাত্ৰা ✦ মাধৱ চন্দ্ৰ নাথ/৬৩ ●তাই মোৰেই আই ✦ যতীন মান্তা/৬৩

**❋ বাংলা শিতান**

●মধ্যযুগীয় বাংলাসাহিত্যে বৈষ্ণব পদাবলির অবদান ✦ কানন ধর চৌধুরী/৬৬ ●বাংলা কাব্যে পাশ্চাত্য প্রভাব ✦ ইন্দ্রানী ভট্টাচার্য্য/৭০ ●উড়ন্ত চাকি — রহস্যের সন্ধানে ✦ মনজিৎ সরকার/৭২ ●কাঠবিড়ালীর খেলা ✦ কৃষ্ণ প্রসাদ জৈচী/৭৪ ●নববর্ষ ✦ রাকেশ মৌলিক/৭৪ ●বধ্যভূমিতে একদিন ✦ কৌশিক বসু/৭৪

**❋ ENGLISH SECTION**

●Reaching out for the stars! ✦ Niharika Boruah/77 ●Wild life in India with special reference to North Eastern India ✦ Malamoni Borah/79 ●An autobiography of DNA ✦ Atindra Das/81 ●Reminiscing Artist Pranab Barua ✦ Dipak J Baruah/82 ●Development of Tiwa entrepreneurship in Mayong Mevelopment Mlock : problems and prospects ✦ Purushottam Bhandari/84 ●Victory : A general assessment ✦ Sohail Ahmed/87 ●Blood substitute-blessings to mankind ✦ Achintya Kr. Keoot/90 ●Institutions for higher studies ✦ Pranab Kumar Das/93 ●Tourism -A vehicle towards regional development ✦ Seemanta Kumar Deka/96 ●.....SHE !!! ✦ Bapan Kumar Mazumder/98

**●Photo Pages** / 99-104

❋ প্ৰতিবেদন/ প্ৰতিভা সন্ধান/১০৭-১২৮

# তত্ত্বাৱধায়কৰ একলম

## সাম্প্ৰতিক সমাজ ব্যৱস্থাত শিক্ষাৰ উদ্দেশ্য আৰু বুনিয়াদ কি হোৱা উচিত

শিক্ষা আৰু সমাজৰ মাজত সম্পৰ্ক এটা মুদ্ৰাৰ দুপিঠিৰ দৰে। সমাজ পৰিৱৰ্তনশীল। আকৌ শিক্ষাৰ অবিহনে সমাজৰ প্ৰগতি সম্ভৱ নহয়। গতিকে শিক্ষাও এটা গতিশীল প্ৰক্ৰিয়া। সমাজৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষাৰ পৰিৱৰ্তন হ'ব লাগিব। অন্যথা গতানুগতিক শিক্ষাৰ দ্বাৰা সমাজৰ বোজা বৃদ্ধি হ'ব পাৰে। কিন্তু প্ৰশ্ন হ'ল শিক্ষা যদি সামাজিক উন্নতিৰ সাধনেই হয়, তেন্তে ব্যক্তিগত উন্নতিৰ কথা বাদ দিব লাগিব নেকি? আনহাতে ব্যক্তিৰ সমষ্টিয়েই সমাজ। গতিকে ব্যক্তিৰ উন্নতি মানে সমাজৰ উন্নতি বোজোৱা নহয় নেকি?

সাম্প্ৰতিক সময়ত কেনেধৰণৰ শিক্ষাইনো ব্যক্তিগত উৎকৰ্ষ সাধন কৰিব পাৰে! ব্যক্তিগত উৎকৰ্ষ সাধনৰ জৰিয়তে যিহেতু আজিৰ শিক্ষা ব্যৱস্থাত প্ৰায়োগিক দিশত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে; গতিকে ই আমাৰ দ্বিধা বিভক্ত সমাজ ব্যৱস্থাক প্ৰতিনিধিত্ব কৰিব পাৰিব লাগে। আজি যিসকলে প্ৰায়োগিক দিশত শিক্ষিত হৈছে তেওঁলোক সমাজৰ বোজা নহৈ তেওঁলোকৰ শস্যৰ পথাৰখন বহল কৰিব লাগে। যাতে ভৱিষ্যত প্ৰজন্মই সঠিক পথৰ সন্ধান পাব পাৰে।

কিন্তু দেখা গৈছে বৰ্ত্তমান শিক্ষা ব্যৱস্থাই বিশেষ উদ্দেশ্য সাধন কৰিব পৰা নাই। নহ'লে নিবনুৱা সমস্যাৰ এনে ভয়াবহ ৰূপ দেখা নগ'লহেতেন। বিভিন্ন ক্ষেত্ৰত লাভ কৰা অনেক ডিগ্ৰীধাৰী শিক্ষিত যুৱক-যুৱতী নিষ্কৰ্মা হৈ থাকিব নালাগিলহেঁতেন। আনহাতে দেশখনত ক্ৰমান্বয়ে অৰ্থনৈতিক বিভিন্নতা বাঢ়িব লাগিছে। ব্যক্তিগত জীৱনত অৰ্থনৈতিক বিভিন্নতা বাঢ়িছে। স্বজন-তোষণ আৰু ৰাজনীতিয়ে সমাজ ব্যৱস্থাকেই দিধা বিভক্ত কৰি পেলাইছে। এনে এটা সন্ধিক্ষণত সমাজৰ আৱশ্যক অনুসৰি শিক্ষা ব্যৱস্থাই ব্যক্তিক উপযুক্তভাৱে গঢ় দিব পৰা নাই। যদি সমাজৰ প্ৰতিটো অভাৱ পূৰণ কৰিব পৰাকৈ কাৰিকৰী শিক্ষা বা বৃত্তিমুখী শিক্ষাৰ প্ৰচলন আৰু শিক্ষাৰ মানদণ্ড তৈয়াৰ কৰা নহয় তেনেহ'লে প্ৰচলিত শিক্ষাৰ সাম্প্ৰতিক সময়ত কোনো মূল্য নাথাকিব। এইখিনিতেই জন মিল্টনে 'Tractus on education'-ত কোৱা কথা এযাৰ উনুকিয়াব পাৰি— "I call therefore, a complete and generous education that which fits a man to perform justly, skilfully and magnanimously all the office both private and public of peace and war." অৰ্থাৎ মই পূৰ্ণ আৰু উদাৰ শিক্ষা তাকেই কওঁ যি শিক্ষাই শান্তি আৰু যুদ্ধৰ সময়ত ব্যক্তিক নিজে সাৰ্বজনিক কৰ্ত্তব্য উচিত ভাৱে নিপুনতাৰে আৰু উদাৰতাৰে সমাধান কৰাৰ যোগ্যতা প্ৰদান কৰে।

বৰ্ত্তমান পটভূমিত আমাৰ সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাৰ ভেটি সুদৃঢ় ভাৱে স্থাপন কৰিবলৈ হ'লে সু-নিৰ্দ্দিষ্ট পন্থা অৱলম্বন কৰিব লাগিব। এই ক্ষেত্ৰত অৱশ্যে বিভিন্ন শিক্ষানুস্থান, স্বেচ্ছাসেৱী অনুস্থান সমূহে দায়িত্ব বহন কৰিব পাৰে। শিক্ষাৰ উদ্দেশ্য যদি সামাজিক প্ৰগতি আৰু ব্যক্তি স্বাৱলম্বীতাই হয়; তেন্তে সাম্প্ৰতিক পৰিপ্ৰেক্ষিতত নতুন নতুন পাঠ্যক্ৰম অন্তৰ্ভূক্ত কৰিব লাগিব। তেতিয়াহে শিক্ষাৰ যি মহৎ উদ্দেশ্য আছে চৰিতাৰ্থ হ'ব।

# সম্পাদকীয়

সন্ত্ৰাসবাদৰ কৰাল গ্ৰাসে আবৃত্ত অসমৰ ন-পুৰুষৰ তিমিৰাচ্ছন্ন ভৱিষ্যত প্ৰত্যেকজন সচেতন নাগৰিকৰ এক চিন্তনীয় বিষয়। সন্ত্ৰাসবাদৰ দৰে পংগু মানসিকতাই এচাম যুৱক-যুৱতীক বিপথে পৰিচালিত কৰিছে। ই জাতিৰ ঐক্যক বিনষ্ট কৰাৰ লগতে শিক্ষা সংস্কৃতিৰ বিষয়তো যথেষ্ট প্ৰভাৱ পেলাইছে। এচাম উচ্ছৃঙ্খল যুৱক-যুৱতীক পাশ্চাত্যৰ অন্ধ অনুকৰণে সামাজিক পৰিৱেশ বিনষ্ট কৰিছে। হত্যা, ধৰ্ষণ, লুণ্ঠনৰ দৰে নিন্দনীয় কাৰ্য বাঢ়িবলৈ লৈছে দিনকদিনে; এটা জাতিৰ বাবে ইয়াতকৈ দুখঃজনক ঘটনা কি হ'ব পাৰে? চৰকাৰৰ আৰ্শীবাদত সুৰাৰ বিপনীৰ সংখ্যা কাঠফুলাৰ দৰে বঢ়িবলৈ ধৰিছে। আজিৰ যুৱক-যুৱতীৰ বাবে সুৰাপান হৈ পৰিছে উৎসৱ পাৰ্বনৰ অবিচ্ছেদ্য অংগ। ইয়াৰ বাবে দায়ী বাৰু কোন? কেৱল ছাত্ৰসকল নে? নিৰৱ ভূমিকা গ্ৰহণ কৰা সমাজখন নে দায়িত্বহীন অভিভাৱক সকল? এনেবোৰ অনৈতিক কাৰ্যই এটা জাতিৰ অন্ধকাৰ ভৱিষ্যতৰ ইংগিত দিয়ে।

জাতীয় চেতনাহীন সমাজৰ চেতনা ঘূৰাই অনাৰ ক্ষেত্ৰত সাহিত্যই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে। সমাজৰ ভাল বেয়া দিশ আঙুলিয়াই দি এখন নিকা সুস্থ সমাজ গঢ়ি তোলাত সাহিত্যই সহায় কৰিব পাৰে। কিন্তু আজিৰ পাশ্চাত্য অভিলাসী সমাজে সাহিত্য চৰ্চাৰ প্ৰতি যথেষ্ট অৱহেলা দেখুৱাইছে। এনে এটা জাতিৰ স্খলনমূখী হোৱাৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয় আলোচনীসমূহে এটা আন্দোলনক সাহিত্যিক প্ৰতিনিধিত্ব কৰিব পাৰে। যিহেতু এখন সুস্থ সমাজ বা নিকা সমাজ গঢ়ি তোলাত মূল ভেটি হৈছে শিক্ষানুষ্ঠান, মহাবিদ্যালয়ৰ আলোচনীয়ে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ লগতে এটা জাতিৰ সাহিত্যৰ ভড়াল টনকীয়াল কৰে। এনে ক্ষেত্ৰত 'জাগীৰোড মহাবিদ্যালয়ৰ আলোচনী'য়েও যথেষ্ট অৰিহণা যোগাই আহিছে। ছাত্ৰ-ছাত্ৰীৰ মনৰ খবৰ পোৱাৰ লগতে বৌদ্ধিক চিন্তা চৰ্চাৰ বিকাশ ঘটিছে। মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সুপ্ত হৈ থকা সাহিত্য প্ৰতিভাক জাগ্ৰত কৰাত সহায় হৈছে।

অনিবাৰ্যকাৰণ বশতঃ ২০০১-২০০৩ চনৰ মহাবিদ্যালয় আলোচনীৰ সংখ্যাটি প্ৰকাশ পোৱা নাছিল যদিও তত্বাবধায়ক ওম প্ৰকাশ ডেকা আৰু হাবীবুৰ ৰহমান চাৰৰ অনুপ্ৰেৰণা আৰু অবিৰত প্ৰচেষ্টাৰ ফলতে আমাৰ কাৰ্যকালত পলমকৈ হলেও আলোচনীখন প্ৰকাশ কৰিবলৈ সক্ষম হওঁ। আলোচনীখনৰ পাণ্ডুলিপি খৰখেদাকৈ প্ৰস্তুত কৰি দিয়াৰ লগতে নানা ধৰণে সহায় সহযোগিতা আগবঢ়োৱা বাবে অসমীয়া বিভাগৰ প্ৰৱক্তাপংকজ শ্যাম আৰু ইংৰাজী বিভাগৰ প্ৰৱক্তা ৰিলুমণি ডেকা চাৰৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলোঁ। তদুপৰি আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় আৰু অনুপ্ৰেৰণা আগবঢ়োৱা বাবে সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি হাজৰিকা আৰু মোৰ বন্ধু দ্বীপ, কৃষ্ণ, দুলেনহঁতলৈকো এই সুযোগতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

"জয়তু জাগীৰোড মহাবিদ্যালয়"

ধন্যবাদেৰে ..


শ্ৰীসুৰজিৎ দেউৰী

শ্ৰীপদ্মকান্ত বৰদলৈ

সম্পাদক, আলোচনী বিভাগ

"ছাত্ৰ একতা সভা (JCSU 02-03)"

# প্ৰবন্ধ

সাহিত্যৰ সোৱাদ আন বিলাক মিঠা বস্তুৰ দৰে নহয়। আন আন বস্তুৰ সোৱাদ জিভাৰে পাওঁ, আন বস্তুৰ ৰূপ চকুৰে দেখোঁ। কিন্তু সাহিত্যৰ সোৱাদ মুখৰ জিভাৰে নাপায়; মনেৰে চাকিব লাগে, তেহে তাৰ ৰূপ বা সোৱাদৰ গম পোৱা যায়। সেই দেখি জিভা নোহোৱা মানুহও সাহিত্যৰ ৰকম বুজিব পাৰে। .....

— সত্যনাথ বৰা

লিখকে যিমানখিনি বিষয়বস্তুৰ লগত একীভূত হ'ব পাৰিছে, যিমানখিনিৰ অন্তঃস্থল ভেদ কৰি তাৰ সূক্ষ্ম মৰ্ম্ম গ্ৰহণ কৰি বিষয়বস্তুৰ ফালৰ পৰা সকলো কথা ৰসাভিযিক্ত কৰি তুলিব পাৰে, সেই পৰিমাণে তেওঁ জনসমাজৰ হৃদয় মচিব নোৱাৰাকৈ স্পৰ্শ কৰিব পাৰে; সেই পৰিমাণে তেওঁৰ উক্তিয়ে যুগমীয়া প্ৰবচন হিচাপে লোক সমাজত প্ৰচাৰ লাভ কৰে।

— ড০ বাণীকান্ত কাকতি

প্ৰবন্ধ মাত্ৰেই তথ্য প্ৰধান আৰু জ্ঞানগৰ্ভী হয়। লেখকৰ পাণ্ডিত্য আৰু বুদ্ধিমত্তাৰ পৰিচয় হৈ বহন কৰে।

— প্ৰফুল্ল কটকী

# উদ্ভিদ আৰু মানৱ

● মিচ উদ্দীপতা মহন্ত
স্নাতক প্ৰথম বৰ্ষ

*[নৰ্থ ইষ্ট জিঅ'গ্ৰাফিকেল চচাইটিৰ দ্বাৰা আয়োজিত ১৯৯৯ চনৰ ৰচনা প্ৰতিযোগিতাত শ্ৰেষ্ঠ ৰচনা হিচাবে বিবেচিত 'উদ্ভিদ আৰু মানৱ'ৰ সংক্ষিপ্ত ৰূপ]*

সৃষ্টিৰ আদিৰে পৰা উদ্ভিদ আৰু মানৱৰ সম্বন্ধ অতি নিকট আৰু নিগূঢ়। চিৰ সেউজ উদ্ভিদেৰে আবৃত অৰণ্যৰ মাজতেই মানৱ জীৱনৰ উদ্ভৱ আৰু বিলয়। আদিম মানৱে অৰণ্যৰ বুকুতেই বিচৰণ কৰি গিৰি গুহাত আশ্ৰয় লৈ অৰণ্যত জন্ম হোৱা নানা ধৰণৰ গছৰ গুটি, ফল মূল খাই জীৱন ধাৰণ কৰিছিল। মাতৃয়ে নিজ শিশুক আদৰ যত্নেৰে লালন পালন কৰাৰ দৰেই উদ্ভিদেও মানৱ জীৱনক প্ৰতিপালন কৰিছিল নিজ বুকুৰ অমৃত সম্ভাৰেৰে। উদ্ভিদ আৰু মানৱ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল হৈ সৃষ্টি আগুৱাই নিয়াৰ প্ৰক্ৰিয়াটো ইমানেই স্বাভাৱিক আছিল যে আজি কিছুদিনৰ আগলৈকে এই পাৰস্পৰিক সম্পৰ্কটোৰ ওপৰত চিন্তা কৰাটো এটা প্ৰয়োজনীয় বিষয় হিচাপে বিবেচিত হোৱা নাছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে আজিৰ মানুহে সভ্যতাৰ উচ্চ শিখৰত আৰোহন কৰি বিজ্ঞান আৰু কাৰিকৰী তথা প্ৰযুক্তিবিদ্যাৰ বলত বলীয়ান হৈ প্ৰকৃতিক বশীভূত কৰি নিজ আয়ত্বলৈ আনিবলৈ চেষ্টা কৰি বহুতো বিস্তীৰ্ণ অঞ্চল - যিবোৰক অৰণ্য বুলি কোৱা হয়, সেইবোৰ ধ্বংস কৰি পেলাইছে। এই ধ্বংস যজ্ঞ যে মানৱ জাতিৰ বাবে কিমান ক্ষতিকাৰক হ'ব পাৰে আৰু ই মানৱ জাতিৰ অস্তিত্ব কেনেদৰে বিপন্ন কৰি তুলিব পাৰে, সেই কথা অৱশ্যে এচাম দূৰদৰ্শী লোকে উপলব্ধি কৰিছে আৰু তেওঁবিলাকে এই ধ্বংস কাৰ্যৰ তীব্ৰ প্ৰতিবাদ কৰি উদ্ভিদ জাতিক স্বাৰ্থপৰ আৰু লোভী মানুহৰ হাতৰ পৰা ৰক্ষা কৰাৰ মহান দায়িত্ব পালন কৰিছে। তেনে এজন লোক হ'ল দক্ষিণ আমেৰিকাৰ 'চিকো মাণ্ডেচ (Chiko Mandes) — যিজনে আমাজান নদী কাষৰীয়া বনাঞ্চল সংৰক্ষণ কৰিব লাগে বুলি দাবী কৰা বাবে নিজ দেশবাসীৰ হাততেই প্ৰাণ দিবলগীয়া হৈছিল। এনেবোৰ সচেতন মানুহৰ জীৱন ত্যাগে ন-কৈ প্ৰতিপন্ন কৰি তুলিছে যে পৃথিৱীৰ মানৱ জাতিৰ জীৱন ৰক্ষা কৰাত উদ্ভিদসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

মানৱ জাতিৰ বাবে উদ্ভিদৰ দৰে নিঃস্বাৰ্থ বন্ধু আৰু নাই। মানুহে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় আহাৰ, ৰোগ নিৰাময়ৰ বাবে পথ্য তথা ঔষধ, ঘৰ-দুৱাৰ নিৰ্মাণৰ বাবে ব্যৱহৃত বিভিন্ন কেঁচা সামগ্ৰী আৰু নানা প্ৰকাৰৰ প্ৰসাধন সামগ্ৰী প্ৰকান্তৰে উদ্ভিদৰ পৰাই আহৰণ কৰে। ইয়াৰোপৰি পৃথিৱীত জীৱ জীয়াই থাকিবৰ বাবে যি প্ৰাকৃতিক অৱস্থাৰ প্ৰয়োজন সেই প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ দৰে মহান কাৰ্য এটা সকলোৰে অলক্ষিতে আৰু অগোচৰে উদ্ভিদেই কৰি আহিছে। উদ্ভিদহীন ঠাইত জীৱ-জন্তু বৰ্ত্তি থাকিব নোৱাৰে আৰু সেইবাবেই উদ্ভিদ আৰু জীৱ-জন্তুৰ সহাৱস্থান অত্যন্ত প্ৰয়োজনীয়। জীৱ জীয়াই থাকিবৰ বাবে $O_2$ (অক্সিজেন) অপৰিহাৰ্য। খাদ্য অবিহনে মানুহ কিছুদিন জীয়াই থাকিব পাৰিলেও $O_2$ (অক্সিজেন) অবিহনে মানুহ অলপ সময়ো জীয়াই থাকিব নোৱাৰে। এই প্ৰাণ দায়িনী $O_2$ উদ্ভিদে নিশাহত এৰি দিয়ে আৰু মানুহে এৰি দিয়া বিষাক্ত $CO_2$ (কাৰ্বন ডাই অক্সাইড) গেছ উদ্ভিদে গ্ৰহণ কৰি লয়। প্ৰতি হেক্টৰ মাটিত উদ্ভিদে বছৰি প্ৰায় ৩০ টনকৈ $O_2$ যোগান ধৰি উশাহ নিৰুদ্ধ হৈ মৃত্যুক সাৱটি লোৱাৰ পৰা মানৱ জাতিক ৰক্ষা কৰিছে। এটা কথা দুৰ্ভাগ্যজনক ভাৱে হ'লেও সঁচা যে অতি নিৰৱ ভাৱে চলি থকা এই প্ৰাকৃতিক প্ৰক্ৰিয়াৰ প্ৰতি বৰ্ত্তমানৰ যান্ত্ৰিক সভ্যতাই গঢ় দিয়া ভোগবাদী সমাজ উদাসীন আৰু নিৰ্বিকাৰ হৈ পৰিছে আৰু তাৰেই ফলস্বৰূপে চলিছে গছ-গছনি কাটি নতুন নতুন চহৰ নগৰ কৰাৰ প্ৰস্তুতি। মানুহৰ এই অবিবেচক কাৰ্যৰ ফলত উদ্ভিদৰ দ্ৰুত লয় হবলৈ আৰম্ভ কৰাৰ লগে লগে পৃথিৱীত $O_2$ ৰ পৰিমাণ ক্ৰমান্বয়ে কমি আহিছে আৰু বায়ুমণ্ডলত দ্ৰুত গতিত বৃদ্ধি পাই অহা $CO_2$ গেছে যে বায়ুমণ্ডল উত্তপ্ত কৰি ভৱিষ্যতে মানৱ জাতিক যে পৃথিৱীৰ পৰা নিশ্চিহ্ন কৰি পেলাব, সি প্ৰায় নিশ্চিত হৈ পৰিছে। মানৱ জাতিয়ে এই আসন্ন বিপদৰ পৰা ৰক্ষা পাবলৈ হলে অপৰ্যাপ্ত পৰিমাণৰ উদ্ভিদ ৰোপণ কৰি কৃত্ৰিম বনাঞ্চলৰ সৃষ্টি কৰিব লাগিব। ইয়াৰোপৰি উদ্ভিদে বৃষ্টিপাতটো অবিহণা যোগাই পৃথিৱীখনক শস্য-শ্যামলা কৰি তুলিছে। বৃষ্টিপাতে যে কেৱল মাত্ৰ খেতিতেই সহায় কৰিছে, এনে নহয়; ই বায়ু প্ৰদূষণ ৰোধ কৰাৰ এক উত্তম কাৰকও। ভূগোলৰ এক সমীক্ষা মতে প্ৰতি ১ হেক্টৰ মাটিৰ উদ্ভিদে বৃষ্টিপাতৰ সহায়েৰে বছৰি ১০০ টনতকৈ অধিক ধূলি-আৱৰ্জনা আতৰাই পৃথিৱীক নিকা কৰি মানুহৰ বাসোপযোগী কৰি ৰাখিছে। ভূমি ক্ষয় এটা প্ৰাকৃতিক প্ৰক্ৰিয়া। প্ৰকৃতিৰ এই ক্ষয় ৰোধ কৰিবৰ বাবে মানুহে লোৱা বহু আঁচনিৰ ভিতৰত বৃক্ষ ৰোপনেই আটাইতকৈ 'ফলপ্ৰসু' বুলি ইতিমধ্যে সমগ্ৰ বিশ্বতেই স্বীকৃত হৈছে। উদ্ভিদে বায়ুক প্ৰদূষণ মুক্ত কৰোৱাৰ উপৰিও উদ্ভিদৰ পাতৰ ৰং ফলৰ আকাৰ আৰু গুণাগুণে মাটি, পানী আৰু বায়ু যে প্ৰদূষিত হৈছে সেই কথা সূচাব পাৰে। উদ্ভিদ জগত মানুহ বা প্ৰাণীতকৈ

JAGIROAD COLLEGE
জাগীৰোড মহাবিদ্যালয়
স্থাপিত - ১৯৭৬

(জন্তুতকৈ) প্ৰদূষণ বিষয়ত অধিক সচেতন। সেই বাবে উদ্ভিদক প্ৰদূষণ সূচক ৰূপে ব্যৱহাৰ কৰিব পাৰি। প্ৰদূষণ সচেতন উদ্ভিদবোৰ প্ৰদূষণ সূচক আৰু প্ৰদূষণ সহনকাৰী উদ্ভিদবোৰক প্ৰদূষকবোৰৰ সংগ্ৰাহক ৰূপে ব্যৱহাৰ কৰা হয়। কিছুমান উদ্ভিদ যেনে শাল, চেগুন, আদিয়ে মাটিত কেলচিয়ামৰ প্ৰাচুৰ্যতা; একেছিয়া, ইউক্লিপ্টাছ আদিয়ে মাটিৰ আৰ্দ্ৰহীনতা; ইউফৰবিয়া, লডচিফহিয়া, কেপাৰিচ ডেচিডুৱা আদিয়ে ভূ-গৰ্ভস্থ পানীৰ ইংগিত সূচায়। এইদৰে উদ্ভিদ অধ্যয়ন কৰিয়েই মাটি, পানী আৰু বায়ুৰ গুণাগুণ আৰু ই কেনেদৰে প্ৰদূষিত হৈছে বা নাই ইত্যাদি কথা ঠাৱৰ কৰিব পাৰি, এই অনুসন্ধানে বৈজ্ঞানিক পৰীক্ষা আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব পাৰে।

অতীজৰে পৰা মানৱ জীৱনৰ বিভিন্ন চাহিদা উদ্ভিদে পূৰণ কৰি আহিছে। উদ্ভিদৰ প্ৰত্যেকটো অংগই যেনে গা-গছ, ডাল-পাত, গছৰ ছাল বাকলি, ফল-মূল, গুটি-বন ইত্যাদি সকলোবোৰৰে কিছুমান বিশিষ্ট গুণ আছে। আমি ব্যৱহাৰ কৰা ঔষধসমূহৰ অধিকাংশই উদ্ভিদজগতৰ পৰা আহৰণ কৰা হয়। চিনকোনা, নেফাফু, দুপৰ টেঙাৰ পাত, তুলসী, মধুৰিআম, শেৱালী ফুল, মহানিমৰ পাত ইত্যাদি আমি সদায় দেখি থকা সাধাৰণ আৰু অসমৰ হাবিয়ে বননিয়ে পোৱা অলেখ উদ্ভিদৰ দ্ৰব্য আৰু ঔষধি গুণ আছে আৰু সেইবোৰ প্ৰায়ে মানুহে ব্যৱহাৰ কৰা দেখা যায়। সাধাৰণ অসুখৰ কথা বাদেই এতিয়া উন্নত দেশবোৰত উদ্ভিদৰ পৰা মাৰাত্মক কেন্সাৰ ৰোগৰ প্ৰতিষেধক উলিয়াবলৈ যত্ন কৰি আছে আৰু কিছু পৰিমাণে সফলও হৈছে। সেয়ে হলে মানৱ জাতিৰ বাবে উদ্ভিদে আৰু এক বৃহৎ উপকাৰ অথবা অৱদান আগবঢ়োৱা হ'ব। বহুতো উন্নত দেশে এতিয়া পৰম্পৰাগতভাৱে উদ্ভিদৰ পৰা আহৰণ কৰা বনৰীয়া ঔষধৰ ওপৰত বেছি আস্থা প্ৰকাশ কৰিবলৈ ধৰিছে আৰু তাৰেই পৰিণতিত বহুতো ঔষধি গছৰ উদ্যান পাতিবলৈ লৈছে। উদ্যোগসমূহত পৰিকল্পিতভাৱে এনে ধৰণৰ উদ্ভিদ ৰোপনৰ ব্যৱস্থা লোৱা হৈছে। এনে এখন ঔষধি গুণযুক্ত উদ্ভিদৰ উদ্যান হৈছে দক্ষিণ আমেৰিকাৰ পেৰুত থকা "TAMBOPATA RESERVE"ৰ "MEDILINAL PLANT GARDEN"। পৃথিৱীৰ বিভিন্ন দেশৰ পৰা প্ৰায় বিলুপ্ত হবলৈ ধৰা বহু উদ্ভিদক ইয়াত ৰোপন আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। সদ্যহতে এনে আঁচনি পৃথিৱীৰ বহু দেশে গ্ৰহণ কৰিছে।

উদ্ভিদৰ পৰা যে আমি কেৱল ঔষধহে পাওঁ এনে নহয়, ই আমাক বিভিন্ন ধৰণৰ খাদ্য সামগ্ৰীও যোগান ধৰে। আন এবিধ আমাৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী কাগজো উদ্ভিদৰ পৰাই পাওঁ। মানৱ জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতেই উদ্ভিদৰ অৱদান প্ৰাচীন কালতেই নহয় এতিয়াও অপৰিসীম। বৰঞ্চ এই আধুনিক যুগৰ পৰিবেশ প্ৰদূষণৰ দিনত উদ্ভিদৰ ওপৰত মানুহৰ নিৰ্ভৰশীলতা ক্ৰমান্বয়ে বাঢ়িহে আহিব ধৰিছে।

উদ্ভিদে মানৱৰ বাবে নয়নাভিৰাম দৃশ্যৰো সূচনা কৰিছে। উদ্ভিদ আছে বাবে এই ধৰাখন এতিয়াও ৰঙে-ৰসে-ৰূপে ভৰি আছে। দেখিলে ৰকু জুৰ পৰি যোৱা বিনন্দীয়া প্ৰকৃতিৰ মোহনীয়, কমনীয়, চিৰসেউজ ৰূপ মানৱৰ চিৰন্তন প্ৰশান্তিৰো উৎস। সেয়েহে নিৰৱতাৰ সাধকসকলে আজিও অৰণ্যৰ বুকুলৈ লৰৰি গৈছে।

আজিৰ মানুহ সুসভ্য হৈও এই মানৱ জীৱনৰ প্ৰাণস্বৰূপ উদ্ভিদসমূহৰ ধ্বংস যজ্ঞত ৰত হৈছে। অৰ্হনিশে বিশ্বৰ প্ৰান্তে প্ৰান্তে অনুষ্ঠিত হৈছে এই ধ্বংস লীলা। অৰণ্য দ্ৰুত গতিত হ্ৰাস পাই অহাৰ লগে লগে বহু মূল্যৱান উদ্ভিদ পৃথিৱীৰ পৰা নিশ্চিহ্ন হৈ যোৱাৰ উপৰিও খাদ্যৰ অভাৱত বহু প্ৰজাতিৰ বন্য প্ৰাণীও পৃথিৱীৰ বুকুৰ পৰা চিৰকাললৈ লুপ্ত হৈ গৈছে। অৰণ্য উৎখাত কৰি মানুহৰ বাসোপযোগী কৰিবলৈ যন্ত্ৰৰ সহায়েৰে মাটি বহুতো দ-কৈ খান্দি অনাৰ ফলত বহুতো মূল্যৱান গছৰ গুটিৰ ভাণ্ডাৰ (Seed Bed) নষ্ট হৈ গৈছে। কোনো কৃত্ৰিম পদ্ধতিৰে এই উদ্ভিদ সমূহ আৰু গজাব নোৱাৰি। মানুহৰ অদূৰদৰ্শিতা, সম্প্ৰসাৰণবাদী মনোভাৱ, লোভ আৰু ব্যৱসায়িক দৃষ্টিভংগীকেই উদ্ভিদ ধ্বংসৰ মূল কাৰক হিচাবে চিহ্নিত কৰা হৈছে। এই প্ৰসংগত মহাত্মা গান্ধীৰ কথা এষাৰ বিশেষভাৱে প্ৰণিধানযোগ্য—

"The world has enough for every man's need, but not enough for every man's greed."

— সঁচাই প্ৰকৃতিয়ে মানুহক প্ৰয়োজন পূৰাবৰ বাবে অকৃপণ হাতেৰে দান কৰিছে, কিন্তু মানুহক লোভী হবলৈ শিকোৱা নাই আৰু এতিয়া সময় আহিছে লোভ সম্বৰণ কৰাৰ।

উদ্ভিদ ধ্বংসৰ এনে ভয়ংকৰ পৰিণতিৰ কথা চিন্তা কৰি উদ্ভিদবিদ আৰু চিন্তাশীল ব্যক্তি কিছুমান চিন্তিত হৈ পৰিছে আৰু উদ্ভিদ অবিহনে যে জীৱ পৰিত্ৰানৰ উপায় নাই এই বিষয়ে জনসাধাৰণক সজাগ কৰি দিছে। সেয়েহে কিছুদিনৰ পৰা বিশ্বৰ বিভিন্ন ঠাইত চন পৰি থকা মাটি আৰু অৰণ্য উৎখাত হোৱা ঠাইবোৰত অৰণ্য সৃষ্টিৰ পৰিকল্পনা হাতত লোৱা হৈছে। এই পৰিকল্পনা ৰূপায়ণৰ অৰ্থে ভাৰত চৰকাৰৰ দ্বাৰা জুলাই মাহৰ প্ৰথম সপ্তাহ "বন মহোৎসৱৰ সপ্তাহ" বুলি অভিহিত কৰি উদ্ভিদ ৰোপণৰ চৰকাৰী আৰু ৰাজহুৱা কাৰ্যসূচী হাতত লোৱা হৈছে। সামাজিক বনানিকৰণৰ আঁচনিৰ যোগেদি সমগ্ৰ দেশৰেই প্ৰতি খণ্ড চৰকাৰী খালী মাটিত বৃক্ষৰোপণ কৰি কৃত্ৰিম অৰণ্যৰ সৃষ্টিৰ যোগেদিও পৃথিৱীক সেউজীয়া বননিত পৰিণত কৰি প্ৰাকৃতিক অৰণ্য আৰু জন অৰণ্যৰ সহাৱস্থানৰ ভাৰসাম্য ৰক্ষাৰ প্ৰচেষ্টা চলোৱা হৈছে। এই প্ৰচেষ্টা সঁচাই প্ৰশংসনীয়। উদ্ভিদে যিহেতু মানৱ জাতিক পৃথিৱীত জীয়াই থকাৰ সম্বল দিছে, তাৰ প্ৰতি কৃতজ্ঞতা তথা প্ৰতিদান স্বৰূপে মানুহে উদ্ভিদৰ প্ৰতি মৰম দেখুৱাই উদ্ভিদক সংৰক্ষণ কৰাটো প্ৰতিজন মানুহৰে নৈতিক কৰ্তব্য। ●

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান

## এক আলোকপাত

● শ্ৰীদীপক বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

প্ৰাকৃতিক দৃশ্যৰাজিৰে আবৃত, জীৱ-জন্তুৰে ভৰা অসমৰ গোলাঘাট আৰু নগাঁও জিলাৰ ভূ-খণ্ডৰ একাংশক সামৰি বিশাল ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অৱস্থিত বিশ্ববিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। ইয়াৰ ভৌগোলিক বিস্তৃতি ক্ৰমে ১৬°৩০ পৰা ২৬°৪৫ উত্তৰ অক্ষাংশ আৰু ৯৩°০৫ পৰা ৯৩°৪০ পূব দ্ৰাঘিমাংশ। ব্ৰহ্মপুত্ৰৰ প্লাৱন ভূমিত অৱস্থিত এই উদ্যানখনৰ প্ৰাকৃতিক সীমাৰেখা উত্তৰে মহাবাহু ব্ৰহ্মপুত্ৰ, পূবত বোকাখাত চহৰ, পশ্চিমত নগাঁও জিলা আৰু দক্ষিণে কাৰ্বি আংলং জিলাৰ কাৰ্মো পাহাৰ। চৰকাৰী হিচাপমতে ইয়াৰ মুঠ মাটিকালি বৰ্ত্তমান ৪৩০ বৰ্গ কিঃ মিঃ। ১৯০৮ চনত এই বনাঞ্চলৰ মাটিকালি আছিল ২২৬.৫ বৰ্গকিঃমিঃ। ১৯১৩ চনত ইয়াৰ মাটিকালি আছিল ১৩,৫০৬ একৰ (৫৪৬৪ হেক্টৰ)। ১৯১৬ চনৰ ১ নৱেম্বৰত এই বনাঞ্চলক "Game Sanctury" বুলি ঘোষণা কৰা হয়। কিন্তু "Game" শব্দটোৰ বাবে জীৱ-জন্তু হত্যা কৰাত বাধা দিয়া কিছু অসুবিধা আছিল। সেইকাৰণে তেতিয়াৰ বনপালক মিলৰয় (A. J. K. Milroy) চাহাবে কাজিৰঙাত জীৱ-জন্তু হত্যা সম্পূৰ্ণ বন্ধ কৰি উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰাৰ চেষ্টা কৰিছিল। ১৯৫০ চনত জ্যেষ্ঠ বনপালক ষ্টেচি (Mr. P. D. Stacy) চাহাবে কাজিৰঙাৰ নাম "Game Sanctury" ৰ পৰা "Wildlife Sanctury" লৈ সলনি কৰে। ১৯৭৪ চনৰ ১১ ফেব্ৰুৱাৰীত অসম চৰকাৰে এই উদ্যানখনক "কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান" নামেৰে ঘোষণা কৰে।

কাজিৰঙা উদ্যানখন বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু, তৰু-তৃণ আৰু গছ-গছনিৰে ভৰা। ইয়াত বহুতো সৰু-বৰ অসংখ্য বিল আৰু মৰা সুঁতি আছে। এই বিল বিলাকৰ পৰাই জীৱ জন্তুৱে পানী খায় আৰু অতিপাত গৰমত গঁড়, ম'হ আদি জীৱ জন্তুবিলাকে বিলবোৰত ঘুলি লৈ গৰমৰ পৰা পৰিত্ৰাণ পাব বিচাৰে। নদী কাষৰীয়া পৰিৱেশত অৱস্থিত কাজিৰঙা উদ্যানখনো বিশ্ব জীৱ ভিন্নতাৰ অংশ অৰ্থাৎ যি ধৰণে ব্ৰহ্মপুত্ৰ উপত্যকা ভিন্ন ভূ-পৰিস্থিতিক অৱস্থাৰে বিভূষিত, সেই একে ধৰণেৰে এই উদ্যানখনো ভিন্ন ভূ-পৰিস্থিতিক অৱস্থাৰে পৰিপূৰ্ণ। এই উদ্যানখন পৃথিৱী বিখ্যাত এশিঙীয়া গঁড়, বহুতো দুষ্প্ৰাপ্য অথবা বিলুপ্তপ্ৰায় চৰাই ইত্যাদিৰ আৱাসস্থলী হোৱাৰ মূলতে হ'ল ইয়াৰ অতুলনীয় পাৰিপাৰ্শ্বিক অৱস্থা। এই পাৰিপাৰ্শ্বিক আৰু ভূ-পৰিস্থিতিক অৱস্থাৰ বাবে এই উদ্যানখনক ১৯৮৫ চনতেই IUCN (International Union for Conservation of Nature) নামৰ সংস্থাটোৱে পৃথিৱীৰ প্ৰাকৃতিক ঐতিহ্য বহনকাৰী স্থান (World Natural Heritage site) বুলি ঘোষণা কৰে।

কাজিৰঙা উদ্যানখন এশিঙীয়া গঁড়ৰ আৱাস স্থলী হিচাপে পৃথিৱী বিখ্যাত। আন জীৱ জন্তুবোৰৰ ভিতৰত, যেনে বনৰীয়া ম'হ, হাতী, দল হৰিণ, শৰপহু, সুগৰি পহু, খুটীয়া পহু, ঢেকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, মাটি ভালুক, হলৌ বান্দৰ আদিৰো আদৰ্শ আবাসস্থলী। ১৯৬৬ চনৰপৰা প্ৰতি ৬ বছৰৰ ব্যৱধানত কাজিৰঙাত জীৱ জন্তুৰ পিয়লৰ কাম কৰি থকা হৈছে। তলত বিভিন্ন পিয়ল বৰ্ষত কাজিৰঙাত জীৱ জন্তুৰ সংখ্যা দিয়া হ'ল।

**তালিকা-১ ঃ বিভিন্ন পিয়ল বৰ্ষত কাজিৰঙাত জীৱ-জন্তুৰ সংখ্যা**

| | ১৯৬৬ | ১৯৭২ | ১৯৭৮ | ১৯৮৪ | ১৯৯১ | ১৯৯৩ | ১৯৯৯ |
|---|---|---|---|---|---|---|---|
| গঁড় | ৩৬৬ | ৬৫৮ | ৯৩৯ | ১০৮০ | ১১২৯ | ১১৬৪ | ১১৫২ |
| হাতী | ৩৪৯ | ৪২২ | ৭৭৩ | ৫২৩ | ৫১৫ | ৫১১ | ৮৮২ |
| বনৰীয়া ম'হ | ৪৭১ | ৫৫৫ | ৬১০ | ৬৭৭ | ১০৩০ | ১০৩৪ | ১১৯২ |
| দলহৰিণ | ২১৩ | ৫১৬ | ৬৩৭ | ৭৫৬ | ৬৩৫ | ৪২৭ | ৩৯৪ |
| শৰ পহু | ১২০ | ১০৫ | ২১৫ | ৩৫৮ | ৫৫ | ৩৪ | ৫৮ |
| খুটীয়া পহু | ১৩১১ | ৫৫১ | ৬৮৫৫ | ২৯৮৭ | ২৯১১ | ২০৪৫ | ৫০৪৫ |
| বাঘ | ২০ | ৩০ | ৪০ | ৫২ | ৫০ | ৮ | ১০ |
| ভালুক | ২ | ৬ | ৪ | — | — | ২ | — |
| বনৰীয়া গাহৰী | ১১৫৫ | ৫২২ | ৭৩৩ | ১৬৪৫ | ৫৯৫ | ১৪০ | ৪৩১ |
| হনুমান বান্দৰ | — | — | ১৯ | — | — | ২১ | ১৩৯ |
| গীবন বান্দৰ | ৩ | — | — | — | — | ৮ | ৪৭ |

তদুপৰি কাজিৰঙা উদ্যানখনত বেছিভাগ অংশ (প্ৰায় ৬১ শতাংশ) চুটি ঘাঁহনিৰে ভৰা। ইয়াৰ মাজে মাজে থকা ওখ অংশত কিছু পৰিমাণে গছ-গছনি আৰু নিম্ন অংশত বিল জলাহ আদি দেখা যায়। অৰণ্য অংশত বিশেষকৈ শিমলু, কৰৈ আদি গছ দেখা যায়। ওখ ঘাঁহনি অঞ্চলত তৰা, লুহীয়া, ইকৰা, উলু খেৰ আদিয়েই প্ৰধান। বিলবিলাকত এৰালী, দলঘাঁহ, পকচাবন, কলমৌ, বৰপুনী, সৰুপুনী আদি পোৱা যায়। মুঠতে কাজিৰঙা উদ্যানখনৰ কাযত দিয়া ধৰণে বিভিন্ন বৰ্গৰ ভূমি আৱৰণ (Land Cover) শ্ৰেণীত ভাগ কৰিব পাৰি।

**তালিকা - ২ ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিভিন্ন ভূমি আৱৰণ**

| ভূমি আৱৰণ | এলেকা (বৰ্গ কিঃ মিঃ) | মুঠ এলেকাৰ ভাগ (শতকৰা হিচাপত) |
|---|---|---|
| অৰণ্য অঞ্চল | ১২৫.২৬৫ | ২৯.১৩ |
| ঘাঁহনি অঞ্চল | ২২৩.২৩০ | ৫১.৯১ |
| বিল/জলাহ | ৫০.৯১৫ | ১১.৮৪ |
| নদী চ'ৰ | ৩০.৬১৬ | ৭.১২ |

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণাঞ্চলত নানা জাতি উপজাতিৰ প্ৰায় ৫০ হেজাৰৰো অধিক জনসংখ্যাৰে পৰিপূৰ্ণ হৈ আছে। ইয়াত চাহ উদ্যোগ আৰু ধান খেতিয়েই প্ৰধান জীৱিকাৰ সম্বল। জ্ঞান বিকাশৰ কাৰণে প্ৰাথমিক, উচ্চ মাধ্যমিক, মহাবিদ্যালয় থকাৰ উপৰিও বিভিন্ন মঠ-মন্দিৰ, ধানকল, কাঠফলা কল, বিদ্যুৎ যোগান, ভূমি উন্নয়ন, বনবিভাগ, পৰ্য্যটন বিভাগ, ডাক-তাঁৰ, আৰক্ষী-চকী, সামাজিক বনানীকৰণ, পাইপ লাইন, পশু চিকিৎসালয়, ৰাজ্যিক চিকিৎসালয়, হাট বজাৰ, ৰজাদিনীয়া, পুখুৰী, আদিবোৰ আছে। যি কি নহওঁক, বৰ্ত্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন এখন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ৰূপে পৰিণত হৈছে।●

আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় দি থকা খেতিয়ক এজন বেছি ডাঙৰ মানুহ।

— বেঞ্জামিন ফ্ৰেংকলিন

●●●

লিখা পঢ়া শিকি নিজে শিক্ষিত হ'লে নহ'ব, নিজে লোৱা শিক্ষাৰ মহান আদৰ্শ আনকো বিলাই দিব লাগিব।

— ভল্টেয়াৰ

# অসমৰ গ্ৰাম্য নিবনুৱা সমস্যা সমাধানৰ উপায়

● জোনমণি কলিতা
স্নাতক ২য় বৰ্ষ

পাতনি ঃ -"এনেখন শুৱলা এনেখন সুফলা এনেখন মৰমৰ দেশ" - কোনো কবিৰ সবল কলমত তথা সুৱদি কণ্ঠত ঝংকাৰিত হোৱা উক্ত কবিতা ফাঁকি তথা গীতৰ কলিৰ মূল কেন্দ্ৰ বিন্দু আছিল সোণতে সুৱগা চৰা চিৰসুন্দৰ সেউজীয়া অসমখন। কিন্তু বৰ্তমান আৰু সেই অসম নাই। কাৰণ বৰ্ত্তমানৰ অসম নিবনুৱাৰ দৰে ভয়ঙ্কৰ সমস্যাই জৰ্জৰিত কৰা এক দুৰ্ভগীয়া ৰাজ্য। ই এনে এক জটিল সমস্যা, যিয়ে কেৱল অশিক্ষিত সকলৰ মাজতেই সৃষ্টি হোৱা নাই; ই শিক্ষিত সমাজকো চুই গৈছে। সেয়ে ইংৰাজী ভাষাত কোৱা হয় যে- "Unemployment is defined as a state of affairs when in a country there are a large number of able bodied persons of working age who are willing do work but cannot find work at the current ways levels." আকৌ, Every man's Dictionary of economics defines unemployment as "involuntary idleness of a person willing to work at the prevailing rate of pay but unable to find it."

**অসমৰ নিবনুৱা সমস্যা, ইয়াৰ উৎস তথা প্ৰকাৰ ঃ**

"গ্লোবেলাইজেচনৰ আগমনে নিবনুৱা সমস্যা আৰু বঢ়াই তুলিব পাৰে। তেতিয়া ৰাজ্যখনত আলফাৰ দৰে আৰু এটা সংগঠনৰ আত্ম প্ৰকাশ ঘটিলেও আচৰিত হ'বলগীয়া নাথাকিব।" — অসমৰ যুৱক-যুৱতীৰ আত্ম-সংস্থাপনৰ সমস্যা আৰু সমাধানৰ পথ শীৰ্ষক বক্তৃতা প্ৰদান কৰি বিশিষ্ট অৰ্থনীতিবিদ ড০ জয়ন্ত মাধৱে ব্যক্ত কৰা মন্তব্য অতি গুৰুত্বপূৰ্ণ। অসমত অগ্ৰাধিকাৰ দিব লগা সমস্যাটোৱেই হ'ল নিবনুৱা সমস্যা। পৰিতাপৰ বিষয় যে এই সমস্যা সমাধান কৰাৰ বাবে চৰকাৰে কোনো ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। চৰকাৰে চাকৰি দিব নালাগে, সংস্থাপনৰ এক পৰিবেশহে সৃষ্টি কৰি দিব লাগে। ৰাজ্যখনত প্ৰায় ৪২ লাখ ছাত্ৰ-ছাত্ৰী প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ বাবে বিদ্যালয়ত ভৰ্ত্তি হয়। এই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ নিশ্চিত কৰিব নোৱাৰাৰ বাবেই উচ্চ শিক্ষা গ্ৰহণ কৰাৰ বাবে লাহে লাহে অনীহা অহা পৰিলক্ষিত হৈছে। চৰকাৰ সমূহৰ কাম কাজে নিবনুৱাসকলৰ সংস্থাপনৰ সহায় হোৱাৰ বিপৰীতে সংস্থাপনৰ পথ বন্ধ কৰি তেওঁলোকৰ ভৱিষ্যৎ অন্ধকাৰ কৰি চৰকাৰে বহুজাতিক গোষ্ঠীৰ পক্ষত থিয় হোৱাৰ পৰিপ্ৰেক্ষিতত আৰু বিশ্ব বেংক I.M.F. ৰ নীতি মতে পৰিচালিত হোৱা বাবে সংস্থাপনৰ পথ সংকুচিত হৈ পৰিছে। শিক্ষা লাভ কৰি নিবনুৱা হৈ পৰা এই বিশাল শক্তিটো আজি অসহায়। তেওঁলোকৰ পক্ষত থিয় হোৱা সকলৰ সংখ্যা অতি নগণ্য।

অসমত নিবনুৱা সমস্যাৰ প্ৰাধান্য দিয়া উৎসসমূহৰ ভিতৰত অন্যতম জনসংখ্যা বৃদ্ধি। জনসংখ্যাৰ প্ৰতিদিনে গড় হিচাপত হোৱা অতিমাত্ৰা বৃদ্ধিয়ে সমস্যা সৃষ্টিৰ প্ৰধান কাৰক। কথাতে কয় "আঠুৱা চাইহে ঠেং মেলা" বা "আয় চাই ব্যয় কৰা"। কোনো ব্যক্তিৰ আয় যিমান তেওঁ সেই অনুপাততহে ব্যয় কৰিব পাৰিব। তাতকৈ অধিক ব্যয় কৰিলে তেওঁ সমস্যাতহে ভুগিব। সেইদৰে ঠিক জনসংখ্যাও সীমাতকৈ অধিক হ'লে ইয়াৰ ফলত অন্ন, বস্ত্ৰ তথা বাসস্থানৰ ভীষণ অভাৱ হ'ব। এই কেইটা হ'ল মানৱ জীৱনৰ মৌলিক প্ৰয়োজন। এই প্ৰয়োজনসমূহ পূৰাবলৈ মানুহক কৰ্ম তথা সংস্থাপনৰ দৰকাৰ হ'ব। কিন্তু জনসংখ্যাৰ অতিমাত্ৰা বৃদ্ধিয়ে সংস্থাপনৰ সমস্যাৰো সৃষ্টি কৰে। যাৰফলত ৰাজ্যত নিবনুৱা বৃদ্ধি হয়।

দ্বিতীয়তে, বহিৰাগতৰ প্ৰব্ৰজনেও নিবনুৱা বৃদ্ধি কৰে। যিখন ৰাজ্যত নিজ জনসাধাৰণৰ মৌলিক সমস্যা পূৰাবলৈ সামৰ্থ নাই, তাতে বহিৰাগতই সমস্যাৰ উদ্ভৱ কৰা স্বাভাৱিক।

তৃতীয়তে, প্ৰতিবছৰে অসমত দেখা দিয়া প্ৰাকৃতিক দুৰ্য্যোগও নিবনুৱা সৃষ্টিৰ আন এটা কাৰক।

চতুৰ্থতে, জনসংখ্যা অনুপাতে কৰ্মৰ অভাৱ। উদ্যোগৰ অভাৱ তথা সৰ্বসাধাৰণ ৰাইজৰ শ্ৰম বিমুখতা। শ্ৰম বিমুখতাক নিবনুৱা সমস্যাৰ কাৰক হিচাপে এই কাৰণে পৰিগণিত কৰা হয় যে- ৰক্ত পিপাসুৰ বেশেৰে অহা ইংৰাজে ভাৰতৰ শিক্ষিত শ্ৰেণীৰ লোকসকলক কেৱল আমোলাৰহে উপযুক্ত কৰি, অন্যান্য কৰ্মশক্তিত হীন কৰি, ভাৰতৰ জনতাক দাস মনোবৃত্তি উপহাৰ দি নিবনুৱা কৰি থৈ গ'ল। আজিৰ ভাৰতৰ ন-পুৰুষ সকলক লাগে মাত্ৰ চাকৰি; কৃষিকাৰ্য্য তথা শিল্পকাৰ্য্য; শিক্ষিত যুৱক-যুৱতীসকলৰ দৃষ্টিত সৰু মানুহৰ কাম, বেপাৰ বাণিজ্য অশিক্ষিত

লোকৰ, শেঠসকলৰ কাম। বে-চৰকাৰী অনুষ্ঠানৰ চাকৰিও মৰ্যাদাহীন, মৰ্যদা আছে জীৱনৰ মানদণ্ড আছে কেৱল চৰকাৰী চাকৰিত। এই দৃষ্টিভংগীৰ বশবৰ্ত্তী হৈয়ে আজি ৰাজ্যত লাখ লাখ শিক্ষিত যুৱক-যুৱতী কৰ্মহীনহৈ দেশত নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে আৰু স্বাধীনতাৰ পৰৱৰ্ত্তী কালছোৱাত ই এনে ভয়াবহ ৰূপ ধাৰণ কৰিছে যে আজি অকল শাসক শ্ৰেণীয়েই নহয় সমাজো এস্তমান হৈ উঠিছে।

নিবনুৱা সমস্যা সৃষ্টিৰ এটা অতি আওকাণ কৰা বিষয় বৰ্ত্তমান প্ৰচলিত শিক্ষা নীতি, যি শিক্ষা অলপো কৰ্মমুখী নহয়। সেয়েহে উচিত শিক্ষা ব্যৱস্থাৰ অভাৱৰ ফলতো নিবনুৱাৰ পৰিমাণ বৃদ্ধি হৈছে।

এই নিবনুৱা সকলক মুখ্যত দুটা প্ৰকাৰত ভাগ কৰা হৈছে- শিক্ষিত নিবনুৱা আৰু অশিক্ষিত নিবনুৱা। এই নিবনুৱা সকল আৰু দুটা ভাগত বিভক্ত - গ্ৰাম্য নিবনুৱা আৰু চহৰৰ নিবনুৱা। অসমৰ গ্ৰাম্য অঞ্চলত এনেকুৱা বহুত শিক্ষিত নিবনুৱা আছে যি অধিক ডিগ্ৰীধাৰী হৈয়ো সংস্থাপন পোৱা নাই। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ৰে পৰা বৰ্তমান সময়লৈকে দেশৰ কৃষিখণ্ডই হৈছে সৰ্বাধিক লোক নিয়োগ কৰা গ্ৰাম্যাঞ্চলৰ নিবনুৱাৰ প্ৰধান কৰ্মক্ষেত্ৰ। এই কৃষিখণ্ড সম্পূৰ্ণ ব্যক্তিগত মালিকানাধীন আৰু এই সকলোখিনি লোকক স্ব-নিয়োজিত বুলিয়েই ক'ব লাগিব। কিন্তু দেশৰ জনসংস্যা বৃদ্ধি, সামাজিক ক্ষেত্ৰত হোৱা পৰিবৰ্ত্তন আৰু উচ্চশিক্ষাৰ ব্যাপক প্ৰসাৰৰ ফলত দেশত এক ব্যাপক কৰ্মবাহিনীৰ জন্ম হয় আৰু এওঁলোকক কেৱল কৃষিখণ্ডতে আৱদ্ধ কৰি ৰাখিব পৰা নাযায়।

**বৰ্ত্তমান দেশৰ নিয়োগ পৰিস্থিতিৰ এক পৰিসংখ্যা ঃ**

নেশ্যনেল ছেম্পল ছাৰ্ভে সংগঠনৰ (NSSO) শেহতীয়া পৰিসংখ্যা মতে ২০০১ চনত দেশত শিক্ষিত নিবনুৱাৰ সংখ্যা ২০০.৪ লাখ আৰু অশিক্ষিত নিবনুৱাৰ সংখ্যা ১৩৯.৯ লাখ। সৰ্বমুঠ নিবনুৱা ৩৪০.৩ লাখ। আৰু এটা উল্লেখযোগ্য পৰিসংখ্যা হৈছে যে গ্ৰাম্যাঞ্চলত মুঠ কৰ্মবাহিনীৰ শতকৰা ৬২ ভাগেই উপযুক্ত কামত বিনিয়োজিত হোৱা নাই; চহৰ অঞ্চলৰ বাবে এই পৰিসংখ্যা হ'ল শতকৰা ৩৮ ভাগ। ইয়াৰ পৰাই দেশৰ নিবনুৱা সমস্যা সম্পৰ্কে এটা অনুমান কৰিব পাৰি। আনহাতে ১৯৯১ চনত দেশৰ সংগঠিত খণ্ডত হোৱা মুঠ নিয়োগ আছিল ২৮ নিযুত (তাৰে ২০ নিযুত চৰকাৰী বা ৰাজহুৱা খণ্ডত) আৰু এই সংখ্যা যোৱা কেইবছৰে প্ৰায় একে আছে। গতিকে এইখণ্ডত নতুনকৈ নিয়োগ বৃদ্ধি হোৱাৰ সম্ভাৱনা নাই। ভাৰতত বৰ্তমান মুঠ কৰ্মবাহিনীৰ শতকৰা ৯৩ ভাগেই অসংগঠিত খণ্ডত কাম কৰে। তেওঁলোকৰ কৰ্মস্থল, কৰ্মৰত মুঠ দিনৰ সংখ্যা আদি একেবাৰে অনিয়মীয়া আৰু সময়মতে নিৰ্দিষ্ট হাৰত মজুৰি নাপায়। বৰ্তমান উদাৰীকৰণৰ যুগত বেছিভাগ এই ধৰণৰ নিয়োগেই সৃষ্টি হৈছে।

"India Today" নামৰ বাৰ্তালোচনীখনত অলপতে প্ৰকাশ পোৱা এটা প্ৰৱন্ধ অনুসৰি ১৯৯৬ চনৰ পৰা ২০০০ চন পৰ্য্যন্ত কৃষি খণ্ডত প্ৰায় ৪১,০০০ জন লোকৰ কৰ্মসংস্থান লোপ পায়, দেশৰ উদ্যোগ আৰু খনি খণ্ডৰ ক্ষেত্ৰত এই হ্ৰাসৰ পৰিমাণ হৈছে ৩,২৮,০০০। ইয়াৰ তুলনাত দেশৰ সেৱা খণ্ডত প্ৰায় ৬৯,০০০ নতুন চাকৰিৰ সৃষ্টি হয়। গতিকে পৰিসংখ্যাৰ পৰা দেখা যায় যে যোৱা কেইবছৰত মুঠ কৰ্মসংস্থান হ্ৰাস পাইছে।

**নিয়োগজনিত সমস্যা আৰু অসম ঃ**

অসমত চৰকাৰী বা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবিলাকে নতুন নিয়োগ প্ৰায় সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত অসমত শিক্ষিত নিবনুৱাৰ হাৰ বৃদ্ধি হৈছে। বৰ্তমান অসমৰ গ্ৰাম্যাঞ্চলত মুঠ জনসংখ্যাৰ ৮৯.৯ শতাংশ বাস কৰে আনহাতে নগৰ অঞ্চলত ১১.১ শতাংশ। ইয়াৰ অধিক সংখ্যক নিবনুৱা। অসম চৰকাৰৰ শেহতীয়া অৰ্থনৈতিক সমীক্ষাৰ তথ্যমতে ২০০০ চনৰ ডিচেম্বৰ মাহত বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰৰ চলিত পঞ্জীয়ন অনুসৰি অসমত নিবনুৱাৰ সংখ্যা প্ৰায় ১৫.৭২ লাখ। ইয়াৰে শতকৰা ৭০ ভাগ অৰ্থাৎ প্ৰায় ১১ লাখ শিক্ষিত নিবনুৱা। শিক্ষিত নিবনুৱাৰ ভিতৰত ৫৩.৮ শতাংশ হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ, ৩১.৭ শতাংশ উচ্চতৰ মাধ্যমিক পাছ আৰু ১১.৭শতাংশ সাধাৰণ স্নাতক। বাকী ২.৮ শতাংশৰ ভিতৰত স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু কাৰিকৰী শিক্ষাৰ স্নাতক আছে। এই একে সমীক্ষা অনুসৰি ২০০০ চনৰ ডিচেম্বৰ মাহত অসমত ২,৩৮৭ জন অভিযান্ত্ৰিক স্নাতক, ২০৮ জন চিকিৎসাবিজ্ঞানৰ স্নাতক, ৪৪০ জন কৃষিবিজ্ঞানৰ স্নাতক আৰু ৬,৭৮৯ জন স্নাতকোত্তৰ ডিগ্ৰীধাৰী লোক নিবনুৱা হৈ আছিল। যোৱা দুবছৰত এই সংখ্যা আৰু বাঢ়িছেহে, কমা নাই। এই বৃহৎ সংখ্যক উচ্চশিক্ষিত লোকক কৰ্মসংস্থান দিবলৈ যোৱা কিছু বছৰত অসমত তেনে কোনো ডাঙৰ উদ্যোগ প্ৰতিষ্ঠান আদি গঢ়ি উঠা নাই।

**অসমৰ গ্ৰাম্য নিবনুৱা সমস্যা সমাধানৰ উপায় ঃ**

যিহেতু অসমত নিবনুৱা সমস্যা এক বৃহৎ সমস্যা। গতিকে ইয়াক একেবাৰে নিৰ্মূল কৰিব নোৱাৰিলেও কিছু পৰিমাণে সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। কাৰণ "ৰাইজে নখ জোকাৰিলে নৈ বয়"। সেয়েহে ৰাজ্যৰ সৰ্বমুঠ জনসংখ্যা একেলগে গোট খাই এই সমস্যাৰ বিপৰীতে থিয় হোৱা উচিত।

অসমত বিশেষকৈ গ্ৰাম্য নিবনুৱা সমস্যা দূৰ কৰাৰ প্ৰধান তথা মুখ্যতম উপায় হ'ল — জনসংখ্যা নিয়ন্ত্ৰণ কৰা, বৰ্দ্ধিত জনসংখ্যাই যাতে সমস্যাৰ সৃষ্টি নকৰে তাৰ প্ৰতি সজাগ হোৱা। গাওঁ অঞ্চলৰ অশিক্ষিত লোকসকলক জনসংখ্যা বৃদ্ধিৰ ফলত হোৱা সমস্যাবোৰৰ বিষয়ে অৱগত কৰাব লাগিব। অৰ্থাৎ সেই

সকল লোকক পৰিয়াল পৰিকল্পনা আঁচনিৰ শিক্ষা দিব লাগিব, যাতে বছৰি কোটি কোটি নিবনুৱাৰ সৃষ্টি নহয়।

ৰাজ্যৰ গ্ৰাম্যাঞ্চলৰ বিশাল কৰ্মোপযো·ী জনসংখ্যাক উপযুক্তভাৱে নিয়োজিত কৰিবলৈ হলে দেশত ব্যাপক হাৰত উদ্যোগ, বাণিজ্য আৰু বিভিন্ন সেৱাসমূহৰ বিকাশ ঘটাব লাগিব। কাৰণ ভাৰতৰ চৰকাৰী বা ৰাজহুৱা খণ্ড বা ডাঙৰ কোম্পানী বিলাকৰ চাকৰিয়েই আটাইতকৈ বেছি দৰমহা বা সা-সুবিধাযুক্ত আৰু ইয়ে ভাৰতৰ ৰাষ্ট্ৰীয় আয়ৰ শতকৰা ৪০ ভাগ অৰিহনা যোগায়। সেয়েহে পিছপৰা অঞ্চলৰ নিবনুৱা সমস্যা সমাধানৰ বাবে অধিক শ্ৰমিক নিয়োগ কৰিব পৰা উদ্যোগ বা অন্যান্য সেৱা প্ৰতিষ্ঠান কিছুমান খোলা জৰুৰী হৈ পৰিছে।

ভূমিনীতি সংশোধন কৰি পুঁজিপতি জমিদাৰ মাটিগিৰিৰ কবলত চোৰাংভাৱে থকা লাখ লাখ হেক্টৰ মাটি ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰি গাওঁ অঞ্চলত নিবনুৱাসকলক সংস্থাপিত কৰিব পাৰি।

গুৰু শিল্পৰ প্ৰতিযোগিতাত কুটীৰ শিল্পসমূহ ধ্বংস হৈ যাবলৈ এৰি নিদি — চৰকাৰী প্ৰচেষ্টাৰে পুনঃজীৱিত কৰি উন্নয়ণৰ ব্যৱস্থা কৰিব লাগে। কুটীৰ শিল্পই হাজাৰ হাজাৰ লোকৰ কৰ্ম-সংস্থান ঘটাইছিল যাৰ ফলত এতিয়াও উন্নয়নৰ যোগে অধিক সংখ্যকক সংস্থান দিব পৰা যাব।

স্থাপিত উদ্যোগবোৰ ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগতে সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিব লাগে। উদ্যোগীকৰণ নীতিৰ প্ৰৱৰ্ত্তনৰ লগতে উদ্যোগসমূহত থলুৱা লোকৰ নিযুক্তিত অগ্ৰাধিকাৰ দিব লাগে।

দেশৰ বুকুত থকা অজস্ৰ শিল্প সম্ভাৰ তথা আপুৰুগীয়া সম্পদ সমূহৰ সদ্ব্যৱহাৰ সম্পৰ্কে গ্ৰাম্যাঞ্চলৰ মানুহক অৱগত কৰি কৰ্ম সংস্থাপনৰ পথ উলিয়াব পাৰি।

ৰাজ্যত বহিৰাগত প্ৰবজন ৰোধ কৰি সৰ্বসাধাৰণ ৰাইজক কৰ্মত নিয়োগ কৰা।

দেশৰ শিক্ষা ব্যৱস্থাত থকা নীতিসমূহৰ পৰিবৰ্ত্তন কৰিব লাগে। অৰ্থাৎ বৃত্তিমুখী শিক্ষানীতিৰ প্ৰয়োগ কৰিব লাগে। যাতে ইয়াৰ দ্বাৰা ভৱিষ্যতে শিক্ষাৰ্থীয়ে উচিত কৰ্মক্ষেত্ৰত নিজকে নিয়োগ কৰিব পাৰে আৰু এই শিক্ষানীতি বহুলভাৱে কাৰ্যকৰী শিক্ষাৰ সম্প্ৰসাৰণৰ ওপৰত হ'ব লাগে। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলৰ বাবে আগবঢ়োৱা বিশেষ ৰেহাই ব্যৱস্থাসমূহৰো সম্পূৰ্ণভাৱে লাভ উঠাবলৈ ৰাজ্য চৰকাৰ তৎপৰ হ'ব লাগিব।

বৰ্তমানৰ পৰম্পৰাগত খাদ্যশস্য উৎপাদন কৰি থকা গ্ৰাম্যাঞ্চলত নতুনকৈ উদ্যান শস্য বা ফুলৰ খেতি আদি আৰম্ভ কৰিলে নতুন নিয়োগ হোৱাৰ সম্ভাৱনা আছে। লগতে চৰকাৰী, স্থায়ী আৰু আৰামৰ চাকৰী এটাৰ কাৰণে হাবাথুৰি খাই ফুৰা মানসিকতাটোও সলনি কৰাৰ চেষ্টা কৰিব লাগিব।

নিবনুৱা সমস্যা দূৰ কৰিবৰ বাবে চৰকাৰৰ পক্ষে সুষম আঞ্চলিক উন্নয়নৰ ওপৰতে জোৰ ি়য়াটো অত্যন্ত জৰুৰী হৈ পৰিছে। অনুন্নত অঞ্চলবিলাকত দেশীয় বা বিদেশী বিনিয়োগ বঢ়াবলৈ চৰকাৰে বিশেষ ৰেহাইমূলক ব্যৱস্থা আগবঢ়ালে এই অঞ্চল সমূহত নতুন সৃষ্টি হোৱা সমস্যাসমূহ লাঘৱ হোৱাত সহায়ক হ'ব।

ইয়াৰ উপৰিও চৰকাৰে বৰ্তমান অৰ্থনীতিত নতুন আঁচনি তথা কৰ্মসংস্থান সৃষ্টিৰ সম্ভাৱনা থকা কিছুমান অংশ (Sector) হৈছে তথ্য প্ৰযুক্তিৰ লগত জড়িত সেৱাসমূহ; যেনে-বীমা ক্ষেত্ৰ, স্বাস্থ্য সেৱা, নাৰ্ছিং হোটেল আৰু ৰেস্তোৰাসমূহ জৈৱ প্ৰযুক্তিবিদ্যাৰ লগত জড়িত বিষয় বা প্ৰতিষ্ঠানসমূহ। এইসমূহত নিজকে নিয়োগ কৰিবলৈ হলে প্ৰত্যাশীসকলে উপযুক্ত শিক্ষা প্ৰতিষ্ঠানৰ লগত যোগাযোগ ৰাখি নিজকে উপযুক্তভাৱে গঢ়ি তুলিব লাগিব।

আনহাতে বৰ্ত্তমান আমি এক প্ৰণালীবদ্ধ শাসন ব্যৱস্থাৰ অধীনত আছো। সেয়েহে ইয়াত সমাজবাদী শাসন ব্যৱস্থা প্ৰচলন কৰিলে নিবনুৱা সমস্যা কিছু পৰিমাণ লাঘৱ হ'ব কাৰণ এই শাসন ব্যৱস্থাত চৰকাৰে নিজেই জনসাধাৰণৰ মৌলিক প্ৰয়োজন পূৰোৱাৰ দায়িত্ব লয় আৰু জনসাধাৰণেও নিজৰ প্ৰয়োজন পূৰাবলৈ চৰকাৰৰ কাৰ্য্যাৱলীৰ তথা আঁচনিৰ ওপৰত লক্ষ্য ৰাখে।

বৰ্ত্তমান, সেয়েহে শিক্ষা লাভ কৰি নিবনুৱা হৈ পৰা এই বিশাল শক্তিটো আজি অসহায়। আৰু সেইবাবেই এই গ্ৰাম্য তথা চহৰৰ নিবনুৱা সমস্যা দূৰ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ এক কাৰ্য্যকৰী আঁচনি থকা উচিত আছিল । নিবনুৱা সমস্যাই আজি সামাজিক সমস্যা হিচাপে থিয় দিছে। অসমৰ বৌদ্ধিক সমাজখনৰ লগতে চৰকাৰেও সেইটো স্বীকাৰ কৰিছে। তৎসত্ত্বেও এই সমস্যা সমাধান কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আমাৰ প্ৰস্তাৱ হ'ল অসম চৰকাৰে নিবনুৱা সকলৰ সংস্থাপনৰ বাবে এখন সম্পূৰ্ণ আঁচনি প্ৰস্তুত কৰক। অসমত থকা কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত কি কি পদ আছে আৰু কিমান পদ আছে, লগতে অসমত কোনবিলাক কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয় আছে তাৰ তথ্য সংগ্ৰহ কৰক। ৰাজ্যখনত থকা কেন্দ্ৰীয় চৰকাৰৰ প্ৰায়সমূহ কাৰ্য্যালয় অসমৰ বাহিৰৰ লোকৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাজ্য চৰকাৰে এই কাৰ্য্যালয়সমূহত অসমৰ নিবনুৱাক সংস্থাপন কৰিবলৈ বাধ্য কৰাওক। ৰেল বিভাগত ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰিত সাব্যস্ত কৰক। ৰেল বিভাগে অসমীয়াক বঞ্চিত কৰে বুলি ৰাজহুৱা অভিযোগ আছে। গ্লোবেইলাইজেচনৰ লগে লগে বিত্তীয় খণ্ড আৰু তৈল খণ্ডৰ প্ৰতিষ্ঠানসমূহত সংস্থাপন সংকুচিত হৈ আহিছে। চৰকাৰে কেৱল চৰকাৰী-বেচৰকাৰী পদসমূহতে ব্যস্ত নাথাকি অন্যান্য ক্ষেত্ৰত যাতে অসমৰ নিবনুৱাই সংস্থাপন

লাভ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত। অসমত গাখীৰ উৎপাদন কৰাৰ পৰা গাখীৰৰ দ্বাৰা প্ৰস্তুত কৰা খাদ্যসামগ্ৰীলৈকে সাঙুৰি এক শ্বেত বিপ্লৱৰ কাৰ্যসূচী গ্ৰহণ কৰিব পাৰি। এই আঁচনিৰ জৰিয়তে কমেও দহ লাখ নিবনুৱাক সংস্থান দিব পৰা যাব। উত্তৰ পূৰ্বাঞ্চলত ছাগলী, গাহৰী আৰু মুৰ্গী মাংসৰ এখন বিশাল বজাৰ আছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ শিক্ষিত নিবনুৱাসকলৰ লগতে অশিক্ষিত আৰু অৰ্ধশিক্ষিত নিবনুৱাসকলৰ সংস্থাপনৰ বাবে এখন বহুল ক্ষেত্ৰৰ সৃষ্টি হ'ব। কৃষি ক্ষেত্ৰখনত ঔদ্যোগীক দৃষ্টিভংগীৰে আৰু অসমৰ বাহিৰৰ বজাৰ দখলৰ উদ্দেশ্য আগত ৰাখি চৰকাৰে কিছু পৰিবেশ সৃষ্টি কৰি দিলে সংস্থাপনৰ ক্ষেত্ৰ সৃষ্টিৰ লগতে গ্ৰাম্য অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ পৰিবেশ সৃষ্টি হ'ব। অসমত পৰ্যটনৰ যথেষ্ট সুযোগ আছে। আমি ব্যৱহাৰ কৰিব পৰা নাই। এই ক্ষেত্ৰখনৰ দ্বাৰাও বৃহৎ সংখ্যক নিবনুৱাৰ সংস্থাপনৰ পথ ওলাব। ৰাজ্য চৰকাৰে অনুভৱ কৰা উচিত যে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ৰেলৱেৰ লগতে দূৰদৰ্শন, অনাতাঁৰ, ডাকসেৱা আদি প্ৰতিটো বিভাগতে অসমীয়া নিবনুৱাক নিযুক্তি দিয়া হয়। গতিকে ৰাজ্য চৰকাৰে নিবনুৱা সমস্যাক সামাজিক সমস্যা হিচাপে গণ্য কৰি নিৰ্মূল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক।

**সামৰণি ঃ**

যিহেতু নিবনুৱা সমস্যা এক জ্বলন্ত সমস্যা গতিকে ইয়াক নিৰ্মূল কৰিবলৈ শীঘ্ৰে সুব্যৱস্থা হাতত ল'ব লাগিব। নতুন অৰ্থনীতিত অৰ্থাৎ অৰ্থনৈতিক উদাৰীকৰণৰ পাছত কৰ্মসংস্থানৰ পৰিস্থিতি সঁচাকৈয়ে ইমান হতাশাজনক নেকি? নে কিবা আশাৰ ৰেঙনিও পোৱা গৈছে? এই প্ৰশ্নবিলাকৰ উত্তৰ বিচাৰি দেশত বৰ্তমান কৰ্মসংস্থানৰ পৰিস্থিতি, নতুন চাকৰিৰ সৃষ্টি কেনেকৈ হ'ব, ভৱিষ্যৎ প্ৰজন্মৰ বাবে কৰণীয় কি এইবিলাক সম্পৰ্কে চৰকাৰৰ লগতে ৰাইজেও আলোকপাত কৰা উচিত। দেশত বৰ্তমান চূড়ান্ত ৰূপ দিয়া দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত অৰ্থনৈতিক উন্নয়নৰ গতি বছৰি ৮ শতাংশ কৰিবলৈ লক্ষ্য বান্ধি লোৱা তথা তাৰ জৰিয়তে ৫০ নিযুত নতুন কৰ্মসংস্থানৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে আৰু ইয়াক সফল কৰাত চৰকাৰক সমগ্ৰ ৰাইজৰ সহায়-সহযোগিতা বাৰুকৈয়ে প্ৰয়োজন। ●

মানুহে নিতৌ ন ন কথা শিকি থকাতকৈ আগতে শিকা কথাবোৰ নতুনকৈ মনত পেলাই থাকিবলৈ চেষ্টা কৰাটো বেছি দৰকাৰী।

— **ডঃ ছেমুৱেল জনছন**

# অসমৰ লোক-বাদ্য — "ঢোল"

● পিংকি মনি বৰা
স্নাতক প্ৰথম বৰ্ষ (কলা)

এটা জাতিৰ বৈশিষ্ট্য নিৰ্ণায়ক সংস্কৃতিয়েই হৈছে জাতিটোৰ লোকসংস্কৃতি। এই লোক সংস্কৃতিৰেই এটা অভিন্ন উপাদান - 'লোকবাদ্য'। 'লোক' শব্দটো মূলতঃ সংস্কৃত শব্দ। ইয়াৰ ব্যাপক অৰ্থ হৈছে - জনসাধাৰণ। অনুমেয় যে 'লোকবাদ্য' মানেই জনসাধাৰণৰ বাদ্য। লোক সংস্কৃতিৰ চাৰিটা প্ৰধান বিভাগৰ ভিতৰত দুটা হ'ল- লোক প্ৰথা বা লোকাচাৰ আৰু লোককলা বা পৰিৱেশ কলা। লোকপ্ৰথা বা লোকাচাৰৰ ভিত্তিত গঢ়লৈ উঠা সংস্কৃতিৰ ভিতৰত পৰে- লোক উৎসৱসমূহ। উৎসৱৰ আনন্দৰ লগত জড়িত হৈ আছে বিভিন্ন নাচ, গান, ঢুলীয়া-খুলীয়া, ওজাপালি আদিবোৰ। এই সকলোবোৰ লোক কলা বা পৰিৱেশ কলাৰ অন্তৰ্ভুক্ত। পৰিৱেশ কলা বা লোক কলা - নাট্য আৰু নৃত্য গীতৰ সমলয় মাথোন, নৃত্য-গীত পৰিৱেশনক সু-মধুৰ কৰি তুলিবলৈ প্ৰয়োজন হয় বিভিন্ন বাদ্যযন্ত্ৰ। এই বাদ্যবোৰকে 'লোক বাদ্য' বুলি কোৱা হয়। 'ঢোল' লোকবাদ্য তালিকাৰ এটা অতি প্ৰাচীনতম বাদ্যযন্ত্ৰ।

ঢোল মূলতঃ চৰ্ম আবৃত্ত শ্ৰেণীৰ বাদ্যযন্ত্ৰ। খোল, মৃদংগ, ঢাক, দুন্দুভি, ডবা, মাদল, নাগাৰা আদি এই চৰ্ম আবৃত্ত শ্ৰেণীৰ বাদ্যযন্ত্ৰ। ভাৰতীয় সংগীত শাস্ত্ৰত এই শ্ৰেণী বাদ্যক 'অৱনদ্ধ' আনদ্ধ বাদ্য বুলি কোৱা হৈছে। লোক সংস্কৃতিৰ বুকুত থাকে লোক সংগীত আৰু লোক সংগীতৰ বুকুত থাকে লোক বাদ্য আৰু লোক নৃত্য সমাজ আৰু সভ্যতাৰ বাপতিসাহোন। অসমৰ লোকবাদ্য ঢোলক লৈ কৃষিজীৱী সমাজত আনন্দ উছৱৰ জোৱাৰৰ সৃষ্টি হয়। ঢোলৰ বলিষ্ঠ ছেওবোৰত পথাৰত যুঁজি থকা গোনা ম'হৰ যুঁজো থমকি ৰয়। বিহুৱা ডেকাৰ মন ৰাই-জাই কৰে। গাভৰু নাচনীৰ হিয়া সাতখন-আঠখন হয়। ঢোলৰ চিনাকি চাপৰে আনি দিয়ে চেনাইৰ বতৰা, উজ্জীৱিত কৰি তোলে কৃষকৰ মন।

**বিহুগীতত ঢোলৰ চিত্ৰ**

কেতেকীৰ বিননি নুশুনিলে, গছ বিৰিযে বৰণ নসলালে, পছোৱা নবলিলে, গছৰ ডালত কপৌ নুফুলিলে যিদৰে গাত বিহু বিহু নালাগে; ঠিক সেইদৰেই ঢোলৰ গিৰ্‌গিৰনি, গুজৰনি নুশুনিলেও অসমীয়া মানুহৰ গাত আচল অৰ্থত বিহু বিহু নালাগে। বিহু বুলিলেই মনত পৰে ঢোললৈ। যিহেতু ঢোল আৰু বিহু দুয়োটা একেটা মুদ্ৰাৰে দুটা পিঠিৰ দৰে। ৰঙালী বিহু মানেই ঢোলৰ মাত, ঢোলৰ মাতত বিহুৰ নাচ। বিহুনাচ মানেই অনাবিল ৰং-ধেমালী। মন-প্ৰাণ থৌকি বাথৌ কৰা ঢোলৰ ছেও। অসমীয়া জনজীৱন তথা সাংস্কৃতিক জীৱন ধাৰাত ঢোলে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে।

ঢোলৰ বিহুগীত সমূহত মাত অসমীয়া ডেকা-গাভৰুৱে মনে প্ৰাণে বাঞ্ছা কৰে। ঢোল ৰঙালী বিহুৰ সঞ্জীৱনী সুধা। সেয়ে হয়তো বিহুগীত সমূহক ঢোলে পদে পদে ভুমুকি মৰা দেখিবলৈ পোৱা যায়। ঢোলৰ মাতে অসমীয়া গাভৰুৰ হিয়াত কেনে আকুলতাৰ সৃষ্টি কৰে তাৰ এটা অনন্য নিদৰ্শন বিহুগীতত মূৰ্তৰূপত প্ৰকাশ পাইছে—

*'আজি বিহু বিহু কালি বিহু বিহু*
*নাহৰ ফুল ফুলিবৰ বতৰ;*
*ফুলপানী ছিগাতে ছিগোতে ঢোলৰ মাত শুনিলো*
*গছকত ভাঙি যাও যঁতৰ।।'*

ঢোল কি কাঠেৰে তৈয়াৰ কৰা হয় তাৰো এখন জীৱন্ত প্ৰতিচ্ছৱি বিহুগীতত পোৱা যায়।

*"এটা আমৰে এটা চামৰে*
*বাঁহৰ মাৰি সাজি বাও।"*

আকৌ ঢুলীয়া ঢুলীয়াই ঢোলৰত চাপৰ মাৰি ওলোৱাৰ লগে লগে প্ৰশ্ন হয় নাচনীৰ কথা —

*"ঢোলত চাপৰ মাৰি ঢুলীয়া ওলাল*
*কাৰ ঘৰৰ নচনী নাচে"*

বিহুগীতত ঢোলৰ চিত্ৰৰ এয়া মাথোঁ কেইটামান স্তৱকহে নিদৰ্শনহে। বিহুগীতবোৰত ঢোলে এখন সুকীয়া আসন দখল কৰি আহিছে। ঢোলক লিগাই নিলগাই ৰাখি বিহুৰ কথা ভাবিবই নোৱাৰি।

**ঢোল শিল্পৰ সংকট**

অসমৰ ঢোল শিল্পই লাহে লাহে সংকটৰ গৰাহলৈ গহ্বৰলৈ আগবাঢ়ি গৈ আছে। বিশেষকৈ বৰ্তমান ঢোলৰ খোলা তৈয়াৰ কৰিবৰ বাবে যথেষ্ট নিপুন বাঢ়ৈ অসমত দিনক দিনে কমি আহি আছে। যিহেতু এই শিল্পৰ লগত নিয়োজিত থাকি

JAGIROAD COLLEGE
জাগীৰোড মহাবিদ্যালয়
স্থাপিত - ১৯৭৯

জীৱিকা নিৰ্বাহ কৰাটো বাস্তৱৰ ভয়ঙ্কৰ মূল্যবৃদ্ধি পৃথিৱীখনত ... অতিকৰ কষ্টকৰ। ফলত গ্ৰাম্যাঞ্চলতো প্ৰয়োজনীয় চাহিদা অনুসৰি ঢোলৰ খোলা তৈয়াৰ কৰিবলৈ আগবাঢ়ি আহিব পৰা নাই আৰু ঢোল শিল্পত ব্যাঘাত জন্মি সংকটৰ গৰাহত পৰাৰ উপক্ৰম হৈছে।

এনে অৱস্থাত ঢোলক এতিয়া চৰকাৰী আৰ্থিক সাহাৰ্য্য প্ৰদান কৰি ক্ষুদ্ৰ উদ্যোগলৈ ৰূপান্তৰ কৰাৰ সময় সমাগত। এনে ক্ষুদ্ৰ উদ্যোগৰ মাধ্যমেৰে অসমৰ ভয়ংকৰ নিবনুৱা সমস্যা সামান্য পৰিমাণে হলেও সমাধানত অৰিহনা যোগাব পাৰিব বুলি আশা কৰিব পাৰি। এই দিশটোৰ প্ৰতি বৰ্তমান অসমৰ ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম আৰু ৰাজ্যিক সাংস্কৃতিক সঞ্চালকালয়েও ইতিবাচক চিন্তা-চৰ্চাৰে বাস্তৱসন্মতভাৱে গ্ৰহণযোগ্য কাৰ্য্যপন্থা হাতত ল'বৰ হ'ল। অন্যথা ঢোল শিল্পৰ দৰে থলুৱা শিল্প কৰ্ম এটাই অপমৃত্যুক আকোঁৱালি ল'ব লগাও হ'ব পাৰে। যিহেতু আধুনিক প্ৰযুক্তিবিদ্যাৰ পৰা বঞ্চিত, মূলধনৰ অভাৱ, ছালৰ অতিপাত মূল্যবৃদ্ধি, খোলাৰ বাবে উপযুক্ত কাঠৰ অভাৱ আদি এশ-এবুৰি সমস্যাক অতিক্ৰম কৰি গৈ গ্ৰামাঞ্চলত এই শিল্পটোৱে চাহিদা অনুসৰি ঢোলৰ যোগান ঘৰাত অপাৰগ।

অসমৰ গহূৰলৈ অন্যথা লোক সংস্কৃতিৰ আঁহে আঁহে জড়িত গ্ৰামাঞ্চলসমূহৰ আপুৰুগীয়া শিল্প ঢোল আৰু অধিক সংকটৰ গৰাহলৈ গহূৰলৈ আগবাঢ়ি যোৱাৰ আগতেই সবল আৰু সুস্থ ৰূপত চিন্তা-চৰ্চা কৰিবৰ হ'ল। আনহাতে অন্যথা ভোগবাদী সভ্যতাৰ গভীৰ হেঁচাত পৰি ঢোল নিঃচিহ্ন হৈ যোৱাৰ আশংকা আছে। ●

আমাক সেই শিক্ষা লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শান্তি বাঢ়ে, মেধা বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিৰ ওপৰত নিজে থিয় দিব পাৰে।

**— স্বামী বিবেকানন্দ**

# প্ৰেম, জীৱনবোধ আৰু মামনি ৰয়চম

● ভবেশ কুমাৰ শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

Ah Fill the cup: what boots it to xepeat
How time is slipping under our Feet.
**(ভৰোবাঁ, অহ বাটিটো ভৰোবাঁ। কৈ থাকিলে কি হ'ব, সময় কেনেকৈ দুভৰিৰ ফাঁকেৰে সৰকি যাব লাগিছে)**

সকলো মানুহে বিচাৰে জীৱনৰ পূৰ্ণতা। হয়তো কাৰোবাৰ বাবে এই পূৰ্ণতা নিৰ্হিত হৈ থাকে প্ৰেম নাইবা ভাল পোৱাত। প্ৰকৃততে প্ৰেম এক সংজ্ঞাহীন মানবীয়তা; ত্যাগ, আশ্ৰয়, আশা, ভৰসা, বিশ্বাস আদিৰ যোগফল। মানুহৰ সুক্ষ্ম জীৱনৰ কালছোৱাত আশা, ভৰসা, ভাব, বাসনা, সুখ-দুখৰ অভিজ্ঞতাৰ সংমিশ্ৰনে কাল্পনিক সৌন্দৰ্য্যৰ ওৰণি টানি বাস্তবক জাগ্ৰত কৰে। মানুহে মানুহৰ প্ৰতি থকা শ্ৰদ্ধাক মামনি ৰয়চম গোস্বামীয়ে হয়তো এই বাস্তৱৰ পৰা উদ্ধাৰ কৰি কৈছে, "কোনো মানুহক বেয়া ব্যৱহাৰ কৰিব মই নিবিচাৰো কাৰণ লেখাৰ সমল বিচাৰি বা অনন্ত হাঁহাকাৰত ডুব যোৱা মোৰ জীৱন সাগৰত ককবকাই থাকি যেতিয়া কেতিয়াবা পাৰলৈ উঠি অহাৰ চেষ্টা কৰোঁ, কাৰোবাৰ সান্নিধ্য লাভৰ চেষ্টা কৰোঁ তেতিয়াই মুখামুখি হওঁ তিক্ত অভিজ্ঞতাৰ। এই তিক্ততা জীৱনৰে অঙ্গ বুলি মই সহজে ভাবি লওঁ।"

প্ৰেম আৰু নাৰী এটা মুদ্ৰাৰ দুপিঠি যদিও ইতিহাসৰ পাতত দুই এটা প্ৰেমৰ অপ্ৰীতিকৰ ঘটনাৰ উমান পোৱা যায় তথাপিও প্ৰেমৰ গভীৰতাৰ ঘটনাৰ উমান পোৱা যায় তথাপিও প্ৰেমৰ গভীৰতাৰ প্ৰভাৱক আমি একেমুখে স্বীকাৰ কৰিব লাগিব। কাৰণ উপন্যাসীক ভাষাত মামনি ৰয়চমে কৈছে যে 'প্ৰেম বিহীন জীৱনৰ কোনো মূল্য নাই। এই প্ৰেম যেতিয়া স্মৃতি হৈ থাকে, হৃদয়ৰ শেষ তৰপটোত তেজৰ দৰে লাগি থাকে, তেতিয়া সেই প্ৰেমে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে, জীৱনৰ মুখামুখী হ'বলৈ সাহস দিয়ে।'

ধৰ্মৰ ক্ষেত্ৰতো প্ৰেমৰ প্ৰাধান্যতা সামাজিক জীৱনত অতি গুৰুত্বপূৰ্ণ বাবে মামনি ৰয়চমে কৈছে যে পৃথিৱীৰ প্ৰতিটো ধৰ্মই প্ৰেমৰেই কথা কয়। কোনো মানুহৰ প্ৰতি উদয় হোৱা প্ৰেম আৰু ধৰ্মৰ মাজত বৰ বিশেষ পাৰ্থক্য আছে বুলি তেওঁ নাভাবে। প্ৰেম আৰু ধৰ্ময়েই সদায় হাতত ধৰা ধৰিকৈ আগবাঢ়ে।

মামনি ৰয়চমৰ মাজত থকা এই প্ৰেমৰ ভাবধাৰা সচাঁকৈ অতুলনীয়। নিজৰ বাস্তৱ অভিজ্ঞতাৰ দিশৰ পৰা তেওঁ কৈছে, "প্ৰেমৰ কোনো সংজ্ঞা নাই। এয়া মানুহৰ মনৰ নিভৃততম কোণৰ ভিতৰত অনুভৱ হোৱা এক ধৰণৰ শক্তি। প্ৰেমৰ লক্ষ্য মোৰ বাবে কেৱল বিবাহেই নহয়। এই প্ৰেম মাথো দেহ বিনিময়তে সীমাবদ্ধ নহয়......, ই হৃদয়ৰ যেন এক নদীৰ দৰেই। এক অসীম সাগৰতহে ই বিলীন হয়। প্ৰেমৰে উপচি থকা হৃদয়ৰ কোনো পাৰাপাৰ নাথাকে।"

প্ৰেম শব্দটোৰ গভীৰতা সম্পৰ্কে বৰ্তমান গৱেষণা হ'ব ধৰিছে। স্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকৰ মতে প্ৰেমৰ বয়স মাথো দুমাহ। দুমাহৰ পাছত প্ৰেম ৰূপান্তৰিত হয় এক অভ্যাসলৈ বা দায়িত্ববোধলৈ। আনকি বহুক্ষেত্ৰত প্ৰেম এক সহানুভুতিলৈয়ো পৰিণত হয়। প্ৰেম এনে এটা বস্তু যিটো বিচ্ছেদ বা ট্ৰেজিকমূলক হ'লেহে শাশ্বত হৈ উঠে, হৃদয়ৰ ভিতৰত ভাস্তত হৈ উঠে।

সত্যই সুন্দৰ আৰু সুন্দৰেই সত্য। মামনি ৰয়চম এগৰাকী নাৰী হৈ নাৰীৰ সম্পৰ্কে আবিস্কাৰ কৰা সত্য অতিকৈ সুন্দৰ। তেওঁ উল্লেখ কৰিছে যে নিজে বিচাৰি ফুৰা বস্তু এটা নাপালে পুৰুষ ভয়ানক হৈ উঠে। কিন্তু নাৰীয়ে চকুলো টুকে, ক্ষোভত জৰ্জৰিত হয়। সেইবাবে পুনঃ তেওঁ নাৰীৰ স্বাৰ্থত আবেগিক ভাষা ত্যাগ কৰি কৈছে যে নিজ কৰ্মৰে নাৰীয়ে স্বাধীন হ'বলৈ চেষ্টা কৰা উচিত; নাৰীক কোনেও স্বাধীনতা আনি নিদিয়ে, নিজেই ল'ব লাগিব।

অতীতৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে নাৰীয়ে বহু সংগ্ৰামৰ মাজেৰে এই জগতত নিজৰ অস্তিত্বৰ প্ৰমাণ দি আহিছে। সেইবাবে হয়তো নাৰীৰ জীৱনকলৈ কোৱা হৈছে যে ধুমুহাই গছকি এৰি যোৱা ফুলৰো এক অনন্য সুবাস আছে। আটাইতকৈ ডাঙৰ কথা হ'ল নাৰীৰ নীৰৱ সহনীয়তা গুণ। ইয়াৰ আধাৰতে মামনি ৰয়চমে কৈছে - "প্ৰেমৰ উপহাৰ লৈ আগবাঢ়ি অহা পুৰুষক কোনো নাৰীয়ে ক্ষুদ্ধ হৈ হৃদয়েৰে আঁতৰাই পঠাব নোৱাৰে।"

যদিও প্ৰেম এক ব্যতিক্ৰম ধৰ্মী বিষয় তথাপিও প্ৰেমৰ মানৱ মন জাগ্ৰত শক্তিক আমি একেমুখে মানি ল'ব লাগিব। অৱশ্যে ইয়াৰ বাবে ভগৱানৰ ওপৰত আমি বিশ্বাসী হ'বও লাগিব। কাৰণ জন্ম, মৃত্যু, প্ৰেম, বিবাহ সকলো ভগৱানৰ ওপৰত। যদিহে ভগৱানৰ আশীৰ্বাদ নাথাকে তেন্তে আমিও ক'বলৈ বাধ্য যে- মোৰ জীৱন যেতিয়া নিদাৰুণ দুখৰে অতিবাহিত হ'ল, মোৰ জীৱনৰ কোনো আশাই যেতিয়া পূৰ্ণ নহ'ল, মই কেনেকৈ মনত ৰাখো যে, মোৰো এক ভগৱান আছিল। (মিৰ্জা গালিব) ●

(সহায় লৈ)

# দয়াৰ প্ৰতিমূৰ্তি মাদাৰ টেৰেছা [জীৱনী]

● ৰশ্মি ৰেখা দাস
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

কুৰি শতিকা স্বৰূপার্থত ধ্বংসৰ প্ৰতীক। নিজকে শ্ৰেষ্ঠ জীৱ বুলি গৌৰৱ কৰা মানৱ জাতিয়ে এই শতিকাতে দুখন বিশ্বযুদ্ধত লিপ্ত হৈ লাখ লাখ লোকক বধ কৰিছে আৰু অগণন লোকক পঙ্গু, ৰুগ্ন আৰু অভাৱ-অভিযোগৰ দ্বাৰা জৰ্জৰিত কৰি তেওঁলোকৰ জীৱন দুখময় কৰি তুলিছে। এনে এটা দিনতে কৰুণাৰ প্ৰতিমূৰ্তি মাদাৰ টেৰেছাৰ জন্ম হয়। তেওঁ দিলে অলেখ লোকক অন্ন, বস্ত্ৰ, আশ্ৰয়, ঔষধ, পথ্য আৰু আশা। দৰিদ্ৰ, আৰ্ত, পীড়িত আৰু সৰ্বহাৰাৰ আৰ্তনাদত তেওঁৰ হৃদয় কান্দি উঠিল। অক্লান্ত পৰিশ্ৰম কৰি তেওঁ কুৰি শতিকাৰ মৰিশালিত পাতনি মেলিলে ফলে-ফুলে জাতিস্কাৰ ফুলনিৰ। তেওঁৰ আৱিৰ্ভাৱত যেন মৃতকৰ মুখতো হাঁহি বিৰিঙিল।

সুদূৰ যুগোশ্লাভিয়াৰ দেশৰ স্কোপ্‌জে নামৰ নগৰত ১৯১০ চনৰ ২৭ আগষ্টৰ দিনা মাদাৰ টেৰেছা জন্মে। তেওঁৰ সৰুকালৰ নাম আছিল আগনেছ। আগনেছে বাৰ বছৰ বয়সতে এটা ধৰ্মযাজকৰ অনুষ্ঠানত যোগদান কৰে। আৰু তাতেই তেওঁ শুনিব পালে দুখ, দাৰিদ্ৰ, ৰোগ-ব্যাধিৰ, মহা সমুদ্ৰতপৰি অৱৰ্ণনীয় যন্ত্ৰণা ভোগ কৰি থকা অলেখ লোকৰ কৰুণ ক্ৰন্দন। সেই দুখে তেওঁক গৃহত্যাগ কৰিবলৈ বাধ্য কৰে। অৱশেষত মানৱতাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁ মানৱসেৱাত আত্মনিয়োগ কৰিলে।

১৯২৯ চনত কৰু নাৰ প্ৰতিমূৰ্তি সেই যুৱতীগৰাকী কলিকতালৈ আহিল আৰু মানৱৰ পূজা আৰম্ভ কৰিলে। জীৱনৰ সোতৰটা বছৰ অতিবাহিত কৰিলে যদিও তেওঁৰ মনত পুৱণি এটা প্ৰশ্নইহে ঠাই পালে। সেইটো হ'ল পৃথিৱীৰ দুখ-দাৰিদ্ৰ, ব্যথা-বেদনা। সেই সময়ত যীশুৰ এই কথাখিনিয়ে তেওঁক জীৱনৰ মহান ব্ৰত মানৱ সেৱাত আত্ম নিয়োগ কৰাত অনুপ্ৰেৰণা যোগায়। যীশুৱে কৈছিল—

"বস্ত্ৰহীনক বস্ত্ৰ দিয়া, নিৰাশ্ৰয়ক আশ্ৰয় দিয়া, তোমাৰ ঘৰলৈ স্বৰ্গৰ শান্তি,আনন্দ আৰু প্ৰেম নমাই আনা"।

১৯৪৮ চনত তেওঁ ভাৰতৰ নাগৰিকত্ব গ্ৰহণ কৰি কলিকতাত এটা উন্নত সেৱা-প্ৰতিষ্ঠান গঠন কৰিবলৈ সক্ষম হ'ল। মহামান্য পোপে তেওঁক সেৱাৰ স্বীকৃতি দিয়ে। ১৯৫৪ চনত তেওঁ কালীঘাটত 'নিৰ্মল হৃদয়' নামে এটা সদন প্ৰতিষ্ঠা কৰিলে আৰু এই অনুষ্ঠানৰ উদ্দেশ্য আছিল নিৰাশ্ৰয় মৃত্যু পথযাত্ৰী সকলক শান্তিত শেষ নিশ্বাস পোলাৰাৰ সুবিধা দিয়া নাইবা জীৱনত নতুন আশাৰ সঞ্চাৰ কৰা। ইয়াৰ উপৰিও তেওঁ "নিৰ্মলা শিশুভৱন" নামে আন এটা অনুষ্ঠান স্থাপন কৰে আৰু এই অনুষ্ঠানৰ উদ্দেশ্য আছিল —অনাথ শিশুসকলক আশ্ৰয় দি তেওঁলোকৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা। তেওঁৰ কৰ্মক্ষেত্ৰ পৃথিৱীৰ সকলোতে বিৰাজমান। এই পৃথিৱীত যাৰ আপোন বুলিবৰ কোনো নাছিল তেওঁৰ বাবে আছিল স্নেহৰ প্ৰতিমূৰ্ত্তি মাতৃ টেৰেছা।

তেওঁৰ কৰ্মৰ স্বীকৃতি হিচাপে তেওঁলৈ ভাৰত চৰকাৰে 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰিছিল। ১৯৭১ চনত "পোপে ত্ৰয়োবিংশ শান্তি পুৰস্কাৰ' লাভ কৰিছিল। সেই বছৰতে তেওঁ "গুড্ ছাম ৰিটান পুৰস্কাৰ", "কেনেডি আন্তৰ্জাতিক পুৰস্কাৰ" আৰু "ডক্টৰ অৱ হিউমেন লেটাৰ্চ" উপাধি লাভ কৰিছিল।

১৯৭১ চনত মাতৃ টেৰেছাই বিশ্বৰ শ্ৰেষ্ঠ পুৰস্কাৰ 'নোবেল বঁটা' লাভ কৰিছিল। ১৯৮০ চনত ভাৰত চৰকাৰে তেওঁক 'ভাৰতৰত্ন' উপাধিৰে বিভূষিত কৰিছিল।

তেওঁ সদায় এযাৰ কথা কৈছিল —"দৰিদ্ৰ সকলেই তেওঁলোকৰ আমাৰ প্ৰকৃত সমাজ। তেওঁলোকৰ নিৰাপত্তাই আমাৰ নিৰাপত্তা। তেওঁলোকৰ স্বাস্থ্যই আমাৰ স্বাস্থ্য।" কুৰি শতিকাৰ শেষৰ ভাগত মানুহ বস্তুবাদী, হিংসুক, নিন্দুক হ'লেও তেওঁলোক যে একেবাৰে নিৰ্দয় হোৱা নাই মাদাৰ টেৰেছা তাৰেই প্ৰমাণ। এনেবোৰ গুণৰ অধিকাৰী হোৱাৰ বাবে তেওঁ সকলোতে 'মাদাৰ' ৰূপে জনাজাত হৈ পৰিছিল। বহুমুখী প্ৰতিভা সম্পন্ন মাদাৰ টেৰেছাৰ কাৰ্য-কলাপ কেৱল এঠাইতে সীমাবদ্ধ নাথাকি গোটেই বিশ্বতে বিয়পি পৰিছিল। এই গৰাকী কৰুণাৰ প্ৰতিমূৰ্তি মাদাৰ টেৰেছাই ৫ চেপ্তেম্বৰ, ১৯৯৭ চনত অমৰ ধামলৈ গতি কৰে। ●

(সহায় লৈ)

# সাফল্যৰ সোপানে সোপানে

● উৎপল জ্যোতি ভূঞা
স্নাতক ২য় বৰ্ষ, (বিজ্ঞান)

নিজৰ বিৰুদ্ধে যুদ্ধ। অলপ ভাবি চালেই যিকোনো মানুহে অনুধাৱন কৰিব পাৰিব যে নিজৰ বিৰুদ্ধে যুদ্ধ কৰাটো হ'ল মানুহৰ আটাইতকৈ ডাঙৰ নৈতিক কৰ্ত্তব্য। মানৱ জীৱনৰ জয় পৰাজয় নিৰ্ভৰ কৰে এই যুদ্ধৰ জয় পৰাজয়ৰ ওপৰত। কিন্তু সকলো মানুহে নিজৰ বিৰুদ্ধে যুদ্ধ নকৰে। আচলতে বেছিভাগ মানুহে এই যুদ্ধ আৰম্ভই নকৰে বা বিনা যুদ্ধে আত্ম সমৰ্পণ কৰে। বহুতে যুদ্ধখন আধা কৰিয়েই পৃষ্ঠ ভংগ দিয়ে। খুব কম মানুহেহে এই যুদ্ধত অবিৰাম লিপ্ত হৈ থাকে। এই কম সংখ্যক মানুহৰ মাজত আছে- টলষ্টয়, ছক্রেটিচ, বিল গেট্‌চ্‌, ষ্টিফেন হকিং, ভূপেন হাজৰিকা আদিৰ দৰে প্ৰজ্ঞু সকল। যিসকলে নিজৰ ব্যক্তিত্বৰে, নিজৰ প্ৰতিভাৰে মহীয়ান কৰি থৈ গৈছে জীৱনৰ প্ৰতিটো পল।

'জীৱন', এটি মহান শব্দ, এক স্বৰ্গীয় দান। এই জীৱনৰ সাৰ্থকতা তেতিয়াহে চিহ্নিত হয়, যেতিয়া জীৱনৰ মূল্যায়ন ত্রুটিহীন হয়। এই মূল্যায়ন ত্রুটিহীন কৰিবলৈ হ'লে আমি জীৱনটোক 'জীৱন' বুলি নাভাবি ভাবিব লাগিব কৰ্মক্ষেত্ৰ বুলি। সমাজত এজন প্ৰকৃত সুখী আৰু সফল ব্যক্তিৰূপে জীয়াই থাকিবলৈ হ'লে, নিজৰ কৰ্মময় জীৱনক এক আদৰ্শ ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে প্ৰথমে নিজক জয় কৰিব পাৰিব লাগিব। আকৌ নিজক জয় কৰা মানে হ'ল - ভয়, হতাশা, অৱসাদ, দুৰ্বলতা, আত্ম বিশ্বাসৰ অভাৱ, ধৈৰ্য্যৰ অভাৱ এইবোৰৰ বিৰুদ্ধে মানসিকভাৱে জয়লাভ কৰা। জীৱনটোক নিজৰ প্ৰতিদ্বন্দ্বী বুলি ভাবি এই যুদ্ধত অৱতীৰ্ণ হলেই নিজৰ ওপৰত বিজয় সাব্যস্ত কৰাটো সহজ হৈ পৰে।

কিছুমান মানুহৰ বাবে প্ৰতিভা হয়তো জন্মগত বা প্ৰকৃতিগত অৱদান। সেয়ে হ'লেও এই বিশাল বিশ্ব ব্ৰহ্মাণ্ডৰ অতি মুষ্টিমেয় সংখ্যক মানুহৰ বাবেহে। পৃথিৱী বিখ্যাত গণিতজ্ঞ এলবাৰ্ট আইনষ্টাইনৰ মগজুৰ গঠন আছিল সাধাৰণ মানুহতকৈ পৃথক। এই কথা জনাৰ পিছত সাধাৰণতেই মনলৈ প্ৰশ্ন আহে - মাথো এয়াই আছিলনে আইনষ্টাইনৰ গণিতৰ ওপৰত থকা বুৎপত্তিৰ ৰহস্য? বিখ্যাত দাৰ্শনিক ডিকেন্সে ইয়াৰ ব্যাখ্যা বৰ সুন্দৰকৈ দি গৈছে। তেওঁ কৈছে যে ই হ'ল -

"One percent inspiration and ninetynine percent perspiration." অৰ্থাৎ প্ৰতিভা হ'ল শতকৰা এভাগহে মাত্ৰ প্ৰেৰণা, বাকী নিৰানব্বৈ ভাগেই হ'ল কঠোৰ ঘৰ্মাক্ত পৰিশ্ৰম। আইনষ্টাইনৰ ক্ষেত্ৰতো শতকৰা এভাগহে মাত্ৰ প্ৰকৃতিগত প্ৰেৰণা। এজন সাধাৰণ মানুহৰ বাবে জীৱনত যিকোনো ক্ষেত্ৰত সাফল্য অৰ্জন কৰিবলৈ হ'লে কঠোৰ পৰিশ্ৰম আৰু দৃঢ় আত্ম বিশ্বাসৰ বিকল্প নাই। সমাজত নিজকে এজন সফল ব্যক্তি ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ জীৱন যুঁজত জয়ী হোৱাৰ এক অদম্য মানসিকতাৰ আৱশ্যক। এনে মানসিকতাৰ সৃষ্টি হয় নিজৰ ওপৰত থকা গভীৰ আত্ম বিশ্বাসৰ পৰা। মানুহে যিহৰেই সাধনা নকৰক কিয় সেই সাধনাত সিদ্ধি লাভৰ কাৰণে আটাইতকৈ দৰকাৰী কথা হ'ল একাগ্ৰতা তথা পৰিপূৰ্ণ মনঃসংযোগ আৰু কৰ্মৰ প্ৰতি স্পৃহা। বিখ্যাত ইটালীয় সংগীতজ্ঞ ভাৰ্দিৰ এক জন্ম দিনত কেইজনমান সাংবাদিকে তেওঁক প্ৰশ্ন কৰিছিল- "আপোনাৰ অসাধাৰণ প্ৰতিভা আৰু বিৰাট সাফল্যৰ গোপন ৰহস্য কি?" ভাৰ্দিয়ে উত্তৰ দিছিল - "গোপন ৰহস্য-তহস্য একো নাই। মই যেতিয়া যিটো কাম কৰো কেৱল তাতেই মনটো নিবিষ্ট কৰো। এটা নতুন সুৰ সৃষ্টি কৰিবৰ সময়ত মই যিমান মনোযোগ দিওঁ, সিমানেই মনোযোগ দিওঁ এটা সুমথিৰা টেঙাৰ বাকলি গুচাবৰ সময়ত।" ইয়াৰ পৰাই বুজিব পাৰি যে জীৱনত সাফল্য লভিবৰ বাবে এটা সুস্থিৰ মনৰ কিমান প্ৰয়োজন। মানুহে জন্ম গ্ৰহণ কৰে দাসত্বৰ শৃংখল পিন্ধি। কথিক আছে - "মানুহ পৰিস্থিতিৰ দাস।" কিন্তু এজন মানুহ তেতিয়াহে সফল হ'ব পাৰে যেতিয়া তেওঁ পৰিস্থিতিক নিজৰ নিয়ন্ত্ৰণত ৰাখিবলৈ সক্ষম হয়। দাৰ্শনিক বাট্ৰাণ্ড ৰাছেলৰ মতে - "মানুহে জীৱনৰ এটা কেন্দ্ৰীয় তথা প্ৰধান উদ্দেশ্য সাধনৰ কাৰণে এনে দাসত্বৰ পৰা মুক্ত হ'ব পাৰে আন সকলোবোৰ উশৃংখল আশা-আকাঙ্খা আৰু আবেগ অনুভূতিক কঠোৰভাৱে

নিয়ন্ত্ৰণ কৰিহে। যি মানুহৰ পাল মাৰি কাম কৰাৰ অভ্যাস, যি নিজকে সংযত কৰিব নোৱাৰে, তেওঁ কেতিয়াও এই মুক্তি লাভ কৰিব নোৱাৰে।

যুৱ সমাজ হ'ল কোনো এক সভ্যতাৰ ভৱিষ্যৎ। কোনো মানুহেই যৌৱন কাল অতিক্ৰম নকৰাকৈ পৌঢ়ত্ব লাভ কৰিব নোৱাৰে। কিন্তু অতি কম সংখ্যক মানুহেহে ডেকা কালৰ পৰিশ্ৰমৰ বাবে জীৱনৰ সাৰ্থকতা উপভোগ কৰিবলৈ সক্ষম হয়। বেছি ভাগ মানুহেই জীৱনৰ উদ্দেশ্যৰ অ-সফলতাৰ বাবে ভাগ্যক দোষ দিয়ে। এনে মানুহো আছে যি নিজৰ ভৱিষ্যৎ ভাগ্যৰ ওপৰত এৰি দিব খোজে। এনেবোৰ মানুহেই জীৱনৰ শেষ সময়ত আত্ম-সংক্ষোভৰ বিভীষিকাময় দিন অতিবাহিত কৰিব লগা হয়। ডেকা কালেই হৈছে জীৱন গঢ়াৰ উপযুক্ত সময়। এই সময়ছোৱাত ভাগ্যক ধিয়াই ভৱিষ্যৎ সম্পৰ্কে সন্দিহান আৰু নিৰাশাবাদী হোৱাতকৈ অতীততকৈ বৰ্ত্তমানটো উন্নত কৰিবলৈ চেষ্টা কৰিলে ভৱিষ্যতটো অধিক গ্ৰহণযোগ্য হৈ আমাৰ সন্মুখত ধৰা দিব। ভৱিষ্যতটো সুখকৰ কৰি তুলিবলৈ হ'লে বৰ্ত্তমানটো সজাব লাগিব পৰিশ্ৰমেৰে, ভাগ্যৰে নহয়। এজন যুৱক বা যুৱতীৰ বাবে জীৱন গঢ়াৰ দৰে দুৰ্লংঘ্য আৰু ৰোমাঞ্চকৰ অভিযান আৰু কি হ'ব পাৰে?

পৃথিৱীৰ প্ৰতিজন মানুহেই অসাধাৰণ হৈ জন্ম গ্ৰহণ নকৰে। অসাধাৰণ মানুহবোৰ সময়তকৈ সদায় আগত থাকে। সাধাৰণ মানুহে যিবোৰ উৎসৰ পৰা জীয়াই থকাৰ আনন্দ আৰু পাৰ্থিৱ কৃতকাৰ্যতা আহৰণ কৰে অসাধাৰণ সকলে সেইবোৰক তুচ্ছ জ্ঞান কৰে। নিজৰ কৃতকাৰ্যতাৰ মাপকাঠি তেওঁলোকে নিজেই তৈয়াৰ কৰি লয়। এজন সাধাৰণ মানুহৰ বাবে নিজৰ সাধ্যৰ বাহিৰত অসাধৰণ হ'বলৈ চেষ্টা কৰাটো মূৰ্খামীহে মাত্ৰ। এনে কৰিবলৈ গলে জীৱনত অকৃতকাৰ্য হোৱাৰ সম্ভাৱনাই বেছি। কিন্তু এনে অতিমানৱ সকলক প্ৰেৰণাৰ উৎস ৰূপে লৈ নিজৰ ভাগ্য নিজেই লিখিবলৈ প্ৰয়াস কৰাটো মূৰ্খামীহে মাত্ৰ। এনে কৰিবলৈ গ'লে জীৱনত অকৃতকাৰ্য হোৱাৰ সম্ভাৱনাই বেছি। কিন্তু এনে অতি মানৱ সকলক প্ৰেৰণাৰ উৎস ৰূপে লৈ নিজৰ ভাগ্য নিজেই প্ৰয়াস কৰাটো সফলতাৰেই পৰিচয়। এনে নহ'লে আমি নিজৰ উদ্দেশ্যৰ বিফলতাৰ বাবে নিজেই দায়বদ্ধ হ'বলৈ বাধ্য। পৃথিৱীৰ প্ৰত্যেক ব্যক্তিয়েই অনন্য আৰু প্ৰত্যেক ব্যক্তিয়েই কিছুমান নিজস্ব প্ৰতিভা আৰু সম্ভাৱনা লৈ এই পৃথিৱীলৈ আহে। সেই কাৰণে নিজৰ স্বভাৱ আৰু প্ৰতিভাৰ লগত খাপ নোখোৱা উচ্চাকাংক্ষাবোৰ মনৰ পৰা বিসৰ্জন দি আত্ম বিশ্লেষণৰ দ্বাৰা নিজৰ সীমিত সামৰ্থ্যৰে এনে এখন কৰ্মক্ষেত্ৰ বাচি ল'ব লাগে য'ত তেওঁৰ প্ৰকৃতিপ্ৰদত্ত প্ৰতিভাই বিকাশৰ পূৰ্ণ সুযোগ পায়। এনে নহ'লে আজিৰ এই প্ৰতিযোগীতাৰ যুগত এজন ব্যক্তি কেতিয়াও সমাজত সফল বুলি পৰিগণিত হ'ব নোৱাৰে। ●

> নিজকে জন্ম দিয়াটোৱেই হ'ল মানুহৰ আটাইতকৈ ডাঙৰ কাম। নিজকে জন্ম দিয়াৰ অৰ্থ হ'ল এজন মানুহ যিবোৰ সম্ভাৱনা লৈ জন্মগ্ৰহণ কৰিছিল সেইবোৰক নিজৰ জীৱনত বাস্তৱত ৰূপ দিয়া। নিজৰ ব্যক্তিত্বই হ'ল মানুহৰ সকলো সাধনাৰ আটাইতকৈ মূল্যবান ফচল।
>
> — এৰিক ফ্ৰম

# জ্যেষ্ঠ প্ৰতিম হিৰিম্ব গোস্বামীক সোঁৱৰি

## কিছু সাম্প্ৰতিক চিন্তা

● ডঃ মহীধৰ গোস্বামী
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

মৃত্যু এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু কেতিয়াবা ব্যক্তি বিশেষে ইয়াক অস্বীকাৰ কৰাৰ প্ৰয়োজন বোধ কৰা হয়। যিবোৰ ব্যক্তিৰ মৃত্যুয়ে দেশ, সমাজ তথা অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ ক্ষতি সাধন কৰে তেতিয়াই এনে ভাৱ অনুভূত হয়। বৰ্ত্তমান সময়ত কৰ্ত্তব্যৰ প্ৰতি নিষ্ঠা আৰু দায়িত্বশীল ব্যক্তিৰ অভাৱ প্ৰায়ে দেখা যায়। কথা আৰু কামৰ মাজত সংগতি নথকা আৰু নিজৰ কাম বুলি নভবা হেতুকে দেশ, সমাজ তথা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ ক্ৰমে বেয়াৰ পিনে গতি কৰিব ধৰিছে। সেয়েহে যি দুই-চাৰি নিষ্ঠাবান আৰু দায়িত্বশীল ব্যক্তি আছে তেওঁলোকৰ অনুপস্থিতিয়ে সমাজ আৰু অনুষ্ঠান- প্ৰতিষ্ঠানসমূহৰ যথেষ্ট ক্ষতি সাধন কৰে। বৰ্ত্তমান তেনেকুৱা ব্যক্তিৰ অভাৱ অপূৰণীয় বুলি কলেও বঢ়াই কোৱা নহ'ব। স্বাভাৱিকতে এনেধৰণৰ শূণ্যতাই মনত কিছু চিন্তাৰ উদ্ৰেক নকৰাকৈ নেথাকে।

দেশ , সমাজ বা অনুষ্ঠান- প্ৰতিষ্ঠানসমূহলৈ লক্ষ্য কৰিলে এই কথাই প্ৰতিপন্ন হয় যে কৰ্ত্তব্য নিষ্ঠা, সদিচ্ছা, দায়িত্ববোধৰ অভাৱ বহুতৰেই। জড়িত ব্যক্তিসকল যথেষ্ট যান্ত্ৰিক আৰু পাৰ্থিৱ। অনুষ্ঠানৰ যশ, গৌৰৱ বৃদ্ধি কৰাৰ কাৰণে প্ৰকৃতাৰ্থত কাম কৰা মানুহৰ সংখ্যা ক্ৰমে হ্ৰাস পাব ধৰিছে। সমাজৰ উন্নতিৰ হুকে ৰাজহুৱা স্বাৰ্থ জড়িত বিভিন্ন কাম-কাজ কৰা মানুহৰ অভাৱ, অপ-সংস্কৃতিৰ পয়োভৰ চাৰিওপিনে। মাত-মাত্তিবলৈ, বাধা দিবলৈ মানুহৰ অভাৱ। এচাম ব্যক্তিয়ে ধন-জন, ক্ষমতাৰ কৌশলেৰে সমাজৰ/দেশৰ অহিতকাৰী কাম কৰিও মুৰব্বী বা নেতা হৈ আছে। চৰকাৰী বিভাগসমূহত দুৰ্নীতি, স্বজনপ্ৰীতি অবাধে চলিছে। ৰাজনীতিত অপৰাধীৰ প্ৰৱেশ ক্ৰমে বৃদ্ধি হৈছে। ক্ষমতা দখল আৰু ভোগ কৰাই যেন এচাম লোকৰ চূড়ান্ত লক্ষ্য। জন সাধাৰণৰ সুখ-দুখ, অভাৱ-অভিযোগ তেওঁলোকৰ চিন্তাৰ বিষয় নহয়। আনকি আইন-প্ৰণয়নকাৰী সকলে আইন ভংগ কৰাত অগ্ৰণী ভূমিকা লোৱা দেখা যায়। যাৰ বাবে আইনে ন্যায়-সাব্যস্ত কৰাত বিফল হৈছে। জন সাধাৰণ হতাশ হ'ব লগা হৈছে। কিন্তু সকলো কামৰে সীমা আছে। এদিন ইয়াৰ অন্ত পৰিবই। কাৰণ ধ্বংসৰ মাজেৰেহে গঠন সম্ভৱপৰ হৈ উঠে।

আন্তৰ্জাতিক ক্ষেত্ৰতো একেই পৰিস্থিতি। আমেৰিকা আৰু সহযোগী দেশসমূহৰ আধিপত্য প্ৰতিষ্ঠাৰ বিভিন্ন কুট-কৌশল। বিন লাডেনৰ দৰে এজন ব্যক্তিক ধৰিবলৈ (যেতিয়া আমেৰিকাৰ স্বাৰ্থত লাগিল) এখন দেশ আৰু নিৰপৰাধী জনগণৰ ওপৰত আক্ৰমণ আৰু অত্যাচাৰ উৎপীড়ন কৰা হ'ল। চাদ্দাম হুছেইনক তলতীয়া বা পুতলা বনাই তেল সম্পদ লুট কৰিবলৈ একেদৰেই ইৰাক আৰু ইৰাকী জনসাধাৰণৰ ওপৰত আমেৰিকাৰ আক্ৰমণ চলিল। অথচ বিন লাডেন আৰু বহুত সন্ত্ৰাসবাদীক আমেৰিকাই সৃষ্টি কৰিছে। উদ্দেশ্য তৃতীয় বিশ্বৰ দেশ বোৰত সন্ত্ৰাসবাদী কাৰ্য্য চলাই অস্থিৰতা, অনিশ্চয়তাৰ সৃষ্টি কৰা; বিশ্বায়ন, উদাৰনীতিৰ মন্ত্ৰ প্ৰচাৰ কৰি মানৱতাৰ পৰিচয় দিয়া। যাতে বিশ্ববাসীয়ে আমেৰিকাৰ কথাত উঠ-বহ কৰে আৰু বিশ্বৰ অৰ্থনীতি, ৰাজনীতিত নিজৰ আধিপত্য আৰু বেছি প্ৰতিষ্ঠিত হয়। অথচ সেইবোৰ কুকাৰ্য্যৰ বিৰুদ্ধে যি ধৰণে জনমত সৰৱ হ'ব লাগিছিল বা তৃতীয় বিশ্বৰ দেশসমূহ একত্ৰিত হৈ বাধাৰ সৃষ্টি কৰিব লাগিছিল সেয়া হোৱা নাই। ইয়াৰ অন্যতম প্ৰধান কাৰণ সমাজতান্ত্ৰিক দেশসমূহৰ আদৰ্শচ্যুতি আৰু ভাঙোন। আজি তৃতীয় বিশ্বৰ দেশসমূহক একত্ৰিত কৰি নেতৃত্ব দিবলৈ শক্তিশালী দেশ বা নেতাৰ অভাৱ। তথাপি প্ৰতিবাদ আৰু প্ৰতিৰোধ নোহোৱাকৈ থকা নাই। চাদ্দাম হুছেইনৰ লগতে বিশ্বৰ শ্ৰমজীৱি জনসাধাৰণেও প্ৰতিবাদ কৰিছে নিশ্চয়। মৰিগাওঁ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিৰিম্ব গোস্বামীৰ আকস্মিক বিয়োগৰ বাতৰি পাই আমাৰ মনত এনেধৰণৰ কিছুমান চিন্তাই আহিল। খুব বেছি ওচৰৰ পৰা নেপালও আমাৰ যথেষ্ট চিনাকি আছিল। তেখেতক বন্ধু হিচাপে ধৰিলেও জ্যেষ্ঠ প্ৰতিম হিচাপে আমাৰ শ্ৰদ্ধাও আছিল। এই জনা ব্যক্তি কৰ্ত্তব্যনিষ্ঠা আৰু দায়িত্ববোধৰ গৰাকী আছিল। মহাবিদ্যালয়খনৰ কামেই হওক বা সমাজৰ কামেই হওক তেওঁ সদায় আগবাঢ়ি গৈছিল। নিজৰ বিভাগীয় কাম-কাজৰ বাহিৰেও মহাবিদ্যালয়ৰ সকলো কাম-কাজতে তেওঁ জড়িত আছিল। ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগৰ প্ৰতি সচেতন আছিল। শ্ৰেণীকোঠাৰ ভিতৰত বা বাহিৰত হওক

সেইবোৰ সমাধান কৰাত সহায় কৰিছিল আৰু পাৰিলে সমাধান কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন অনুষ্ঠান সমূহতো তেওঁ সক্ৰিয় সহযোগ আগবঢ়াইছিল। লগতে সহকৰ্মী সকলৰ প্ৰতিও আছিল এটা বন্ধু ভাৱাপূৰ্ণ মনোভাৱ। অনুষ্ঠান, সমাজৰ বিভিন্ন কাম-কাজত জড়িত মানুহৰ সংখ্যা তাকৰ নহয়। কিন্তু বিশেষত্ব এই যে কোনে কিমান নিষ্ঠা সহকাৰে নিজৰ দয়িত্ব আৰু কৰ্ত্তব্য পালন কৰিছে। জ্যেষ্ঠপ্ৰতিম হিৰিম্ব গোস্বামী তেনেকুৱা এজন ব্যক্তি যাৰ নিষ্ঠা আৰু দায়িত্ববোধ আছিল। কোনো বিশেষ আদৰ্শত বিশ্বাসী নহলেও  তেওঁ নিশ্চয় মানৱীয় মূল্যবোধৰ গৰাকী আছিল। আনহাতে আমাৰ দেশত সৎ ব্যক্তি  হোৱাৰ বিপদো আছে।

যোৱা ২৭ নৱেম্বৰৰ দিনা বিহাৰৰ গয়াত সত্যেন্দ্ৰ ডুবে নামৰ এজন অভিযন্তাক নিৰ্মম ভাৱে হত্যা কৰা হ'ল। অপৰাধ দুৰ্নীতিৰ বিৰুদ্ধে মাত মতা 'নেশ্যনেল হাইৱে অথৰিটি অৱ ইণ্ডিয়া'ৰ এটি প্ৰকল্পৰ এজন বিষয়া হিচাপে তাত চলা দুৰ্নীতি ৰোধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৰু এন এইচ এ আইৰ অধ্যক্ষক জনোৱাৰ কথা জানি দুৰ্নীতিত জড়িত দুষ্ট চক্ৰটোৱে তেওঁক হত্যা কৰিলে। মাফিয়া আৰু ৰাজনৈতিক নেতাৰ মাজত গঢ়ি উঠা সম্পৰ্ক পোহৰলৈ অনাৰ অপৰাধত বিহাৰৰ আৰক্ষী সঞ্চালক প্ৰধান চি পি ওঝাক অপসাৰণ কৰা হ'ল। এইয়া মাত্ৰ দুটা উদাহৰণহে। তথাপিও এনে ধৰণৰ মাত্ৰ দুই/চাৰি সৎ আৰু সাহসী ব্যক্তি নোহোৱা নহয়।

যাহওক, হিৰিম্ব গোস্বামীৰ বিয়োগে মৰিগাওঁ মহাবিদ্যালয়, ছাত্ৰ-ছাত্ৰী তথা সমাজৰ নিশ্চয় কিছু লোকচান কৰিব। তেওঁৰ বিয়োগে মানৱীয় মূল্যবোধ থকা প্ৰতিজন ব্যক্তিকে ব্যথিত কৰিব। তেওঁৰ নিষ্ঠা আৰু দায়িত্ববোধে উঠি অহা চামক অনুপ্ৰাণিত কৰক। এই প্ৰমূল্য সমূহৰ অধিকাৰীৰ সংখ্যা সৰহ হওক। এইয়া আমাৰ আশা। ●

**মহৎ লোকৰ বাণী**



প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাত, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য অবিস্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু।

— ছাৰ জগদীশ বসু

# মনোভাষাবিজ্ঞান

## (PSYCHOLINGUISTICS)

● হাবীবুৰ ৰহমান
প্ৰবক্তা, অসমীয়া বিভাগ

ভাষা হৈছে মানুহৰ মনৰ ভাব প্ৰকাশৰ প্ৰধান মাধ্যম। ভাষাই মানুহক আন জীৱ-জন্তুৰ পৰা পৃথক কৰি শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে। বিশাল মানৱ-সংস্কৃতিৰ এটা দিশ কেৱল ভাষাই আৱৰি ৰাখিছে। পৃথিৱীত মানৱ সভ্যতা-সংস্কৃতিৰ অগ্ৰগতিয়ে ভাষাৰ ইতিহাসৰ গতিবো দিক নিৰ্ণয় কৰে। জনসংখ্যা বৃদ্ধিৰ লগে লগে ভাষাৰো প্ৰসাৰ ঘটে আৰু লগে লগে বৈচিত্ৰ্য আৰু বিস্তৃতি অধিক দ্ৰুততৰ হয়। সমাজ-সংস্কৃতিৰ অন্যান্য দিশৰ লগতে ভাষাৰ শৃংখলাবদ্ধ আৰু বৈজ্ঞানিক অধ্যয়নো আৰম্ভ হয়।

ভাষাৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত অধ্যয়নেই ভাষা-বিজ্ঞান (Linguistics)। লেটিন 'Lingua' (tongueমাত বা কথা বা ভাষা) আৰু 'istics' (Knowledge or Science, তত্ত্ব বা জ্ঞান বা বিজ্ঞান) শব্দৰ সমন্বয়ত 'Linguistics' শব্দটো সাধন হৈছে। প্ৰণালীবদ্ধ আলোচনাৰ বাবে ভাষা-বিজ্ঞানক প্ৰধানকৈ বৰ্ণনাত্মক আৰু ঐতিহাসিক — এই দুটা ভাগত ভাগ কৰিব পাৰি। তদুপৰি সাধাৰণ ভাষা-বিজ্ঞান, তুলনামূলক ভাষা-বিজ্ঞান, প্ৰয়োগিক ভাষা-বিজ্ঞান আদি ভাষা-বিজ্ঞানৰ আন আন ভাগ।

ভাষা এটা সামাজিক আৰু সাংস্কৃতিক উপাদান। সমাজৰ বিভিন্ন দিশ যেনে নৃতত্ত্ব, ভূতত্ত্ব, ভূগোল, দৰ্শন, সাহিত্য, বুৰঞ্জী আদিৰ লগতে অন্যান্য প্ৰকৃতি-বিজ্ঞানৰ লগত ভাষাৰ বিশেষ সম্পৰ্ক আছে। এই ফালৰ পৰা নৃতাত্ত্বিক ভাষা-বিজ্ঞান (Anthropological Linguistics), প্ৰয়োগিক ভাষা-বিজ্ঞান (Applied Linguistics), জৈৱিক ভাষা-বিজ্ঞান (Biological Linguistics), নৃগোষ্ঠীয় ভাষা-বিজ্ঞান (Ethnolinguistics), ভূ-ভাষা-বিজ্ঞান (Geographical Linguistics), সমাজ ভাষা-বিজ্ঞান (Socio-Linguistics), মনো ভাষা-বিজ্ঞান (Psycholinguistics) আদি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা পোৱা যায়।

মনো ভাষা-বিজ্ঞান (Psycholinguistics) ভাষা-বিজ্ঞানৰ এক আধুনিক শাখা। ভাষাৰ মনোবৈজ্ঞানিক আলোচনাই আধুনিক ভাষা-বিজ্ঞানৰ এক নতুন দিগন্ত উন্মোচন কৰে। প্ৰধানকৈ বিংশ শতিকাৰ দ্বিতীয় অৰ্দ্ধৰ পৰা পাশ্চাত্যত এই দিশ মুকলি হয়। পিছলৈ পৃথিৱীৰ সমগ্ৰ দেশলৈ ই বিয়পি পৰে। গ্ৰীক Psyche (আত্মা) আৰু 'Logos' (বিজ্ঞান বা অধ্যয়ন) শব্দ দুটাৰ মিলনত 'Psychology' শব্দটো নিষ্পন্ন হৈছে, যাৰ অৰ্থ হ'ল 'আত্মাৰ অধ্যয়ন'। অসমীয়া ভাষাত ইয়াৰ প্ৰতিশব্দ হিচাপে মনস্তত্ব বা মনোবিজ্ঞান শব্দ দুটা ব্যৱহাৰ কৰা হয়।

ভাষা-বিজ্ঞান আৰু মনো বিজ্ঞানৰ সমন্বয়েই মনো-ভাষা-বিজ্ঞান (Psycholinguistics)। 'ভাষা হৈছে মানৱীয় ঘটনাৰাজি যি সমাজ গোষ্ঠীৰ মাজত নিৰবিচ্ছিন্নভাৱে প্ৰসাৰিত হয়; কাৰণ ই সম্পূৰ্ণৰূপে গোষ্ঠীৰ এক ঐতিহাসিক বংশানুক্ৰম, দীৰ্ঘ, অবিচ্ছন্ন সামাজিক এক উৎপাদন স্বৰূপ' (Speech is a human activity that varies without assignable limit as we pass from social group to social group; because it is purely historical haritage of the group, the product of long-continues social usage --- SAPIR, E.; Language - Page - 4)।

মানুহৰ সহজাত আচৰণসমূহৰ সাধাৰণ নিয়মবিলাকৰ সূত্ৰ উদ্‌ঘাটন কৰা মনস্তত্ত্ব বা মনোবিজ্ঞানৰ বিষয়বস্তু। ভাষা হৈছে চিন্তা (Thinking) আৰু অনুভূতিৰ (Feeling) বাহক। চিন্তন আৰু কথনৰ মাজৰ সম্পৰ্কতে ভাষা- বিজ্ঞান আৰু মনোবিজ্ঞানৰ সম্পৰ্ক। ভাষা আহৰণত মনস্তত্ত্বই বিশেষ সহায় কৰে। মনস্তাত্ত্বিকসকলে ভাষাৰ ক্ষেত্ৰত সাধাৰণতে কেইটামান প্ৰশ্ন উত্থাপন কৰে— ১) ভাষা কেৱল মানুহৰেই একক আচৰণ নে? ২) ভাব আৰু ভাষাৰ সম্পৰ্ক কি? ৩) মানৱ শিশুৱে কেনেকৈ ভাষা আহৰণ কৰে? ৪) ভাষা কিদৰে উৎপাদন কৰা হয়?

মনো-ভাষা-বিজ্ঞানীৰ অধ্যয়নৰ ফলাফলমৰ্মে ওপৰৰ প্ৰশ্নসমূহৰ উত্তৰ এনেদৰে দিব পৰা যায়— চিম্পাঞ্জী, দলফিন, মৌ-মাখিকে আদি কৰি বিভিন্ন পশু-পক্ষী, চৰাই-চিৰিকতি আদিৰ জনসংযোগ পদ্ধতিৰ (Communicative System) তুলনাত মানুহৰ সংযোগ (ভাষা) অধিক পৃথক আৰু উন্নত। কুকুৰে 'ভুক্ ভুক্' কৰি, মেকুৰীয়ে 'মেও মেও' কৰি, গৰুৱে হেম্বেলিয়াই, মৌ-মাখিয়ে গুণ গুণাই বা বিভিন্ন নাচেৰে মনৰ ভাব প্ৰকাশ কৰে। আকৌ কিছুমান চৰাই যেনে - মইনা, ভাটৌ,

শালিকা আদিয়ে কোনো শিকা কথা মানুহৰ লেখীয়াকৈ ক'ব পাৰে। কিন্তু নতুন বাক্য সৃষ্টি কৰিব নোৱাৰে বা নিজৰ পৰা কোনো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে।

এজন সুস্থ মানুহৰহে ভাষা থাকে। ইয়াত মানসিক আৰু শাৰীৰিক সুস্থতাৰ কথা কোৱা হৈছে। ভাষাৰ লগত ভাবৰ নিবিড় সম্পৰ্ক। ভাৱে ভাষা সৃষ্টি কৰে আৰু ভাষাই ভাবক নিয়ন্ত্ৰণ কৰে, বিস্তৃতি প্ৰদান কৰে আৰু মানুহৰ মানসিকতাৰ উচ্চতা-নিম্নতা নিৰূপন কৰে তথা প্ৰণালীবদ্ধ চিন্তন কৰাত সহায় কৰে। ভাষা হ'ল বৌদ্ধিক আহিলা যাৰ জৰিয়তে মানুহে চিন্তা, কল্পনা আৰু পৰিকল্পনা কৰিব পাৰে। ভাষাই মানুহৰ চিন্তাক আকৃতি প্ৰদান কৰে যাক কোৱা হয় 'Linguistics' determination। আকৌ ভাষাৰ ভিন্নতাই মানুহৰ চিন্তাৰীতিৰ ভিন্নতা আনিব পাৰে। ইয়াক কোৱা হয় 'Linguistics relativity'। কোনো ভাষাৰ গঠনে সেই ভাষী লোকৰ ভাবৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। ফলত সেই ভাষী লোকৰ জগতখনৰ উপলব্ধি (Perception) অন্য ভাষীতকৈ ভিন্ন হ'ব পাৰে। ভাষা এটা সামাজিক, সাংস্কৃতিক অনুষ্ঠান। শৃংখলাবদ্ধ এই সম্পদটো কেৱল মানুহৰেই একক আচৰণ।

জন্মৰ সময়ত শিশু এটাৰ মন-মগজু উকা ফলিৰ দৰে। এই মত পোষণ কৰে আচৰণবাদীসকলে। এইসকলৰ মতে শিশুৱে ভাষা আয়ত্ব কৰে অভিজ্ঞতাৰ পৰা। 'Learning a language is a process of getting linguistic habits printed on these slates. Language acquisition is the result of stimulus-response activities. Imitation, repetition, memorization, reward and reinforcement faciliate this process of language acquition' (VARSHNEY, DR. R. L. : An Introductory Text Book of Linguistics & Phonetics).

আন এচাম পণ্ডিতৰ মতে ভাষা সৃষ্টি যেনেকৈ এটা জৈৱিক প্ৰক্ৰিয়া, ইয়াক আয়ত্ব কৰাটোও এটা জৈৱিক প্ৰক্ৰিয়া। (Language learning is something right undergoing puberty)। শিশু এটাই মাতৃভাষা সহজে আহৰণ কৰিব পাৰে। মাতৃভাষাৰ ব্যাকৰণ কোনেও শিকাই দিব লগা নহয়। Noam Somsky -ৰ মতে শিশুৱে বয়স্কসকলৰ ভাষাৰ আঁৰত লুকাই থকা ব্যাকৰণৰ নিয়মবোৰ আৱিস্কাৰ কৰি কোনেও কেতিয়াও শিকাই নিদিয়া বা কাৰো মুখত নুশুনা নতুন বাক্য ক'ব পৰা হয়। শিশুৰ ভাষা আহৰণৰ এই ক্ষমতা জন্মগত। শিশুৰ জৈৱিক বিকাশৰ লগত ইয়াৰ সম্পৰ্ক ওতঃপ্ৰোত। পৃথিৱীৰ সমস্ত শিশুৱে সাধাৰণতে ১৮ মাহৰ পৰা ২৮ মাহৰ ভিতৰত কথা ক'বলৈ আৰম্ভ কৰে। ভাষাক নিয়ন্ত্ৰণ কৰে মগজুৱে। শিশুৰ জন্মৰ পৰা প্ৰথম দুবছৰত মগজুত থকা কোষসমূহৰ মাজত পাৰস্পৰিক সংযোগ ঘটে। মগজুৰ বাওঁঅংশই হৈছে ভাষাৰ নিয়ন্ত্ৰণ কেন্দ্ৰ। শিশু এটাৰ জন্মৰ পৰা ১৪ বছৰ পৰ্য্যন্ত — এই সময়ছোৱাই হৈছে ভাষা আহৰণৰ উপযুক্ত সময়। এইছোৱা কালক 'Critical Period' বুলি কোৱা হয়।

ভাষাবিদ Jean Aitchison -এ তেখেতৰ 'The Articulate Mammal : An Introduction to Psycholinguistics' গ্ৰন্থত শিশুৰ ভাষা বিকাশ আৰু আহৰণৰ সাধাৰণ প্ৰক্ৰিয়া এনেদৰে দেখুৱাইছে—

| সময়/বয়স | ভাষান্তৰ |
|---|---|
| ১। জন্মৰ পৰা ৬ সপ্তাহলৈ | ১। কান্দোন (Crying) |
| ২। ৬ সপ্তাহৰ পৰা ৬ মাহলৈ | ২। কু-কুৰনি (Cooing) |
| ৩। ৬ মাহৰ পৰা ৮ মাহলৈ | ৩। কলকলনি (Babbling) |
| ৪। ৮ মাহৰ পৰা ১ বছৰলৈ | ৪। সুৰীয়া আৰ্হি (Patterns) |
| ৫। ১ বছৰৰ পৰা ১ $\frac{1}{2}$ বছৰলৈ | ৫। এটা শব্দ উচ্চাৰণ (1 word utterance) |
| ৬। ১ $\frac{1}{2}$ বছৰ পৰা ২ বছৰলৈ | ৬। দুটা শব্দ উচ্চাৰণ (2 words utterance) (৩০০ শব্দ) |
| ৭। ২ বছৰৰ পৰা ৪ $\frac{1}{2}$ বছৰলৈ | ৭। বিভক্তি আদি প্ৰয়োগ কৰি সম্পূৰ্ণ বাক্য গঠন (Word inflected) (৯০০ শব্দ) |
| ৮। ৪ $\frac{1}{2}$ বছৰৰ পৰা ৫ বছৰলৈ | ৮। সকলো ধৰণৰ বাক্য উচ্চাৰণ (১৬০০ শব্দ) (Question, Negatives etc.) |
| ৯। ৫ বছৰৰ পৰা | ৯। দুৰ্লভ বা জটিল বাক্য গাঁঠনি (Rare or Complex s |
| ১০। ১০ বছৰৰ পৰা | ১০। পৈনত মাত কথা (Mature Speech) |

মনো-ভাষা-বিজ্ঞানত বাক্যৰ অৰ্থবোধ এটা বিশেষ গুৰুত্বপূৰ্ণ কথা। দেখা যায় যে, বাক্য এটাৰ গাঁঠনি যিমানেই জটিল হয়, তাৰ অৰ্থবোধ হওঁতেও সিমান বেছি সময় লাগে। সৰল বাক্য এটা বুজিবলৈ আৰু মনত ৰাখিবলৈ সহজ। বাক্য বুজাত বলাঘাত (Stress), সুৰ-লহৰ (Intonation), বিৰতি (pause), নিকটস্থ অঙ্গ (Immidiate Constituent) আদি উপকৰণে সহায় কৰে। উদাহৰণ স্বৰূপে — 'মোক ৰঙা কলমটো দিয়া' — এই বাক্যটোত বলাঘাত (আপেক্ষিক জোৰ) 'মোক'-ৰ ওপৰত পৰিলে - 'ৰঙা' কলমটো 'মোক'হে দিয়া (আনক নহয়), 'ৰঙা'ৰ ওপৰত পৰিলে - ৰঙা 'কলম'টোহে (আন বস্তু নহয়), বুজাব। তেনেকৈ 'তুমি যোৱা' — এই বাক্যটোৰ সুৰৰ ভিন্নতাই বাক্যটোক কেতিয়াবা অনুজ্ঞাসূচক, কেতিয়াবা প্ৰশ্নসূচক বা কেতিয়াবা বিস্ময়সূচক আদি অৰ্থবোধক কৰি তুলিব।

ব্যক্তিয়ে নিজৰ ভাষাজ্ঞানৰ পৰাই শব্দ এটা শুনাৰ লগে লগে পিছৰ শব্দটো কি হ'ব পাৰে অনুমান কৰি লয়। যেনে - 'অহুকাণে-পহুকাণে' শব্দটো শুনাৰ লগে লগে শুনোতাই অনুমান কৰিব যে তাৰ পাছৰ শব্দটো 'শুনিলে' জাতীয় শব্দ হ'ব, 'খালে', 'পালে'- আদি নহয়।

বাক্যত ব্যৱহৃত শব্দবিলাক বেছি চিনাকি হ'লে বাক্যটো বুজিবলৈ অধিক উজু হয়। সাধাৰণতে ব্যৱহাৰ নোহোৱা শব্দ বাক্যত ব্যৱহাৰ হ'লে বাক্য বুজাত অপেক্ষাকৃত অধিক সময় লাগে। বাক্যটো সন্দিগ্ধ (ambigous) হ'লেও বুজাত অধিক সময় লাগে। যেনে -

(ক) কথাটো বুজিব পৰা হ'ল।

(খ) ল'ৰাটো বুজিব পৰা হ'ল।

সঙ্গত (Plausible) বাক্যবোৰ বুজিবলৈ আকৌ সহজ হয়। উদাহৰণ স্বৰূপে-

(ক) ল'ৰাটোৱে খেল পথাৰত খেলিছে।

(খ) গাইজনী গোহালিত আছে। — এই বাক্যদুটাত 'খেল'ৰ লগত 'পথাৰ'ৰ আৰু 'গাইজনী'ৰ লগত গোহালিৰ সম্পৰ্ক আমাৰ পৰিচিত হোৱাত বাক্যটো বুজাত সহজ হয়। কিন্তু 'ৰান্ধনীয়ে আখলত নাচিছে'— এটা বাক্যটোত 'আখল'ৰ লগত 'নাচ'ৰ সম্পৰ্ক ৰহিত হোৱা বাবে বুজিবলৈ টান। জটিল বাক্যৰ নিচিনাকৈ দীঘল বাক্য বুজিবলৈ সময়ও লাগে। তেনেকৈ বক্তাৰ কথা কোৱাৰ গতিৰ ওপৰতো বাক্যৰ অৰ্থবোধ নিৰ্ভৰ কৰে। পূৰ্ব প্ৰসঙ্গ জনা থাকিলে কথাৰ অৰ্থবোধ সহজ হয়।

মনো-ভাষা-বিজ্ঞানত কথা কওঁতে সৃষ্টি হোৱা মানসিক প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আমি বাক্যৰ ভাব প্ৰকাশ কৰোতে, আমাৰ মগজুৱে এটা পূৰ্ব পৰিকল্পনা কৰি লয়। এনে পৰিকল্পনা দুই পৰ্য্যায়ত কৰা হয়— এটা ৰেখ আঁচনি (outline planning) আৰু আনটো বিস্তৃত আঁচনি (detailed planning)। ৰেখ আঁচনিত বাক্যত ব্যৱহৃত শব্দৰাজিৰ বাচনি, বাক্য গঠন আৰু সুৰ-লহৰৰ ওপৰত গুৰুত্ব দিয়া হয়। আনহাতে বিস্তৃত আঁচনিত পূৰ্ব বাচনিকৃত উপাদানৰ সংগঠনৰ ওপৰত গুৰুত্ব দিয়া হয়। কেতিয়াবা আমি কথা কওঁতে হঠাতে ৰৈ যাওঁ অৰ্থাৎ ভাব প্ৰকাশৰ বাবে উপযুক্ত শব্দ যথাসময়ত ওলাই নহা যেন অনুভৱ কৰোঁ অথচ ভাবটো মনতেই আছে। মগজুৱে যে কথাটো প্ৰকাশ কৰিবলৈ পূৰ্ব পৰিকল্পনা কৰি লয় এই কথাই প্ৰমাণ কৰে। নহ'লে আন শব্দ ব্যৱহাৰ কৰি বাক্যটো সমাপ্ত কৰা হ'লহেঁতেন। কিন্তু এনে কৰিলে ক'বলগীয়া কথাটো নহৈ আন কিবাহে হ'বগৈ। কেতিয়াবা আকৌ পৰিকল্পনা সঠিক থাকিলেও বাচনিৰ ভুলৰ (selection error) বাবে বাক্য অশুদ্ধ হয়। যেনে - আমি কেতিয়াবা 'secrify' - ৰ ঠাইত 'satiesfy', chicken, ৰ ঠাইত kitchen, ' মৰ্মান্তিক আঘাত'-ৰ ঠাইত ৰোমাণ্টিক আঘাত আদি কৈ পেলাওঁ। ভাষা-বিজ্ঞানত ইয়াক Melapromism বুলি কোৱা হয়।

'Spoonarism' - ৰ বাবেও আমি বাক্য ভুল কৰোঁ। Spoonarism হৈছে বাক্যত ব্যৱহৃত শব্দৰ ধ্বনি-বিপৰ্যয়। কেতিয়াবা আমি কথা কওঁতে ইটো শব্দৰ ধ্বনি সিটোলৈ গতি কৰে। যেনে - ঘোঁৰা গাড়ী > গোৰা ঘাঁড়ী, 'এক কাপ চাহ' > এক চাপ কাহ ইত্যাদি।

মনো-ভাষা-বিজ্ঞানৰ এক বিস্তৃত অধ্যয়ন ক্ষেত্ৰ আছে। কিন্তু এই ক্ষেত্ৰ এতিয়াও চালুকীয়া অৱস্থাত আছে। ভাষাৰ-বিভিন্ন ধ্বনি, উপ-ধ্বনি, ৰূপৰ বৈশিষ্ট্য, শব্দৰ প্ৰয়োগ, বাক্য গঠন আদি সকলো ভাষা তত্ত্বৰ ভিতৰুৱা। ভাষাতত্ত্বৰ বিভিন্ন সমস্যা মনস্তত্ত্বৰ লগত জড়িত। সেয়ে ভাষা-বিজ্ঞানত মনোবিজ্ঞানে এক বিশেষ স্থান দখল কৰি আছে। ●

বাস্তৱতা যিমানেই ভয় লগা বা প্ৰতিৰোধহীন যেন নালাগক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস অটুত ৰাখিব পাৰিলে জয়লাভ সুনিশ্চিত।

**— পিয়েৰ টেলহাৰ্ট দ্য চাৰদিন**

# পৰিবৰ্তিত সামাজিক প্ৰেক্ষাপট আৰু সামাজিক অনুষ্ঠান

● ধ্ৰুৱজ্যোতি চহৰীয়া
প্ৰবক্তা, ভূগোল বিভাগ

*"শুৱনি আমাৰ গাঁওখনি অতি......"*

কবিৰ কল্পনাৰ শুৱনি গাঁওবোৰ আমাৰ চকুৰ আগৰ পৰা লাহে লাহে নোহোৱা হৈ যাব ধৰিছে। দৰিদ্ৰতা, নিৰক্ষৰতা, ভূমিহীনতা আদি নানান অভাৱে আমাৰ গাঁওবোৰৰ হাঁহিবোৰ ক্ৰমাত নোহোৱা কৰিব লাগিছে। এই যে এসময়ৰ সুজলা-সুফলা গাঁওবোৰ অভাৱৰ বোজাটোৱে কোঙা কৰি দিলেহি, কিহৰ বাবেনো এনে হ'ল? ইয়াৰ পৰা পৰিত্ৰাণৰ কিবা উপায় আছেনে?

আমি যদি ভাৰতীয় সমাজৰ প্ৰেক্ষাপটত এই আলোচনাটো আৰম্ভ কৰো তেতিয়া হ'লে দেখিবলৈ পাম যে ভাৰতবৰ্ষৰ ৮০ শতাংশ লোক বাস কৰে গ্ৰাম্য অঞ্চলত। এক কথাত ক'বলৈ গ'লে গোটেই জাতীয় অৰ্থনীতি, সামাজিক দৃশ্যপট আদি নিৰ্ভৰ কৰে এই ৮০ শতাংশৰ সঠিক উন্নয়নৰ ওপৰত। কিন্তু দুখৰ বিষয় যে স্বাধীনতাৰ ৫ টা দশক পাৰ হৈ যোৱাৰ পিছতো ভাৰতৰ গাঁৱৰ অৱস্থা অতি দুখ লগা। ১৯৯৮ চনৰ মানৱ উন্নয়ন দলিল মতে ভাৰতৰ মুঠ জনসংখ্যাৰ ৩৫ শতাংশ (পৃথিৱীৰ মুঠ দৰিদ্ৰ লোকৰ এক তৃতীয়াংশ) দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে। ১৪০ নিযুত লোকে স্বাস্থ্য ৰক্ষাৰ প্ৰাথমিক সুবিধা কণো নাপায়, ৩৪৬ নিযুত লোকে খোৱা পানীৰ সুবিধা নাপায়, ৬২ নিযুত শিশুৱে ৫ বছৰৰ তলতে অপুষ্টিত ভোগে আৰু ২৯১ নিযুত প্ৰাপ্তবয়স্ক লোক এতিয়াও অশিক্ষিত। ভাৰতবৰ্ষ পৃথিৱীৰ দুখীয়া দেশবোৰৰো এখন। ১৯৯৭ চনত আমাৰ মুঠ জনমুৰি গড় জাতীয় আয় আছিল - ৩৯০ আমেৰিকান ডলাৰ, যি স্থলত আন্তঃৰাষ্ট্ৰীয় গড় জাতীয় আয় হ'ল ৫১৩০ আমেৰিকান ডলাৰ আৰু আমেৰিকাৰ জাতীয় আয় হ'ল ২৪,৭৪০ আমেৰিকান ডলাৰ (বিশ্ব বেংক, ১৯৯৮)।

এই পৰিসংখ্যা প্ৰতিজন ভাৰতীয়ৰ বাবে বৰ দুখঃজনক। এনে পৰিস্থিতিত বিভিন্ন জাতীয় পৰিকল্পনা আৰু অনুষ্ঠানৰ প্ৰধান লক্ষ্য, দেশৰ পৰা দৰিদ্ৰতা নিৰ্মূল কৰা আৰু নিৰক্ষৰতা দূৰীকৰণ কৰা উচিত। কিন্তু কিছু সুপৰিকল্পিত আঁচনি নহ'লে আমাৰ বাঞ্চিত লক্ষ্য আমাৰ পৰা দূৰতেই থাকিব।

যিকোনো গ্ৰাম্য উন্নয়ন আঁচনিৰ প্ৰধান লক্ষ্য হ'ল গাঁৱৰ দুখীয়া ৰাইজৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা। সাধাৰণতে গ্ৰহণযোগ্য জীৱন ধাৰণৰ মানদণ্ড নিৰূপকবোৰ হ'ল— খাদ্যবস্তুৰ সম বিতৰণ, পৰিস্কাৰ বায়ু, পানী, ৰোগমুক্ত অৱস্থা, গৃহ নিৰ্মাণৰ ধৰণ ইত্যাদি। আকৌ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পাৰিবাৰিক জীৱন, ভেদাভেদ বিহীন সমাজ, সিদ্ধান্ত গ্ৰহণৰ স্বাধীনতা, আয়ৰ সম বিতৰণ, কাম কৰাৰ সুবিধা ইত্যাদি। এই গোটেইবোৰ কামৰ উন্নয়নৰ যোগেদি যিটো মূল লক্ষ্য নিৰ্হিত হৈ আছে সেইটো হৈছে - আমাৰ জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰি অৰ্থনৈতিক দিশত আমাৰ ভূমিকা বৃদ্ধি কৰা।

স্বাধীনোত্তৰ কালছোৱাত বিভিন্ন গ্ৰাম্য উন্নয়ন আঁচনিৰ জৰিয়তে কিছু ক্ষেত্ৰত ভাৰতবৰ্ষই উন্নতি লাভ কৰিছে। কিন্তু এই উন্নয়নৰ গতি বৈষম্যপূৰ্ণ। উদাহৰণস্বৰূপে ভাৰতবৰ্ষই খাদ্য দ্ৰব্য উৎপাদনত স্বাৱলম্বীতা অৰ্জন কৰাৰ বিপৰীতে ভাৰতবৰ্ষত প্ৰতিবছৰে হেজাৰ জনৰ দুৰ্ভিক্ষত মৃত্যু হয়। ভাৰতৰ প্ৰচলিত উন্নয়নৰ গতিয়ে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ বিশেষ পৰিবৰ্তন অনাত ব্যৰ্থ হৈছে। ৰাইজৰ বাবে পৰিকল্পনাৰ ধনৰ অসৎ ব্যৱহাৰ ইয়াৰ এটা প্ৰধান কাৰণ। বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে ৰাইজৰ বাবে ধাৰ্য ধনৰ সৰহ ভাগেই নীতি বহিৰ্ভূতভাৱে মাজবাটতেই শেষ হৈ যায়। যি অলপ নামমাত্ৰ পায়গৈ সিও এপাচি শাকত এটা জালুকৰ নিচিনা। মন্ত্ৰী বিধায়কৰ পৰা আৰম্ভ কৰি কেৰাণী-মহৰীলৈকে পৰিকল্পনাৰ ধনৰ ভাগ বটোৱাৰ যি নিৰ্লজ প্ৰতিযোগিতা চলে তাৰ মাজতে শেষ হৈ যায় হেজাৰ জন দুখীয়া নিষ্পেষিতৰ জীৱনৰ আশা। উন্নয়নৰ প্ৰক্ৰিয়াটোত ভাগ লোৱা আমোলা সকলৰ দেশপ্ৰেম হীনতাও ইয়াৰ এক প্ৰধান কাৰণ।

কিন্তু এইবোৰ কাৰণতকৈও যিটো কাৰণে ভাৰতৰ গ্ৰাম্য জীৱন উন্নয়নত বিশেষ প্ৰভাৱ পেলাইছে সেইটো হ'ল- আমাৰ ৰাইজৰ চৰকাৰী অনুষ্ঠানসমূহৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা। অতীজৰ খোৱাৰ পৰা পিন্ধালৈকে নিজে প্ৰতিষ্ঠা কৰি লোৱা স্বাৱলম্বী সমাজ আজি পৰমুখাপেক্ষী হৈ পৰিছে। আমাৰ প্ৰতিটো সমস্যাৰ সমাধান চৰকাৰে কৰিব বুলি ভাবি থকাটোও আমাৰ বৰ্দ্ধিত সমস্যাৰ এটা প্ৰধান কাৰণ। সেয়ে আমাৰ সামাজিক উন্নয়নৰ প্ৰক্ৰিয়াটোত যেতিয়ালৈকে ৰাইজে নিজে ভাগ নলয়,

তেতিয়ালৈকে প্ৰকৃত উন্নয়ন সম্ভৱ নহয়। মহাত্মা গান্ধীৰ এষাৰ কথা এইখিনিতে প্ৰণিধানযোগ্য। তেখেতে কৈছিল-"স্বৰাজ মানে হ'ল চৰকাৰী বান্ধোন সমূহৰ পৰা নিজকে মুক্ত কৰাৰ ক্ৰমাগত প্ৰচেষ্টা। এই মুক্তি বিদেশী চৰকাৰৰ পৰা নে দেশীয় চৰকাৰৰ পৰা হ'ব সেইটো বৰ ডাঙৰ কথা নহয়। কিন্তু স্বৰাজ অহাৰ পিছত ভাৰতবৰ্ষৰ লোকে যদি ভাবি থাকে তেওঁলোকৰ প্ৰতিটো কামেই চৰকাৰে কৰি দিব তেনেহলে এই স্বৰাজ অৰ্থহীন হ'ব।" আমাৰ সমাজ পুনৰ স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত স্বেচ্ছাসেৱী সংস্থা বা আন আন সামাজিক অনুষ্ঠানসমূহে বিশেষ ভূমিকা পালন কৰিব পাৰে। স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে নিৰনুৱা সমস্যা, দৰিদ্ৰতা, নিৰক্ষৰতা ইত্যাদিৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰি সামাজিক উন্নয়নত এক প্ৰধান হোতা হ'ব পাৰে। বৰ্তমান সময়ত চৰকাৰেও সামাজিক অনুষ্ঠানসমূহৰ জৰিয়তে উন্নয়ন অনাত বিশেষ গুৰুত্ব দিয়ে আৰু দেশৰ বিভিন্ন অঞ্চলত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে উন্নয়নৰ প্ৰক্ৰিয়াটোত ভাগ লৈ যথেষ্ট উন্নতি কৰিবলৈ সক্ষম হৈছে। আচলতে ৰাইজে নিজেই নিৰ্ণয় কৰিব লাগিব তেওঁলোকে কি বিচাৰে আৰু সামাজিক স্বেচ্ছাসেৱী সংস্থাসমূহে তেওঁলোকক এই লক্ষ্যত উপনীত হোৱাত সহায় কৰিব লাগিব। এই ক্ষেত্ৰত বিভিন্ন চৰকাৰী আঁচনি, অনুষ্ঠান আদিৰ বাহিৰেও কিছুমান বেচৰকাৰীসংস্থা যেনে- কাপাৰ্ট (CAPART), ৰাষ্ট্ৰীয় গ্ৰামীন বিকাশ নিধি (RGVN), এচ্ আই, আৰ ড়ি (SIRD) ইত্যাদি অনুষ্ঠান সমূহে আন সামাজিক স্বেচ্ছাসেৱী অনুষ্ঠান সমূহক বিভিন্ন ধৰণে সহায় কৰে। এই সহায় সুবিধা গ্ৰহণ কৰি সামাজিক অনুষ্ঠান সমূহে নিজৰ লগতে ৰাইজৰ উন্নতি সাধিব পাৰে।

পৰিবৰ্তিত সময়ৰ এই সন্ধিক্ষণত আজিৰ সামাজিক অনুষ্ঠান সমূহ, ছাত্ৰ সমাজ সকলোৱে লগহৈ পাৰ হৈ যোৱা দিনবোৰৰ সঠিক মূল্যায়ন তথা ভৱিষ্যত পৰিকল্পনা সূচাৰুৰূপে কৰিব পাৰিলেহে আমি আমাৰ সমাজক সঠিক পথ দেখুৱাব পাৰিম। বিগত দিনবোৰত আমি সমাজক কি দিলো আৰু আগন্তুক দিন বোৰত কি দিব পাৰিম তাক চিন্তা চৰ্চা কৰাৰ এয়াই আটাইতকৈ সঠিক সময়। আমি সকলোৱে মিলি এনে এখন সমাজ গঢ় দিব পাৰো য'ত প্ৰত্যেকৰে উন্নতি কৰিবলৈ সমান সুযোগ থাকে, এনে এখন সমাজ য'ত প্ৰত্যেকৰে সমান অংশীদাৰ থাকে যাতে আমি আমাৰ ভৱিষ্যত শিশু সকলৰ বাবে থৈ যাব পাৰো এক শুভৱিষ্যতৰ আশা। ●

**"পৃথিৱীত তিনি প্ৰকাৰৰ মানুহ থাকে - এক প্ৰকাৰে কাম কৰে, এক প্ৰকাৰে কামবোৰ চায় আৰু আন প্ৰকাৰে কামবোৰ কেনেকৈ হ'ল ভাবি থাকে।"**

# পুৰণি অসমৰ চিত্ৰকলা আৰু 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰশৈলী

● পংকজ শ্যাম
প্ৰৱক্তা, অসমীয়া বিভাগ

দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তাৰ দাবীতকৈ আনন্দ প্ৰদানৰ দাবীয়ে যি শিল্পত প্ৰাধান্য লাভ কৰে সেই শিল্পক কলা বোলে। আকৌ, যি কলা লোক জীৱনৰ অংশীদাৰ সকলে এই সমাজক আনন্দ দিবৰ বাবে প্ৰস্তুত কৰে, সেই কলাৰ নামেই লোককলা। সুকুমাৰ কলা বা 'Fine arts' আৰু এই লোককলা একে নহয়, কিয়নো সুকুমাৰ কলাক পৰিমাৰ্জিত কলা বুলিব পাৰি; কিন্তু লোককলাৰ ক্ষেত্ৰত পৰিমাৰ্জনৰ প্ৰশ্নটো নাহে। এই লোককলাৰ অন্তৰ্গত এটি উল্লেখযোগ্য কলা হ'ল—লোক চিত্ৰকলা। আদিম কালৰে পৰাই পৃথিৱীৰ বিভিন্ন দেশত চিত্ৰকলাৰ চৰ্চা লোক জীৱনত হৈ আহিছে। ভাৰততো তথা অসমতো বিভিন্ন ৰজাৰ পৃষ্ঠপোষকতাত, পুথি, ধৰ্মীয় অনুষ্ঠান আদিত চিত্ৰকলাৰ চৰ্চা প্ৰাচীন কালৰ পৰাই চলি আহিছে।

চিত্ৰকলাৰ ক্ষেত্ৰত অসম এখন চহকী ৰাজ্য। অতি পুৰণি কালৰ পৰাই কামৰূপকে কেন্দ্ৰ কৰি আন আন ঠাইতো এই কলাই প্ৰসাৰতা লাভ কৰিছিল। স্বভাৱ শিল্পী অসমীয়া মানুহৰ জীৱন যাত্ৰাই অসমৰ লোক চিত্ৰকলা ঐশ্বৰ্য্যময় আৰু ঐতিহ্যপূৰ্ণ কৰি থৈ গৈছে। এই প্ৰৱন্ধটিত অসমৰ চিত্ৰকলা বিশেষকৈ প্ৰাচীন অসমৰ চিত্ৰকলা সম্পৰ্কে এটি থূলমূল আভাষ দিয়াৰ চেষ্টা কৰা হৈছে।

অজন্তাৰ গুহাচিত্ৰৰ দৰে অসমৰ আদিম গুহাবাসীসকলৰ কোনো গুহাচিত্ৰ (Cave Painting) বা চিত্ৰ সম্বলিত গুহা বৰ্তমান পৰ্যন্ত আৱিষ্কাৰ হোৱা নাই বুলিয়েই অসমৰ আদিম বাসীসকলৰ কোনো চিত্ৰকৰ্ম নাছিল বুলি ক'ব নোৱাৰি। কিয়নো অসমৰ জলবায়ু চিত্ৰ আদি সংৰক্ষণৰ সম্পূৰ্ণ পৰিপন্থী। কিন্তু, ভাৰতীয় চিত্ৰকলাৰ দৰে অসমতো প্ৰাচীন কালৰে পৰা চিত্ৰবিদ্যাৰ চৰ্চা চলি আহিছে।

বৌদ্ধধৰ্মই ভাৰতত মহাযান পন্থা সৃষ্টি কৰাত মূৰ্তি পূজা সাধনাৰ এক প্ৰধান আলম স্বৰূপে প্ৰতিষ্ঠিত হ'ল। এই পৰ্য্যায়ত প্ৰত্যেক মন্দিৰৰ মন্দিৰ চিত্ৰকৰ আছিল আৰু তেওঁবিলাকে মূৰ্তি চিত্ৰণৰ কাম সমাধা কৰিছিল। তেওঁলোকৰ কলাত বিদেশী চিত্ৰকলাৰ প্ৰভাৱ পৰি এক নতুন শিল্পকলাৰ জন্ম হৈছিল আৰু এই চিত্ৰকলাই এসময়ত প্ৰাচীন কামৰূপতো প্ৰসাৰতা লাভ কৰিছিল। প্ৰাচীন অসমৰ মন্দিৰ সমূহ চিত্ৰভাস্কৰ্য্যপূৰ্ণ আৰু এই চিত্ৰ ভাস্কৰ্য্যসমূহ আছিল ভাৰতীয় চিত্ৰভাস্কৰ্য্যৰ দ্বাৰা পৰিপুষ্ট। বৌদ্ধ সাংস্কৃতিক সাহিত্যকলাৰ দ্বাৰাও প্ৰাচীন অসম প্ৰভাৱিত হৈছিল আৰু একালত প্ৰাচীন কামৰূপ তান্ত্ৰিক বৌদ্ধ সকলৰ কেন্দ্ৰস্থল হৈ পৰিছিল। মুঠতে, পাল-বংশীয় ৰজা সকলৰ দিনলৈকে প্ৰাচীন কামৰূপত চিত্ৰকলা চৰ্চা অটুট আছিল।

বাণ ৰজাৰ মন্ত্ৰী কুম্ভাণ্ডৰ কন্যা চিত্ৰলেখা এগৰাকী পাৰদৰ্শী চিত্ৰশিল্পী আছিল বুলি জনা যায়। 'নগাওঁ গ্ৰাণ্ট' ৰ তামৰ ফলিৰ মতে বনমালাই যি প্ৰসাদ নিৰ্মাণ কৰিছিল সেইবোৰত অসংখ্য বাস্তৱ চিত্ৰ সংযোগ কৰা হৈছিল। বনমালাৰ 'তেজপুৰ গ্ৰাণ্ট' তো অংকিত কামৰূপৰ চিত্ৰৰ উল্লেখ আছে। আকৌ, কামৰূপৰ অধিপতি ভাস্কৰ বৰ্মণে কামৰূপলৈ অহা লি-ই-পিয়াও (Li-Yi-Pias) আৰু বাং-হিউৱেনছে (Wang-Himan-Tse) ক লাও-চেও (Lao-Tse)ৰ প্ৰতিকৃতিৰ এখন চিত্ৰ বিচৰাৰ কথা জনা যায়। এনেবোৰ তথ্যৰ পৰা তাহানিৰ কামৰূপত চিত্ৰকলাৰ সমাদৰৰ কথা স্পষ্টকৈ জনা যায়।

অসমৰ লোক চিত্ৰকলাৰ আলোচনাত প্ৰধানকৈ সত্ৰীয়া চিত্ৰকলাৰ কথাহে ক'ব লাগিব। অসমত জনজাতীয়সকলৰ দৰে গাত টেটুইং পদ্ধতিৰ দ্বাৰা ফুল-জালি আঁকা বা ঘৰৰ বেৰত বা উৎসৱ আদিত ঘৰৰ মজিয়াত অথবা দুৱাৰ মুখত চিত্ৰ, আলপনা আঁকা ৰীতি প্ৰচলিত নহয়। আনহাতেদি ইয়াৰ পুথিত লতা-পাত আঁকাৰ যি পদ্ধতি প্ৰাচীন কালৰে পৰা চলি আহিছে, সেয়া আন ঠাইত বিৰল। অৱশ্যে অসমৰ বৰ্ত্তমান সংৰক্ষিত চিত্ৰসংখ্যা খুব কম। ধৰ্মমূলক গ্ৰন্থ চিত্ৰভাগৱতকে আদি কৰি, কুমৰ হৰণ, শঙ্খচূড় বধ, লৱ-কুশৰ যুদ্ধ, গীত গোবিন্দ, লঙ্কাকাণ্ড আৰু সুন্দৰাকাণ্ড ৰামায়ন, কল্কী পুৰাণ, মহাভাৰত, ধৰ্মপুৰাণ, আনন্দ লহৰী, মৎস্যচৰিত্ৰ, সমুদ্ৰ মন্থন, অজামিল উপাখ্যান আৰু নামঘোষাত সংৰক্ষিত চিত্ৰখিনিহে আমাৰ সম্পদ। তাৰে 'বনমালীদেৱৰ চৰিত্ৰ' ৰ ছবি বিজ খনিকৰৰ, 'ধৰ্মপুৰাণ'ৰ ছবি বোধ লিগিৰাৰ আৰু 'হস্তীবিদ্যাৰ্ণৱ'ৰ ছবি দিলবৰ আৰু দোষায়ে (দোচায়ে) চিত্ৰিত কৰা বুলি জনা গৈছে আৰু বাকী চিত্ৰবোৰৰ শিল্পীৰ নাম জনা হোৱা নাই। শংকৰদেৱে অসমত চিত্ৰকলাৰ এক নতুন পথৰ সন্ধান দিয়ে। তেওঁ সপ্ত বৈকুণ্ঠৰ পট আঁকি চিত্ৰাঙ্কনৰ সোণালী সুঁতি বোৱাই থৈ যায়। অসমৰ সত্ৰসমূহ এনে শিল্পচৰ্চাৰ কেন্দ্ৰ হৈ উঠিছিল যদিও ৰাজকীয় পৃষ্ঠপোষকতাত কেইবাখনো পুথি চিত্ৰেৰে সমৃদ্ধ হ'ল। বাণভট্ট আৰু পৰ্যটক হিউৱেনচাঙৰ টোকাই অসমত অতীতৰে পৰা চিত্ৰকলাৰ যে চৰ্চা আছিল তাৰ ইংগিত দিয়ে।

অসমৰ হাবিত পোৱা সাঁচিগছৰ পাত অতি যত্নেৰে লিখাৰ উপযোগী কৰি কাজল, ছাই, নীল, শিলিখা, হাইতাল, হেমুল আৰু খৰিমাটিৰ সহায়ত চিত্ৰবোৰ অঙ্কিত কৰা হৈছিল। চিত্ৰ সমূহত ধৰ্মীয় আখ্যানেই প্ৰধানভাৱে ঠাই পাইছিল। তাৰ বাদেও উপবিষ্ট ৰজা-ৰাণী, নৃত্য-গীত, যুদ্ধৰ সমদল আদিৰ ছবিও দেখা যায়। সাপ তথা পুনৰ জন্মৰ বিশ্বাসো চিত্ৰায়িত হৈছিল। চিত্ৰ আঁকিবলৈ বহল তুলাপাতৰো ব্যৱহাৰ হৈছিল। চিত্ৰবোৰত দেৱতা, জন্তু, মনুষ্য আৰু অসূৰৰ মূৰ্ত্তিৰ এফলীয়া মুখ অঁকা ৰীতি অন্য এক বিশেষত্ব। ধৰ্ম মূলক চিত্ৰ প্ৰায়বোৰত দূৰত্ব ৰক্ষাত, ঘনত্ব প্ৰদানত ঔদাসীন্য আৰু পটভূমি কল্পনাত পৰম্পৰা ৰক্ষা কৰা হৈছিল।

অসমৰ চিত্ৰকলাৰ অন্য এক বিশেষত্ব হ'ল শিল্পীসকলৰ আন্তৰিকতা; দ্বিতীয়তে, চিত্ৰবোৰৰ পৰিচ্ছন্নতা আৰু গতিময়তা। চিত্ৰবোৰৰ প্ৰাথমিক গাঢ় ৰঙৰ ব্যৱহাৰ মনকৰিবলগীয়া। দেৱতা আৰু মনুষ্য মূৰ্তিৰ মূৰত মোগলাই টুপীৰ আৰ্হিৰ পাগুৰি, গাত বস্ত্ৰ আৰু অলংকাৰ দেখা পোৱা যায়। অসমৰ চিত্ৰকলাত মোগল তথা ৰাজপুত চিত্ৰ কলাৰ প্ৰভাৱ পৰা বুলি পণ্ডিত সকলে স্বীকাৰ কৰিছে। কিছু চিত্ৰ মুগা কাপোৰতো অঁকা হৈছিল। অসমৰ চিত্ৰকলাত চীন-তিব্বতীয় প্ৰভাৱো পৰা বুলি অনুমান হয়। পুথিৰ উপৰিও সত্ৰ আদিৰ বেৰত আৰি থোৱা কাঠৰ ফলিবোৰতো চিত্ৰকলাৰ চানেকী পোৱা যায়। সত্ৰ, নামঘৰ, খুটা, কাঠৰ শৰাই আদিতো চিত্ৰ অঁকা হৈছিল। ইয়াৰ উপৰিও গোৱালপাৰা অঞ্চলৰ "কুঁহিলাৰ পট"-তো চিত্ৰকলাৰ অনুপম ৰূপ পোৱা যায়।

আহোম ৰজাসকলৰ দিনত অসমৰ চিত্ৰকলাই বিভিন্ন পুঁথি আদিৰ মাধ্যমেদি বিকাশ লাভ কৰিছিল। স্বৰ্গদেউ শিৱসিংহৰ ৰাজপৃষ্ঠপোষকতাত 'হস্তীবিদ্যাৰ্ণৱ', শঙ্খচূড় বধ', 'ধৰ্মপুৰাণ', 'আনন্দলহৰী', বৃহৎ উষাহৰণ', 'গীতগোবিন্দ', আদিত কাহিনীব্যঞ্জক চিত্ৰ অংকন কৰা হৈছিল। ৰজাই বাহিৰৰ চিত্ৰকৰ অসমলৈ মাতি আনিছিল। সম্ভৱতঃ অষ্টাদশ শতিকাত চিত্ৰ-ভাগৱতখন ৰচিত হৈছিল। সেয়ে ইয়াত অষ্টাদশ শতিকাৰ অসমৰ চিত্ৰশৈলীৰ লক্ষণ দেখা যায়। আহোম জ্যোতিষীৰ পুঁথি 'ৱানচেং', 'কুকুৰা-ঠেং-চোৱা', 'খৰিকামঙ্গল' আদিতো প্ৰতীকধৰ্মী চিত্ৰ অংকিত হৈছিল।

**'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰশৈলী ঃ-** ওপৰত উল্লেখ কৰি অহা হৈছে যে, আহোম যুগত বিভিন্ন ৰজাৰ পৃষ্ঠপোষকতাত চিত্ৰশিল্পীসকলৰ দ্বাৰা সজীৱ, মনোমোহা চিত্ৰ কিছুমান পুঁথি, গ্ৰন্থ আদিত অংকিত হৈছিল। আহোম স্বৰ্গদেউ শিৱসিংহৰ দিনত কেইবাখনো উল্লেখযোগ্য চিত্ৰ সম্বলিত পুথি ৰচিত হৈছিল। এইখিনি সময়তে ১৪৭৩ চনত সুকুমাৰ বৰকাথে টাই ভাষাত 'হস্তীবিদ্যাৰ্ণৱ' নামৰ চিত্ৰযুক্ত এটি বহল সংস্কৰণ ৰচনা কৰে। এই পুথিখনি এখন টাই ভাষাৰ হাতী বিষয়ক পুথি বুলি জনা যায়। 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰকৰ দিলবৰ আৰু দোচা (দোষা) আছিল বুলি জনা যায়। সেই সময়ত আহোম ৰজাই অসমৰ বাহিৰৰ পৰাও চিত্ৰশিল্পী মাতি আনিছিল। দিলবৰ আৰু দোচা এনে আমন্ত্ৰিত শিল্পী আছিল বুলি অনুমান হয়।

'হস্তীবিদ্যাৰ্ণৱ' পুথিখনিৰ চিত্ৰশৈলী আছিল ধৰ্ম নিৰপেক্ষ আৰু অৰ্বাচীন। ইয়াত বিভিন্ন প্ৰকাৰৰ হাতীৰ চিত্ৰ আৰু আহোম ৰাজসভাৰ চিত্ৰ আছিল। কেনেকৈ আহোম ৰজাই শোভাযাত্ৰাত হাতীত উঠি গৈছিল; কেনেকৈ শেন মেলোৱা হৈছিল, ৰজাই কেনেকৈ ৰাজসভা বহুৱাইছিল— এনেবোৰ দৃশ্য প্ৰকাশক চিত্ৰ পুথিখনিত সংশ্লিষ্ট হৈ আছে। এইবোৰৰ শিল্পমূল্য তথা ঐতিহাসিক মূল্যও অধিক। প্ৰতিপৃষ্ঠা উচ্চস্তৰৰ কলা কৌশলেৰে উজ্জ্বল। ছবিসমূহ পানী ৰঙেৰে বোলোৱা; তাৰে যথেষ্ট সংখ্যক সোণ পানী চৰোৱা। প্ৰধানত মোগল চিত্ৰশৈলীৰ প্ৰভাৱতে পুথিখনিৰ এই ধৰ্মনিৰপেক্ষ চিত্ৰশৈলীত বহুতো নতুন আৰু আকৰ্ষণীয় বৈশিষ্ট্য ফুটি উঠে। ইয়াৰে ভিতৰত আটাইতকৈ সন্তোষজনক বৈশিষ্ট্য হ'ল — বিষয়বস্তুৰ আপেক্ষিক দূৰত্ব আৰু ঘনত্ব প্ৰকাশ; জীৱিত লোকৰ চিত্ৰণ 'হস্তীবিদ্যাৰ্ণৱ'ত বিশেষভাৱে ফুটি উঠিছে। পানীত সাঁতুৰি থকা মাছবোৰ, টুকুৰা-টুকুৰ মেঘেৰে সৈতে নীলবৰণীয়া আকাশৰ গাতে আউজী জিলিকি থকা পৰ্বত, পৰ্বতৰ তললৈ নামি অহা নদী আদিৰ দৃশ্য বৰ দক্ষতাৰে চিত্ৰিত কৰা হৈছে। শিল্পীদ্বয়ে সমসাময়িক জীৱন সম্বন্ধে থকা তেওঁলোকৰ আগ্ৰহৰ প্ৰমাণ দিছে আৰু ৰজাঘৰীয়া দৃশ্যাদি যেনে- ৰাজকীয় শোভাযাত্ৰা, ৰাজসভাত ৰাণীৰে সৈতে ৰজা, নৃত্য-গীতৰ অনুষ্ঠান, মল্লযুদ্ধ আদিৰ যথাৰ্থ চিত্ৰণ কৰিছে। তিৰোতাৰ ক্ষেত্ৰত চুলি খোপা বন্ধা, সিংহ, উট, হাঁহ, মাছ, পুৰোহিতৰ ছবি আদি ছবিসমূহো বৰ আকৰ্ষণীয় ৰূপত দাঙি ধৰিছে।

পুথিখনিত ৰচনাকাৰ বৰকাথৰ লগতে চিত্ৰশিল্পী দিলবৰ আৰু দোচা (দোষা), ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ লগত ৰজাঘৰীয়া বিষয়া সকলৰ প্ৰতিকৃতিও চিত্ৰিত হৈছে। আনকি স্বৰ্গদেউ শিৱসিংহৰ যশোগৌৰৱৰ কথা শ্ৰৱণ কৰি থকা আঠোটা অঞ্চলৰ আঠজন ৰজাৰ চিত্ৰও চিত্ৰিত কৰা হৈছে। ব্যৱহাৰিক সাহিত্যৰ ফালৰ পৰা 'হস্তীবিদ্যাৰ্ণৱ' পুথিখনি মূল্যবান হোৱাৰ লগতে চিত্ৰকলাৰ দিশেৰেও এই পুথিখনিৰ গুৰুত্ব স্বীকাৰ কৰিবলগীয়া। ইয়াৰ চিত্ৰশৈলী মনোৰম হোৱাৰ উপৰিও সাহিত্যিক ফালৰ পৰাও এই চিত্ৰশৈলী অমূল্য সম্পদ। উচ্চ মানৰ আৰু মনোমোহা চিত্ৰেৰে পৰিপূৰ্ণ পুথিখনিৰ গুৰুত্ব সেয়ে অপৰিসীম।

মুঠতে, ইয়াকে ক'ব পাৰি যে, চিত্ৰকলাৰ চৰ্চা অসমত প্ৰাচীন কালৰে পৰা চলি আহিছে আৰু বৰ্ত্তমানো চলি আছে। এই ক্ষেত্ৰত পূৰ্ব্বৰ যথেষ্ট সংখ্যক চিত্ৰ সংৰক্ষিত নাই যদিও যিখিনি আছে তাৰ পৰাই অসমত যে এক উন্নত মানৰ চিত্ৰকলাৰ প্ৰচলন আছিল তাৰ উমান পাব পাৰি। নিমন্ত্ৰিত শিল্পী আৰু থলুৱা শিল্পীৰ হাতৰ পৰশত অসমত অতীতৰে পৰা উচ্চ স্তৰৰ লোক চিত্ৰকলাৰ প্ৰসাৰ ঘটিছিল। ●

# ATTENDTION

A.

## IGNOU REFULAR STUDY CENTRE

### JAGIROAD COLLEGE CAMPUS

Aditional Courses introduced open for : Service holders, Working Woman, House Wives, Bussiness man, Students and unemployed youths.

**FACULTIES**

1. B.A.
2. B. Sc.
3. B. Com.
4. B. C. A.
5. M. A. in Hindi
6. P. G. Diploma in Higher Education (DHE)
7. P. G. Diploma in Translation

&

8. Certificate in Computing
9. Certificate in Rural Developmentk (CRD)
10. Certificate in Disester Management (CDM)
11. Certificate in Environmental Studies (CES)
12. Certificate in Human Rights (CHR)

B. Courses from UGC : Translation Proficiency course in Hindi, English, Bengali

**For detail :**

**Please contact :**
**Principal, Jagiroad College**

# গল্প - উপন্যাসিকা শিতান

উপন্যাস এখন চুটিকৈ লিখি উলিয়ালে সি চুটি গল্পত পৰিণত নহয়। আনহাতেদি আকৌ চুটিগল্প এটা যদি বিস্তৃতকৈ লিখা হয়, সিও উপন্যাস হৈ নুঠে—

— হাডছন

সমাজ যিমানে পুৰণি হয় তাৰ ভঁৰালত সিমান ভাব গোট খায়। এই ভঁৰাল ধান বা ধানৰ ভঁৰালৰ নিচিনা ইটাৰ বা খেৰ-বাঁহৰ নহয়। ই ভাষাৰ ভঁৰাল। সমাজে পুৰুষানুক্ৰমিক যিবোৰ ভাব খেতি কৰি দাই আনে, ভাষা ভঁৰালত সেইবোৰ জাপ খাই থাকি আছে। আগৰ পুৰুষ কালৰ কলেৰৰত লয় খায়, কিন্তু সেই পুৰুষে ঘটা ভাববোৰ ভাষা-ভঁৰালত পিছৰ পুৰুষলৈ থাকি যায়। পিছৰ পুৰুষে ঘটা-পিটা সোপাৰে সৈতে আৰু পিছৰ পুৰুষলৈ থাকি যায়। এইদৰে যিমান দিন পুৰণি হয়, ভাষা ভঁৰাল ভাব-লখিমীৰে সিমান পুষ্ট হৈ আছে —

— বেজবৰুৱা

(এক মিনিটৰ গল্প)

# নিঃসংগ বেদনাৰ প্ৰতিশ্ৰুতি

● কাবেৰী বড়া
স্নাতক প্ৰথম বৰ্ষ (কলা)

সুবিশাল নদীৰ বুকুত দূৰ-দুৰণিলৈ দৃষ্টি নিক্ষেপ কৰি বন্দনাই কিহৰ অনুসন্ধানত থৰ লাগি ৰৈ আছে তাই নিজেই নাজানে। হঠাৎ তাইৰ দৃষ্টি গোচৰ হৈছিল - আকাশ আৰু নদীৰ সংগম স্থলত বেলিটো যেন নিঃছিন্ন হৈ গৈছে; সিঁচি থৈ গৈছে মাথো মেঘৰ বুকুত ৰঙা, নীলা হালধীয়া বিভিন্ন ৰঙৰ ফাঁকু। এক অপূৰ্ব সুন্দৰ অনিৰ্বচনীয় শোভা। আনন্দত অভিভূত হৈ বিমুগ্ধ দৃষ্টিৰে চাই তাই উপভোগ কৰিছিল প্ৰকৃতিৰ চিৰ সুন্দৰ সৌন্দৰ্যৰাজিক। প্ৰতি পলে পলে আকাশ আৰু নদীৰ ৰং সলনি হৈ সন্ধ্যাৰ ছাঁ নামি আহিছিল বিশাল পৃথিৱীৰ বুকুলৈ। ফাঁকু ৰঙৰ ৰঙীণ আবেলি এটা ক্ৰমান্বয়ে এক বিষাদময় গধূলিলৈ পৰিবৰ্ত্তিত হৈছিল। পূৰ্বে অনুভূত এক বিষাদতাই যেন আৱৰি ধৰিলে সমগ্ৰ পৃথিৱীক আৰু সেই বিষাদতাই যেন বন্দনাকো আৱৰি ধৰি নিঠৰ কৰি পেলাইছিল। সেই মুহূৰ্তত তাই মানসিক ভাৰসাম্য হেৰুৱাই চিএঞৰি চিএঞৰি দেউতাকক মাতিছিল। হঠাৎ চেতনা ঘূৰাই পোৱাত তাইৰ দুচকুৰেদি অবাধ গতিৰে লোতক বৈ আহিছিল। বেচেৰীয়ে পাহৰি গৈছিল তাইক দেউতাকে যে কেতিয়াবাই নিঃসংগ কৰি এৰি গুচি গৈছিল অজান দেশলৈ। সঁচাকৈ বন্দনাজনী যে ইমান অকলশৰীয়া!



বন্দনা দত্ত এটা মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। বন্দনাৰ দেউতাক পৱিত্ৰ দত্ত আছিল এজন পুলিচ ইন্‌চপেক্টৰ। দৰাচলতে পুলিচ বিভাগৰ কৰ্মচাৰী সকল বৰ খঙাল প্ৰকৃতিৰ। কিন্তু, বন্দনাৰ দেউতাকৰ ক্ষেত্ৰত কথাটো বিপৰীত আছিল। পৱিত্ৰ দত্ত মানুহজন সৎ আৰু সহজ-সৰল, বৰ দৰদী লোক। নিচেই সৰু অৱস্থাতেই বন্দনাই মাতৃৰ মৰমৰ পৰা বঞ্চিত হৈছিল। মাতৃহাৰা বন্দনাই দেউতাকৰ বুকুৰ উমেৰে ডাঙৰ-দীঘল হৈছিল। পিতৃৰ অগাধ মৰম-স্নেহে মাতৃৰ মৰমৰ অভাৱ পূৰণ কৰিছিল। পৱিত্ৰ দত্তই বহু কষ্টেৰে ঘৰখন পৰিচালনা কৰিও চৰকাৰী দায়িত্ব পালন কৰি অৰ্থ উপাৰ্জন কৰিছিল একমাত্ৰ বন্দনাৰ বাবে। তেখেতৰ আলাসৰ লাডু বন্দনাৰ জীৱনটো সুন্দৰ কৰি তুলিব, উপযুক্ত পাত্ৰ চাই বিবাহ-বন্ধনত বহাব। কিন্তু, কি নিষ্ঠুৰ পৰিহাস। বন্দনাৰ দেউতাকে কোনো দিন ভবা নাছিল যে জীয়েকক নিঃসংগ কৰি চিৰদিনৰ বাবে গুচি যাব। পৱিত্ৰ দত্তই এদিন ডিউটি কৰি ঘৰলৈ উভতি অহাৰ পথত সন্ত্ৰাসবাদীৰ দল এটাই আগুৰি ধৰি গাড়ীৰ ভিতৰতে তেওঁক গুলীয়াই হত্যা কৰিছিল আৰু তেতিয়াৰ পৰা বন্দনা হৈ পৰিছিল নিচেই অকলশৰীয়া।

দেউতাকৰ মৃত্যুৰ সময়ত বন্দনাই বি.এ. ফাইনেল পৰীক্ষা দি শেষ কৰিছিল মাত্ৰ। দেউতাকৰ শোকত বন্দনা ম্ৰিয়মান হৈ মনৰ স্থিৰতা হেৰুৱাই পেলাইছিল যদিও পিছ মুহূৰ্ত্ততে মনলৈ দৃঢ়তা আনি তাই প্ৰতিজ্ঞা বদ্ধ হৈছিল যে "যিদৰে মোৰ দেউতাক এই সন্ত্ৰাসবাদী নামৰ পশুবিলাকে দয়া-মৰম নোহোৱাকৈ ৰাজ-আলিত গুলিয়াই হত্যা কৰিলে, ঠিক সেইদৰে মইও এই সন্ত্ৰাসবাদী নামৰ হিংস্ৰ পশু বিলাকক পৃথিৱীৰ বুকুৰ পৰা নিৰ্মূল কৰি শান্তি প্ৰতিষ্ঠা কৰিম আৰু দেউতা সেই দিনাই মই তোমাৰ মৃত্যু বেদীত উৰুৱাম শান্তি, ঐক্য অহিংসাৰ পৱিত্ৰ পতাকা।"●

শিক্ষক হৈছে এবিধ মমবাতি, যি নিজে জ্বলি আনক পোহৰ দিয়ে। — মহাত্মা গান্ধী

# আধা লিখা কবিতাটো

● দুলুৰাণী মজুমদাৰ
স্নাতক তৃতীয় বৰ্ষ (কলা)

ঃ অৰিন্দম জানো আগতে পিক্‌নিকলৈ যোৱা নাছিল!

ঃ গৈছিলতো।

ঃ কিন্তু, এইবাৰ আমি তাক এনেদৰে হেৰুৱাম বুলি ভবাই নাছিলো।

ঃ ভগৱান নাছিল জানো?

ঃ আছিল ।

ঃ তেন্তে, কিয় এনে হ'ল।

নিৰুপমে এইদৰে বন্ধু অৰিন্দমৰ বিষয়ে মনতে গুণাগথাঁ কৰি আছিল। অৰিন্দমৰ কথা ভাবি যেন নিৰুপমৰ মুখত এক উদাসীন মনোভাৱৰ কাৰুণ্যতাৰ ছবি স্পষ্টকৈ প্ৰতিফলিত হোৱা দেখা গৈছিল। অৰিন্দম আছিল প্ৰভাত চলিহাৰ একমাত্ৰ পুত্ৰ সন্তান। ঘৰ যোৰহাটত। মি. চলিহা আছিল এজন সফল ব্যৱসায়ী। পুতেকৰ কথামতে অৰিন্দমক শ্বিলঙত পঢ়াৰ ব্যৱস্থা কৰি দিছিল। নিৰুপম আৰু অৰিন্দম দুয়ো একেলগে পঢ়িছিল। নিৰুপমৰ মাক মি. চলিহাৰ সম্বন্ধত ভনীয়েক। সেই হিচাপে অৰিন্দম আৰু নিৰুপম দুয়ো ভাই-ককাই যদিও বন্ধুহে অধিক।

বন্ধত এইবাৰ ঘৰলৈ আহোঁতে দুয়ো বন্ধুৱে খবৰ নিদিয়াকৈ আহিল। তেওঁলোকৰ আগমনত এটা আনন্দ মুখৰ পৰিবেশৰ সৃষ্টি হ'ল। আগৰ কেইজনমান বন্ধু আৰু তেওঁলোক দুয়োৱে লগ-লাগি এটা পিক্‌নিক্ পাৰ্টিৰ আয়োজন কৰিলে। লগত তেওঁলোকে ওচৰৰ শিক্ষক মনোহৰ চাৰক নিবৰ বাবে আলোচনা কৰিলে। শিক্ষকজনক পিক্‌নিক্‌টোৰ কথা কোৱাত নিঃসংকোচৰে তেওঁ মান্তি হ'ল।

ডিচেম্বৰ মাহৰ এটা কুঁৱলীয়ে ঢকা ৰাতিপুৱাত আৰম্ভ হ'ল তেওঁলোকৰ যাত্ৰা। হুলস্থুলীয়া পৰিবেশ এটাৰে গাড়ীখনে গতি কৰিবলৈ আৰম্ভ কৰিলে ডিফু অভিমুখে। আটাইবোৰৰ চিঞৰ-বাখৰত অৰিন্দম যেন বিৰক্ত হৈ পৰিছিল। সি গাড়ীৰ একেবাৰে শেষৰ চিটটোত বহি ৰাস্তাৰ কাষৰ গছবোৰক লক্ষ্য কৰিবলৈ ধৰিলে। বাহিৰৰ শীতল মলয়াই তাৰ মুখত কোব মৰাৰ দৰে খিৰিকীয়েদি বা আহিব ধৰিছিল। সেই বাটোৰে তাক অতিষ্ঠ কৰি তুলিছিল, মনত পৰিছিল; মনত পৰিছিল তাৰ মণিমালালৈ। এনেদৰেই দুয়ো এদিন নাম নজনা কোনো এডোখৰ ঠাইলৈ পিক্‌নিক্‌ৰ বাবে গৈছিল। সেইদিনাই নিষ্ঠুৰ নিয়তিয়ে তাইক তাৰ পৰা লৈ গৈছিল কোনো দূৰ-দিগন্তলৈ।

সপোনৰ পৰা সাৰ-পোৱাৰ দৰে সি চক্ খাই উঠিল। আকৌ আহি সেই চিঞৰ -বাখৰত যোগদান কৰিলে। গাড়ীখন গৈ ঠিক ১১.০০ মান বজাত গন্তব্যস্থলীত উপস্থিত হ'লগৈ। সেই ঠাইলৈ আৰু বহুতো তেনে পিক্‌নিক পাৰ্টি আহিছিল। তাৰে এটা পাৰ্টি আছিল শ্বিলঙৰে। নিৰুপমে দুটা ল'ৰাৰ লগলাগি ঠাইখন পৰিস্কাৰ কৰিলে আৰু বস্তু বাহানি যোগান ধৰাত লাগিল। অৰিন্দমে শ্বিলঙৰ পাৰ্টিটোৰ ওচৰত নিজৰ পৰিচয় দিলে আৰু ক'ব নোৱাৰাকৈয়ে সি সিহঁতৰ মাজত সোমাই পৰিল। এগিলাচ, দুগিলাচ কৰি কেইবাগিলাচ মদ খাই শেষ কৰিছিল অৰিন্দমে। যেতিয়া নিৰুপমে মদ খোৱা কথাটো গম পালে তেতিয়া অৰিন্দমক সেই পাৰ্টিটোৰ মাজৰ পৰা টানি আনিলে।

ৰন্ধা-বঢ়া শেষ হোৱাত সকলোৱে খাবলৈ বহিল। নিৰুপমে অৰিন্দমক নেদেখি আচৰিত হ'ল। নৈৰ পাৰৰ বালিচৰলৈ চাওঁতে তাত তাৰ কাপোৰ আৰু জোতাযোৰ দেখিলে। দৌৰি গৈ চালে কিন্তু, আৰু একো দেখা নাপালে। তাৰ লগৰবোৰেও বহুত বিচাৰিলে, কিন্তু অৰিন্দম যেন হেৰাই গ'ল। শেষত অৰিন্দমৰ মাক-দেউতাক আৰু পুলিচক খবৰ দিয়া হ'ল। কিন্তু, তেওঁলোক আহি পোৱাৰ আগেতেই সন্ধিয়াৰ স্নিগ্ধতাই পৰিৰেশটো নিমগ্ন কৰি পেলাইছিল। গোটেই ঠাইখনক কুঁৱলীয়ে গ্ৰাস কৰি পেলালে। অৱশেষত গাড়ীৰে আটাইবোৰ ঘৰমূৱা হ'ল।

পিছদিনা নিৰুপমে খবৰ পাই থানালৈ গ'ল আৰু তাত অৰিন্দমৰ ঠাণ্ডাত নিথৰ হৈ পৰা জীৱহীন দেহাটো দেখিলে। মৃতদেহটো বোলে দুটা শিলৰ চেপত পৰি আছিল। পুলিছে অৰিন্দমৰ কাপোৰযোৰ আৰু জোতাযোৰ পৰিয়ালক গটাই দিছিল। অৰিন্দমৰ পেন্টৰ পকেটত এটা আধালিখা কবিতা পোৱা গৈছিল —

*মনি, মৃত্যুৱে চানিছিল তোমাক*
*ময়ো তাত হম আজি বিলিন,*
*নিথৰ দেহা মোৰ হৈ ৰ'ব*
*আন্ধাৰৰ পৰা আজি পাম..... ●*

JAGIROAD COLLEGE
জাগীৰোড মহাবিদ্যালয়

# এখন নীলা শাৰী

● জুনমণি পাঠক
স্নাতক প্ৰথম বৰ্ষ (কলা)

এখন নীলা শাৰী হেঁপাহেৰে নীতুৱে গাত-মেৰিয়াই এটি গীত মুখৰ ভিতৰতে গুণ-গুণনি তুলি আইনাৰ সমূখত নিজৰ মুখখনিকে বাৰে বাৰে চাই মিচিকিয়াই হাঁহিছিল। কিমান যে ধুনীয়া লাগিছিল তাইক! তাই নিজেই মুগ্ধ হৈছিল তাইৰ নিজৰ ৰূপত। আজি তাইক যে ৰীতুৱে কিমানবাৰ ক'ব নীতু 'How beautiful' বুলি। কিন্তু হঠাতে তাই যেন জিকাৰ খাই উঠিল। যদি ৰীতুৱে সোধে-'নীতু তোমাক এইশাৰীখনে ইমান ভাল লাগে; তুমি কিয় নিপিন্ধা এই শাৰীখন', তেতিয়া কি ক'ব তাই। এহ! তাই সকলো কৈ দিব। শাৰীখন তাইৰ নহয় মামীয়েকৰহে।

অলপ সময়ৰ পিছত মাক আৰু দেউতাকক মাত লগাই কলেজৰ বাছ অভিমুখে আগবাঢ়িল। মুখত এটি গীতৰ কলি।

তাইক গাৰঁৰে কেইটামান ল'ৰাই কিমান যে কি কি নোজোকালে! তাইৰ কলেজৰ বাছ অহাত তাই বাছত উঠিল।

কলেজ-বাছৰ পৰা নামিয়ে তাই তাইৰ বান্ধৱী কেইজনীলৈ চকু ফুৰালে। তাই দেখিলে সিহঁত কেইজনীয়ে বৰ ধুনীয়া কাপোৰ পিন্ধিছে। তাইৰ মনটো সেমেকি গ'ল। তাইৰ দেউতাকো যদি সিহঁতকেইজনীৰ দেউতাকহঁতৰ দৰে চাকৰি কৰিলেহেঁতেন! তাইয়ো পিন্ধিলেহেঁতেন এনেকুৱা পোছাক। এহ তাই কি কথাবোৰ যে ভাবিছে। তাইৰ যে আজি আদৰণি সভাত কিমান কাম কৰিবলগীয়া আছে! খৰকৈ খোজ দিলে তাই সভা-স্থলীলৈ। লগৰ কেইজনীৰ লগত কিছুমান কাম কৰি আটাইকেইজনী বাহিৰলৈ ওলাই আহিল। তাই দেখিলে ৰীতুৱে তাইক মাতিছে। তাই তাক দেখিও নেদেখা যেন কৰিলে, কিন্তু বিকিজনীয়ে কিন্তু তাইক সঁকিয়াই দিলে- 'যোৱা নীতু তোমাক ৰীতুয়ে মাতিছে।' বিকিয়ে লগতে ক'লে যে- 'আজি কিন্তু ৰীতুকো কম ধুনীয়াটো লগা নাই দেই।' ব্লু টি চাৰ্ট ক্ৰীম ৰঙৰ পেণ্ট। 'তাই ক'লে - 'একে বাৰে মিলাই আহিছে দুয়োটাই।' তাই মাথো হাঁহিলে। নীতুক ওচৰলৈ মাতি ৰীতুৱে ক'লে - 'How beautiful' নীতু। নীতুৱে ক'লে - 'তোমাক হ'বলা ভাল লগা নাই'; লোকক ক'ব নালাগে।' ৰীতুৱে ক'লে 'বাঃ নীতু নতুন শাৰী। ৰং কিন্তু পচন্দ কৰিছা দেই।' তুমি কিন্তু পাৰ্টি দিব লাগিব।' তাইৰ মূৰত যেন সৰগহে ভাগি পৰিল, তাই ভাবিলে যতে বাঘৰ ভয়, ত'তে ৰাতি হয়। ভবা কথাবোৰ হৈ যায়। ৰীতুক যেনিবা সঁচাকৈ কথাটো কম; কিন্তু এই জোনটো যে আছে .... লাজ অনুভৱ কৰিলে তাই। অলপ পিছত যেনিবা জোনে নিজেই আঁতৰ হ'ল সিহঁতৰ ওচৰৰ পৰা। হঠাৎ ৰীতুৱে ক'লে- 'নীতু তুমি নিৰৱ হৈ গ'লা যে? মোক বেয়া পাইছা নেকি? 'নীতুৱে ক'লে - 'নহয় ৰীতু তুমিযে ক'লা অলপ আগতে পাৰ্টি দিবলৈ, আচলতে এই শাৰীখন মোৰ নহয় মামীৰহে'। আমিনো ক'ত নতুন কাপোৰ পিন্ধিব পাৰিম। মামীয়ে মোক বহুত কাপোৰ উলিয়াই দিছিল যদিও এইখনকে মোৰ ভাল লাগিল। কাৰণ এই ৰঙটো তুমিও ভালপোৱা আৰু মইও ভাল পাওঁ।' তাই সুধিলে - 'ৰীতু তুমি সঁচাকৈ শাৰীখন ভাল পাইছা?' ৰীতুৱে ক'লে-'তুমিও এখন ল'বা দিয়া এনেকুৱা।' তাই ক'লে - 'ক'ৰ পৰা কাপোৰ কিনিম? যেনেতেনে কলেজলৈ আহি আছো আকৌ এনেকুৱা বিবিধ শাৰী?' ৰীতুৱে ভাবিলে সঁচাকৈ মোৰ কথাখিনিয়ে নীতুক ইমান আঘাত দিলে। মোৰ দৰে যদি সিহঁতৰ অৱস্থা স্বচ্ছল হ'লহেঁতেন? আমাৰ ভণ্টীহঁতৰ দৰে যি ইচ্ছা কৰে তাকেই কৰিব পাৰিলেহেঁতেন। সি ক'লে, "নীতু তুমি মোক বেয়া নেপাবা?" সি মনটো বেয়া কৰি তেনেকৈ কোৱাত তাই ক'লে- 'ৰীতু তুমি কিয় তেনেকৈ ভাবিছা? তুমি মোৰ আপোন কাৰণেহে তেনেকৈ সুধিছোঁ।' ৰীতুৱে ক'লে - 'নীতু মোৰ চাকৰি হ'লে প্ৰথমে তোমাক এখন দামী নীলা ৰঙৰ শাৰী দিম।' তাই ক'লে - 'সঁচাইনে?' আৰু ক'লে - 'ৰীতু তোমাক যেন সোনকালে ভগৱানে এটা চাকৰি দিয়ে, মই সদায় ভগৱানক প্ৰাৰ্থনা কৰি থাকোঁ আৰু মই যেন অতি সোনকালে এখন নীলা শাৰী পিন্ধিব পাওঁ।' কথাষাৰ কৈ তাই হাঁহিলে। ৰীতুৱে ক'লে - 'তোমাক নিদি মই কাক দিম।' নীতুৱে ক'লে - 'যদি মই মৰি যাওঁ তেতিয়া? তথাপিও মোৰ সমাধিতে দিবা নহয়নে?' ৰীতুৱে ক'লে- 'নীতু কি কথাবোৰ কোৱা তুমি, নেপায় নহয় এইবোৰ কথা ক'বলৈ। আমাৰ দেখোন বিয়া হ'ব আছেই, এতিয়াই মৰাৰ নাম।' নীতুৱে আকৌ ক'লে - 'ক'লো বুলিয়েই মৰিম নে?' তাই কলে 'ৰীতু তুমি এতিয়া যোৱা। জিন্তীহঁত ছাগে ৰৈ আছে মোলৈ, খঙেই কৰিব সিহঁতে।'

তাৰ কিছু সময়ৰ পাছত সিহঁতৰ আদৰণি সভাৰ অন্ত পৰিল। সকলো ল'ৰা-ছোৱালী ঘৰাঘৰি হ'ল। নীতু আৰু ৰীতুও ঘৰলৈ আহিল।

কেইদিন মানৰ পাছত তাই জানিব পাৰিলে যে- ৰীতুৱে 'অ্যাপইণ্টমেণ্ট লেটাৰ' পাইছে, দিল্লীৰ কোনোবা এখন হস্পিটালত ডাক্তৰ হিচাপে। তাইৰ মনটো ভাল লাগি গ'ল। ৰীতু দিল্লীলৈ যোৱাৰ দিনা তাইও আহিল ট্ৰেইন ষ্টেচনলৈ তাক বিদায় দিবলৈ। সি যোৱাৰ সময়ত ক'লে -'নীতু তুমি বেছি চিন্তা নকৰিবা। স্বাস্থ্যৰ প্ৰতি যত্ন ল'বা। হঠাতে ৰীতুৰ ভনীয়েকে মাত দিলে দাদা ট্ৰেইন আহিছে বুলি। মাক দেউতাকেও তাক সোনকালে আহিবলৈ ক'লে। সি ক'লে যে- নীতু তোমাৰ নীলা শাৰী এইবাৰ আহি যাব।' নীতুৱে মাথো হাঁহি থাকিল। অলপ দিনৰ পিছত নীতুৱে ৰীতুৰ পৰা এখন চিঠি পালে সি ভালে-ভালে পালেগৈ আৰু চাকৰিত যোগদান কৰিলে। আৰু লিখিলে তাত হেনো তাইলৈহে তাৰ মনত পৰি থাকে আৰু সি দেখা বেয়া সপোনবোৰৰ কথা ক'লে। সেইবোৰ হেনো সি আহিলেহে তাইক ক'ব। সি লগতে ক'লে যে, এইবাৰ তাইক সি বিয়া কৰি দিল্লীলৈ লৈ যাব। তাইৰ চিঠিখন পঢ়ি ভাল লাগিল। তাই ভাবিলে ৰীতুৱেতো সকলোৰে পৰাই বাহিৰত পৰি থাকিল! সি জানো মোৰ কথা পাহৰিব নোৱাৰিলে আৰু আমিতো সিহঁতৰ মানত একেবাৰে নীচ, তথাপি সি তাইক ইমান ভাল পায়নে? হয়তো সিহঁতৰ বিয়াত ৰীতুৰ পৰিয়ালৰ মানুহে বাধা দিব। 'বাৰু যাওঁক সেইবোৰ' বুলি তাই ৰীতুলৈ সকলো খবৰ জনাই এখন চিঠি দিছিল। নীতু কেইদিনমানৰ পৰা অসুস্থ হৈ পৰিছে। খালী মূৰৰ বিষ। একো খাবও নোৱাৰা হৈছে। এইবোৰ তাইৰ অনবৰতে কৰি থকা চিন্তাৰ পৰা হৈছে - ঘৰৰ চিন্তা, পঢ়াৰ চিন্তা। এইবোৰ জনাই তাই আকৌ ৰীতুলৈ এখন চিঠি পঠিয়ালে যে- যদি তাৰ নীতুক চাবৰ মন আছে সি সোনকালে ঘৰলৈ আহক। কিন্তু, ৰীতু চাকৰিৰ ব্যস্ততাত আহিব পৰা নাছিল। হঠাৎ তাই এদিন খুব অসুস্থ হৈ পৰাত দেউতাকে তাইক এজন ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। ডাক্তৰে চাই-চিতি পৰামৰ্শ দিলে, যে, 'তাইক এজন ভাল ডাক্তৰক দেখুৱাওক; হয়তো ব্ৰেইন অপাৰেচন কৰাব লগীয়া হ'ব পাৰে।' ইবোৰ কথা শুনি দেউতাকে মূৰে কপালে হাত দিলে। ক'ত পাব ইমান বোৰ টকা, কোনে দিব? দেউতাকক চিন্তা কৰি থকা দেখি তাই ক'লে- 'দেউতা মোক আৰু চিকিৎসাৰ প্ৰয়োজন নাই। মই আৰু আৰোগ্য নহওঁ।' এনেকৈ কোৱাত তাইৰ দেউতাক-মাকে সকলোৱে মাথো কান্দিলে। দেউতাকে ক'লে. 'আই তই ইমান বেয়া কথা নক'বিচোন' মই তোক ভাল ডাক্তৰৰ ওচৰলৈ লৈ যাম, চিকিৎসা কৰাম, তই ভাল হ'বি আই। কাইলৈ ৰাতিপুৱাই তোক লৈ যাম।'

কিন্তু, দেউতাকে আশা কৰা মতে নহ'ল। ৰাতি পুৱাই তাই সকলোকে কন্দুৱাই বহু দূৰলৈ আতৰি গ'ল।

ৰীতুৱে সেইদিনা ৰাতি সপোনটো বৰ বেয়াকৈ দেখিলে। সেয়েহে. সি ৰাতিপুৱাই ঘৰলৈ আহিবলৈ ওলাল। সি ৰূমৰ পৰা ওলাই আহি কেইবাখনো দোকানত মাথো এখন নীলা শাৰী বিচাৰিলে। কেইবাখনো দোকান ঘূৰি এখন দোকানত যেনিবা সি এখন নীলা শাৰী পালে। সেইখন লৈ সি ষ্টেচন অভিমূখে ৰাওনা হ'ল। তাৰ যেন আজি হাঁহিব খুজিও মনটোৱে হাঁহিব পৰা নাই। তাৰ বেয়া বেয়া কিছুমান কথা মনলৈ আহিছে। যোৱা ৰাতি নিয়তি চৰাই জনীয়েও তাৰ ৰূমৰ ওচৰতে বেয়াকৈ মাতিছে। সি ট্ৰেইনখনৰ পৰা নামি ঘৰলৈ খোজ লওঁতে ৰাতি ১১/১২ টা মান বাজিছিল। সি দেখিছিল নৈখনৰ সিপাৰে থকা শ্মশানখনত যেন একুৰা জুই ওপৰলৈ জ্বলি উঠিছিল। তাৰ গাৰ নোম শিয়ৰি উঠিছিল। মাথোঁ সি ভগৱানৰ নাম লৈছিল। ভয়ে ভয়ে সি সেইখিনি পাৰহৈ ঘৰ পালেহি। সি পানী বিচাৰিছিল ভনীয়েকক। পানী খোৱাৰ পিছত সি গা ধুৱ বিচৰাত ভনীয়েকে গৰম পানী কৰি দিছিল। মাকে তাৰ পিছে পিছে গৈ মাথো সুধিলে 'ৰীতু হঠাৎ খবৰ-চবৰ নিদিয়াকৈ, সি অনুভৱ কৰিছিল ঘৰৰ মানুহবোৰৰ মনবোৰ মৰি আছে। সি ভনীয়েকক ক'লে - 'ভণ্টী তহঁতে মই অহাৰ কাৰণে বেয়া পাইছ?' ভনীয়ে ক'লে- 'নহয় দাদা' তইযে একো খবৰ নিদিয়াকৈ আহিলি, মাইঁতে আচৰিত হৈছে।

সি অলপ সময়ৰ পিছত ভনীয়েকক মাতি নি তাৰ ৰূমত বেগৰ পৰা দুটা কাপোৰৰ পেকেট উলিয়াই এটা ভনীয়েকৰ ফালে আগবঢ়াই দি 'ভণ্টী - হুঁ ল- এইটো তোৰ। 'আনটো পেকেট হাতত লৈ ক'লে - এইটো তোৰ বৌৱেৰৰ মানে নীতুৰ।' নীতুৰ কথা শুনাৰ লগে লগে ভনীয়েকে বহাৰ পৰা উঠি আঁতৰি যাব বিচাৰিছিল। কিন্তু দাদাকে তাইৰ হাতত ধৰি টানি ৰখালে আৰু ক'লে 'বেয়া পাইছ তাইলৈ অনাৰ বাবে।' তাই ক'লে - 'নহয় দাদা'......। সি ক'লে ' কি নহয় দাদা।' ভনী তই কিবা এটা ক'ব বিচাৰিও কোৱা নাই। নীতু ক'ত আছে, কেনে আছে? তাই ছাগে এই শাৰীখন খুব ভাল পাব! নহয়নে?' ভনীয়েকে উত্তৰ দিলে 'দাদা নীতুবাই এই শাৰীখন পিন্ধিব পোৱাহেঁতেন ভাল লাগিলেহেঁতেন.........।, সি ক'লে-'কি কিয় নেপাব।' তাই দুখ মনেৰে ক'লে- 'দাদা, নীতুবা আৰু আমাৰ মাজত নাই। আজি পুৱাৰ ভাগতেই নীতুবাই আমাক সকলোকে কন্দুৱাই বহু দূৰলৈ গুছি গ'ল।' এই কথা শুনাৰ লগে লগে ৰীতুৰ পৰা যেন কিবা এটা অংগহে খহি পৰিল। তাৰ মাথো মনত পৰিল শ্মশানৰ সেই জুইকুৰালৈ। সি ঘৰৰ কাকো মাত নিদিয়াকৈ মাথো দৌৰিছে সেই শ্মশানৰ জুই কুৰাৰ ওচৰলৈ, হাতত সেই নীলা শাৰীখনলৈ মাথো সি দৌৰিছে নীতুৰ সমাধিলৈ। সি নৈখন কেনেকৈ পাৰ হ'ল ক'ব নোৱাৰিলে। তাইৰ সমাধি পাই সি তাইক উদ্দেশ্যি ক'লে- 'নীতু লোৱা এইখন তোমাৰ নীলা শাৰী। তুমি উঠা নীতু আৰু এই নীলা শাৰীখন পিন্ধা আৰু মোৰ লগত ব'লা। নীতু মই তোমাক চিকিৎসা কৰাম নীতু, ডাঙৰ হস্পিতালত.....●

# 'পুৰতিৰ অপেক্ষাত.....

● কৃষ্ণা মেধী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

পুনৰ এন্ধাৰৰ জাল ফালি বেলিটো ওলাই আহিছে। আকৌ এটা নতুন পুৱা। চৰাই চিৰিকটিবোৰে আনন্দতে কিৰিলি পাৰিছে। মই আৰু ভণ্টি শুই থকা ফুটপাথটোৰে বহুতো লোক পাৰ হৈ যাব ধৰিছে। এই মানুহবোৰ পুৱাই পুৱাই ক'লৈ যায় বাৰু? আমাৰ দৰে এই মানুহবোৰেও বাৰু দুমুঠি খাবলৈ পোৱাৰ ইচ্ছাৰে ঘূৰি ফুৰে নেকি?

ভণ্টিয়ে বৰ জোৰেৰে মোক সাৱটি ধৰিছে। তাইৰ নিশ্চয় ঠাণ্ডা লাগিছে। কুঁৱলীৰ মাজেৰে ওলোৱা বেলিৰ কোমল ৰ'দে আমাৰ দেহত তাপ আনিব পৰা নাই। তাৰোপৰি নিয়ৰৰ গধুৰ টোপালবোৰ আমাৰ গালে মুখে পৰিছে। আঘোণ, পুহ আৰু মাঘ - এই মাহকেইটাই আমাক বৰ কষ্ট দিয়ে। মোৰ পিন্ধি থকা ফ্ৰকটোও চুটি হৈছে, ঠায়ে ঠায়ে ফাটিছেও। ভণ্টি এতিয়া সৰু হৈ আছে, কেৱল পেন্টটোৰেই চলি গৈছে। তাইও যেতিয়া মোৰ সমান হ'ব, তাই বাৰু তেতিয়া কি পিন্ধিব?

ভণ্টিয়ে আৰু জোৰেৰে মোক সাৱটি ধৰিছে। ডেকাৰ পৰা বুঢ়ালৈকে সকলোৱে দৌৰিছে, ব্যায়াম কৰিছে। তেওঁলোকে বাৰু ঠাণ্ডাৰ পৰা হাত সাৰিবলৈকে এইবোৰ কৰিছে নেকি?

হঠাৎ এখন গাড়ী আহি আমাৰ পৰা অলপ আঁতৰৰ হোটেলখনৰ কাষত ৰ'লহি। মানুহবোৰৰ মুখবোৰ বৰ আনন্দ মুখৰ হৈ আছে। হয়তো ক'ৰবালৈ বনভোজৰ বাবে যাব। কেইজনমান মানুহৰ চকু দুটাৰ বাদে একো দেখা নাযায়। চুৱেটাৰ, টুপী, পেণ্ট, জোতা, মোজা আদিৰে তেওঁলোকৰ দেহ আবৰি আছে। আমাৰ বয়সৰ ল'ৰা ছোৱালীবোৰেও ঠাণ্ডা নিবাৰণৰ বাবে বহুত কাপোৰ পিন্ধিছে। কোনো কোনোৱে তেওঁলোকৰ অতিৰিক্ত চুৱেটাৰবোৰ ককাল অথবা ডিঙিত মেৰিয়াই লৈছে। খুজিলে যদি দিলেহেঁতেন। ভণ্টিৰ নাঙঠ দেহটো দেখিও বাৰু তেওঁলোকৰ দুখ লগা নাইনে?

ভণ্টিৰ নিশ্চয় ভোকো লাগিছে। মোৰো ভোক লাগিছে। যোৱাকালি সন্ধ্যা তাইৰ ভাগৰ ৰুটি টুকুৰা মই কাঢ়ি খাইছিলো। তাই টেটু ফালি ফালি কান্দিছিল। কান্দি কান্দি ভাগৰ লগাত তাই টোপনি গৈছিল আৰু এতিয়াও সাৰ পোৱা নাই। এনেতে মই দেখিলো গাড়ীখনৰ ভিতৰৰ পৰা সৰু ছোৱালী এজনীয়ে আমালৈ চাই আছে। মই আগুৱাই গ'লো। কিজানি কিবা পাওঁৱেই! তাই মোলৈ চাই হাঁহি এটা মাৰি দিলে। মই হাতখন আগুৱাই দিলো। তাইৰ ওচৰত থকা ডাঙৰ মানুহ কেইজনে বৰ খঙেৰে 'নাই নাই' বুলি খেদি দিলে। মই আকৌ ভণ্টিৰ ওচৰলৈ আহিলো। তাইক জগাই দিলো। মোৰেই ভূল হ'ল, এই মানুহবোৰলৈ চাই থাকোঁতে মই তাইক জগাবলৈকে পাহৰিছিলো। ইফালে মন্দিৰলৈ অহা- মানুহবোৰৰ বহুতে চাগৈ সেৱা জনাই গ'লেই। মন্দিৰৰ কাষত থাকিলে তথাপি দিনটোত এটুকুৰা ৰুটিকে খাবলৈ পাওঁ। সেয়ে মন্দিৰৰ কাষত আমাৰ দৰে মানুহৰ ভিৰ বেছি।

ভণ্টি আৰু মই মন্দিৰৰ ফালে আগুৱাই গলো। হঠাৎ দেখিলো ফুটপাথত এখন মলিয়ন ফটা কাপোৰ। মই লৰালৰিকৈ গৈ কাপোৰখন তুলি লৈ চাওঁতেই দেখিলো আমাৰ লগত একেলগে মন্দিৰৰ কাষত বহা অলপ আদহীয়া মানুহ এজনে মোৰ ফালে চোঁচা লৈ আহিছে। মানুহজন বোবা, সেয়ে মুখেৰে একো গালি দিব পৰা নাই। কিন্তু, তেওঁৰ চকু-মুখত খঙৰ চিন স্পষ্ট হৈ উঠিছে। মই কাপোৰখন লৈ যিমান পাৰো দৌৰিবলৈ ধৰিলো। মানুহজন মোৰ পিছে পিছে আহিয়েই থাকিল। কিমান দূৰ দৌৰিলো মই অনুমান কৰিব নোৱাৰিলো। কিন্তু, আৰু দৌৰিব নোৱাৰিলো। বহুত ভাগৰ অনুভৱ কৰিলো। মানুহজন আহি মোৰ নিচেই কাষত উপস্থিত হ'লহি। মোৰ চুলিকোচাত ধৰি মোক বৰ জোৰেৰে তেওঁ চৰ কেইটামান দিলে আৰু কাপোৰখনো কাঢ়ি লৈ গ'ল। মই সেইখিনিতে বহি কান্দি কান্দি মানুহজন যোৱাৰ ফালে চাই ৰ'লো। কিছু সময়ৰ পিছত মন কৰিলো ভণ্টি দেখোন মোৰ লগে লগে দৌৰি নাহিল। চাৰি বছৰীয়া কণমানিজনী ক'তবা এৰি থৈ আহিলো। মই আকৌ কান্দিলো। গোটেই দিনটো ভণ্টিক বিচাৰি কটাই দিলো। সন্ধ্যা নামিল। ভণ্টিক আৰু নাপালো। তাই বাৰু ক'ত হেৰাল! মোৰ ভাগৰ লগাত গছ এডালত আওজি বহি দিলো। আজি দিনটো একো খাবলৈ নাপালো। কাইলৈ পুনৰ ৰাতি পুৱাব। আকৌ চৰাই চিৰিকটিয়ে কিৰিলি পাৰিব। নিয়ৰ সৰিব, কুঁৱলীৰ মাজেৰে বেলিটোৱে কোমল ৰ'দ বিলাব ....। মই বাৰু কাইলৈ ভণ্টিক বিচাৰিম নে খোৱা বস্তু বিচাৰিম, ভাবি থাকোঁতেই কেতিয়া টোপনিয়ে হেঁচা মাৰি ধৰিলে মই গম নাপালো........... ●


JAGIROAD COLLEGE
জাগীৰোড মহাবিদ্যালয়
স্থাপিত - ১৯৭৯

# প্লট

● দীপাঙ্কৰ শৰ্ম্মা
স্নাতক তৃতীয় বৰ্ষ (কলা)

কলেজত গম পালো আলোচনীৰ বাবে যো-জা চলি আছে। বহুদিনৰ পৰা মনতে ভাবি আছিলো গল্প এটা লিখি আলোচনীত প্ৰকাশ কৰিম। সদায়েই কিবা এটা লিখিম লিখিম বুলি ভাবি থাকোঁ। কিন্তু, কি লিখিম ভাবিয়েই নাপাওঁ। কলেজৰ আলোচনীৰ কথা শুনাৰ লগে লগে গল্প লিখাৰ হেঁপাহটো তীব্ৰ হৈ মনটো ব্যাকুল কৰি তুলিছে। সেয়ে কলেজৰ পাৰ্কত বহি প্লট এটাৰ কথা ভাবিছোঁ। সদায় ভাবোঁতে অহাৰ লেখিয়াকৈ আজিও বহু প্লটেই মনলৈ আহিছে। কিন্তু, কোনটো লিখিম ভাবি উলিয়াব পৰা নাই। লিখিবলৈ ভাল প্লট এটাও নাই।

নাই; ইয়াত চিন্তা কৰি একো ফল নাপাম, গতিকে ঘৰত গৈ চিন্তা কৰাই ভাল হ'ব। নিজৰ কোঠাত সোমাই দৰ্জা বন্ধ কৰি অকলে অকলে নিস্তব্ধ হৈ চিন্তা কৰিলে নিশ্চয় ভাল প্লট এটা পাম। আলোচনীৰ বাবে গল্প এটা লিখিমেই, অন্যান্য লিখকবোৰে যে ইমান গল্প প্ৰৱন্ধ লিখে, মই কিবা এটাকে লিখিব নোৱাৰিম নেকি? তেওঁলোকো মোৰ দৰে একোজন মানুহহে আৰু ময়োতো কাপুৰুষ নহওঁ। তাকে ভাবি নিজৰ মনটোক সান্ত্বনা দি ঘৰলৈ যোৱাৰ মানসেৰে পাৰ্কৰ পৰা উঠি বাছষ্টেণ্ড পালোহি।

বাছষ্টেণ্ডত আহি ৰৈছোহে, - এনেতে এজন বিকলাঙ্গ ল'ৰাই আহি মোৰ সন্মূখত হাতখন আগবঢ়াই দি সহায় বিছাৰিছে। এহ, কি দৰকাৰ পৰিছে তাক সহায় কৰিবলৈ; তাক এটকা বা দুটকা দিয়াতকৈ মই সেই পইছাৰে এটা চিগাৰেট নাইবা এখন পাণকে খাব পাৰিম। তেতিয়াহে মোৰ চাল-চলনত আধুনিকতা ফুটি উঠিব।

কিন্তু, মই যদি তাৰ দৰে হলোহেঁতেন, এই চিগাৰেট বা পাণখোৰা পইচা ক'ৰ পৰা পালোহেঁতেন বাৰু? ঘৰত মা-দেউতাহঁতে মোক হাত খৰচৰ বাবে পইচা দিলেহেঁতেন জানো? যদি মা-দেউতাহঁতে মোক সংসাৰৰ বোজা বুলি ভাবিলেহেঁতেন? সঁচাকৈ বাৰু বিকলাঙ্গবিলাক সংসাৰৰ বোজা নেকি? ভগৱানেনো বাৰু সিহঁতক কিয় এনেকৈ স্ৰজিলে; ভগৱান নামৰ কিবা শক্তি আছে জানো? যদি আছে তেওঁ এই বিকলাঙ্গ শ্ৰেণীটোক শান্তি দি আনন্দ লভিছে চাগৈ। মই ভগৱানক পোৱা হলে এক্কেবাৰে ......। ভগৱানৰ বিষয়ে মোৰ তেনেকৈ ভবা ভুল হ'ল নেকি? মোকে: যদি ভগৱানে অহা জন্মত পৃথিৱীলৈ বিকলাঙ্গ কৰিয়েই পঠায়... তেতিয়া ময়ো এই ল'ৰাটোৰ দৰে.....।

ল'ৰাটোৰ কথা মনত পৰাৰ লগে লগে তন্দ্ৰা ভাঙিল। ইফালে সিফালে চাই ল'ৰাটো নেদেখি মোৰ কাষতে ৰৈ থকা মানুহজনক তাৰ বিষয়ে সোধাত মানুহজনে ল'ৰাটো আঁতৰি যোৱা বুলি ক'লে আৰু কলে যে ল'ৰাটো অকল বিকলাঙ্গই নহয় সি চকুৰেও হেনো ভালকৈ নেদেখে, পৃথিৱীত বোলে তাৰ আপোন বুলিবলৈ কোনো নাই। তাৰ বিষয়ে ইমান জনাৰ পিছত মোৰ নিজৰ ওপৰতে ধিক্কাৰ আহিল। এইখন পৃথিৱীতে কিছু লোকে আত্মীয় স্বজন হেৰুৱাই ভিক্ষা কৰিও পেট পূৰাই এসাজ ভালকৈ খাব পোৱা নাই আৰু আমি, মা-দেউতাহঁতৰ উপাৰ্জিত ধনেৰে চিগাৰেট পাণ আদিৰ শৰাধ পাতিছোঁ।

মোৰ ব্যৱহাৰত ল'ৰাটোৱে মনত বহু দুঃখ পালে চাগৈ; বেচেৰাটোক মই মাত এযাৰো নলগালো। দিনক-দিনে যেন মই স্বাৰ্থপৰ হ'ব ধৰিছোঁ। মই চিগাৰেট বা পাণত খৰচ কৰা পইচা কেইটাই তাক নিশ্চয় পেটত এমুঠি আহাৰকে দিব পাৰিলেহেঁতেন, কিজানিবা সি আজি একো খাবলৈকে পোৱা নাই! মই তাক সহায় নকৰি বৰ অপৰাধ কৰিলো, ভৱিষ্যতে তাক লগ পালে আজি কৰা ভূলৰ বাবে ক্ষমা বিচাৰিম। সি নিশ্চয় ক্ষমা কৰিব! তাৰ অন্তৰখন আমাৰ দৰে কলুষিত কাহানিও হ'ব নোৱাৰে।

এনেতে গাড়ীৰ হেণ্ডিমেনে "নগাওঁ নগাওঁ" বুলি চিঞৰা মোৰ কাণত পৰিল আৰু চিঞৰ নিৰেখি গৈ গাড়ীত উঠি বহি পৰিলো। গাড়ীত বহাৰ পাছতে গল্পৰ প্লটৰ সন্ধানে মোক আকৌ কল্পনাৰ জগতখনৰ ফালে টানি নিলে। মনতে ভাবিলো বিকলাঙ্গ ল'ৰাজনৰ কাহিনীকে সজাই পৰাই লিখিব পাৰিলে এটা গল্প হ'ব। ইতিমধ্যে গাড়ী চলিছিল। গল্পটো কেনেদৰে আৰম্ভ কৰিম তাকে ভাবি থাকোঁতেই গাড়ী আহি আইঁতগুৰি পোৱাত কণ্ডাক্টৰৰ হাতত ভাৰা দি গাড়ীৰ পৰা নামি আহি চাইকেলখন লৈ ঘৰলৈ ৰাওনা হলো।

ঘৰ আহি পাওঁতে প্ৰায় গধুলিয়েই হ'ল। অলপ জিৰণি লৈ চাহ একাপ খাই গল্প লিখাৰ মানসেৰে বহী-কলম লৈ মেজৰ কাষত বহিলোহি। ...... কেনেকৈ আৰম্ভ কৰো? 'এজন বিকলাঙ্গ ল'ৰা আছিল তাৰ মাক-দেউতাক নাছিল।' নাই নাই এনেদৰে লিখিলে সি দেখোন সৰু ল'ৰা-ছোৱালীক ভুৰুকিয়াবলৈ কোৱা সাধুৰ দৰেহে হ'ব। বহীখনত লিখিছো আৰু ক আৰু কাটিছো, এনেকৈয়ে বহীখনৰ আধ্যা পৰি নুঠিল। অৱশেষত ৰাতিপুৱা লিখিম বুলি থিৰাং ক খাই শুই পৰিলো। ●

JAGIROAD COLLEGE

(উপন্যাসিকা)

# সেন্দুৰীয়া প্ৰভাতী সুৰুয

● কুইন আফ্ৰিন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

নিৰিবিলি নিস্তব্ধ ৰাতি। ডিচেম্বৰ মাহৰ হিম চেঁচা আকাশত দশমীৰ জোনাক। পি. ডব্লিউ. ডি.ৰ শিল পাৰি দিয়া ৰাস্তাটোৰ কাষৰ চাহ বাগিচাৰ সিপাৰে এটা আটক ধুনীয়া টিনৰ ঘৰ জোনাকত জিলিকি আছে। ঘৰখনৰ চৌকাষে বিভিন্ন ৰঙৰ ফুলৰ সমাহাৰ এখন মনোমোহা হৈ আছে। বাৰাণ্ডাৰ এচুকত পাৰি থোৱা বস্তাটোৰ ওপৰত চনুয়ে কুচিমুচি হৈ শুই আছে। ঘৰৰ এটা কোঠাত নৱনীতা আৰু পাঁচ বছৰীয়া প্ৰিয়া শুই আছে। আন এটা কোঠাত নৱনীতাৰ ভায়েক ৰতন। নৱনীতাৰ আজি-কালি ৰাতি সাধাৰণতে কমকৈ টোপনি আহে। কলেজীয়া ভায়েক ৰতন লগতে থাকে যদিও নৱনীতা নিৰ্ভয়ে শুব নোৱাৰে। গিৰিয়েক বিজয় কোম্পানীৰ এবছৰীয়া প্ৰশিক্ষণৰ বাবে বাহিৰলৈ যোৱাৰ পৰাই নৱনীতাৰ এই গতি। ডেকা ল'ৰাহঁতৰ যি গতি-মতি সেইবোৰ দেখি-শুনি নৱনীতাই প্ৰতিটো নিশা বৰ কষ্টৰে পাৰ কৰিবলগীয়া হয়।

আনহাতে, নৱনীতাহঁতৰ অঞ্চলটোত কিছুদিনৰ আগৰে পৰা চোৰৰ উৎপাত বাঢ়িছে। চোৰৰ চুৰি কৰা কায়দাওঁ নতুন ধৰণৰ হ'ল। চোৰে গৃহস্থৰ ঘৰলৈ যায়, গৃহস্থৰ নাম কাঢ়ি মাতে আৰু গৃহস্থ ওলাই অহাৰ লগে লগে খুকুৰী বা ডেগাৰ উলিয়াই ডিঙিৰ ওচৰত থয়। গৃহস্থই উপায়হীন হৈ বজ্ৰপাত পৰা মানুহৰ দৰে ৰৈ থাকে, আৰু চোৰে নিজৰ কাৰ্য সিদ্ধি কৰি নিৰ্ভয়ে আঁতৰি যায়। এইবোৰ কথা নৱনীতাৰ মনত পৰিলে সেই ৰাতি আৰু শোৱা নহয়।

সেই দিনাও এনে ধৰণৰ বিভিন্ন চিন্তাত নৱনীতাৰ টোপনি অহা নাছিল। তাই প্ৰিয়াক বুকুৰ মাজত সাৱটি লৈ এনেই বিছনাখনত পৰি আছিল. কাষৰ কোঠাটোত ভায়েক ৰতনে নাকেৰে ঘৰঘৰ শব্দ কৰি শুই আছে। নৱনীতাই টোপনি যাবলৈ চেষ্টা কৰিলে তাইৰ চকুলৈ চিল্‌মিল্‌কৈ টোপনি আহিছিল। ঠিক সেই সময়তে বাহিৰত চনুয়ে ভুকিবলৈ আৰম্ভ কৰিলে। চনুৰ ভুক্‌ভুক্‌নিৰ মাত নৱনীতাই বুজি পায়। বাৰীত গৰু সোমালে কেনেকৈ ভুকে, মেকুৰী দেখিলে কেনেকৈ ভুকে, কিবা ছাঁ দেখিলে কেনেকৈ ভুকে ইত্যাদি নৱনীতাৰ জনা আছে। তাই মনোযোগেৰে চনুৰ মাতটো বুজিবলৈ চেষ্টা কৰিছে। চনুয়ে ৰৈ ৰৈ ভুকিবলৈ ধৰিলে। চনুৰ ভুক্‌ভুকনিৰ পৰা তাই নিশ্চিত হ'ল যে বাহিৰত কোনোবা মানুহ ৰৈ আছে। হঠাৎ তাই অস্পষ্টভাৱে এক নাৰী কণ্ঠৰ উচুপনি শুনিবলৈ পালে। তাইৰ ভীতি গ্ৰস্ত দেহৰ নোম ডাল-ডাল হৈ পৰিল। জিৰ' পাৱাৰৰ বাল্বটোৰ পোহৰত তাই ৱাল ঘড়ীটোলৈ চাই দেখিলে নিশা বাৰ বাজি গৈছে। তাই বুকুখন ডাঠ কৰি সন্তৰ্পণে উঠি গৈ কাষৰ খিৰিকিৰ পৰ্দাখন অকণমান আঁতৰাই বাহিৰৰ গেটখনৰ ফালে চাই পঠিয়ালে। গেটখনত তলা লগাই থোৱা আছে। তাই পুনৰ নাৰী কণ্ঠৰ মৃদু উচুপনি শুনিবলৈ পালে। গেটৰ বাহিৰলৈ চাই এক নাৰী মূৰ্তি দেখি নৱনীতাৰ বুকু দুৰু-দুৰুকৈ কঁপি উঠিল। তাই তৎক্ষণাত খিৰিকিৰে পৰ্দাখন এৰি দিলে। তাই লৰালৰিকৈ আহি বিছনাত উঠিল। তুৰন্তে নৱনীতাৰ মানস পটত ভাঁহি উঠিল এখনি ছবি। আত্মহত্যা কৰা ৰেখা শইকীয়া নামৰ ছোৱালীজনীৰ নিৰ্জীৱ দেহৰ বিকৃত ছবি। ৰেখাই কেইমাহমানৰ আগেয়ে নিজৰ পঢ়া কোঠাৰ চ'তিত চিপজৰী লগাই আত্মহত্যা কৰিছিল।

তাইৰ আত্মহত্যাৰ কিছুদিনৰ পিছৰ পৰাই ওচৰ-চুবুৰীয়াই হেনো নিৰ্জন জোনাক নিশা ৰাস্তাত কান্দি কান্দি ঘূৰি থকা এটি নাৰীমূৰ্তি দেখা পায়।

ঃ 'অ' বাইদেউ, বাইদেউ টৰ্চটো দেচোন, চনুয়ে বৰকৈ ভুকি আছে।' ৰতনে সাৰ পাই বায়েকক চিঞৰিলে। এইবাৰহে নৱনীতাই কিছু সাহ পালে। নৱনীতা আৰু ৰতন দুয়ো বাহিৰলৈ ওলাল। নৱনীতাৰ হাতত তিনি বেটাৰীৰ টৰ্চ আৰু ৰতনৰ হাতত এখন তীক্ষ্ণধাৰ খুকুৰি। দুৱাৰখন খোলাৰ লগে লগে চনুয়ে বেছিকৈ ভুকিবলৈ ধৰিলে। লগে লগে নাৰী কণ্ঠৰ উচুপনি স্পষ্ট হৈ দুয়োৰে কাণত পৰিল। দুয়ো চক্ খাই উঠিল। নৱনীতাই গেটখনৰ ফালে টৰ্চটো মাৰি দিলে। এক নাৰী মূৰ্তি নৱনীতাৰ চকুত পৰিল।

ঃ 'কোন'? নৱনীতাই ভীতিবিহ্বল কণ্ঠেৰে সুধিলে। লগে লগে নাৰী মূৰ্তিৰ উচুপনি ক্ৰমাত বাঢ়ি আহিল। নাৰী কণ্ঠৰ ক্ৰন্দনত গভীৰ নিশাৰ নিস্তব্ধতা যেন ভংগ হৈ পৰিল।

'নয়না বাইদেউ!' ৰতনৰ মুখৰ ভিতৰতে শব্দটো অস্পষ্ট হৈ ৰ'ল। ৰতনে নৱনীতাক ক'লে- 'এখেত নয়না বাইদেউ চোন।'

নয়নাৰ নামটো শুনাৰ লগে লগে নৱনীতাৰ হৃদয়ত একুৰা জুই দপ্‌দপকৈ জ্বলি উঠিল। কিন্তু নাৰী হৃদয়ৰ কোমলতাই শত্ৰুকো বুকুত সাৱটি লোৱাৰ দৰে নৱনীতাই মনৰ খং মনতে

ৰাখি ৰতনক গেটখন খুলি দিবলৈ ক'লে। ৰতনে গেটখন খুলি দিলে। নয়নাই গেটখনৰ ভিতৰলৈ নীৰৱে খোজ আগবঢ়াই দিলে।

ঃ তুমি এই ৰাতি ইয়াত ....?' নৱনীতাই গহীন ভাৱে সুধিলে। নৱনীতাই অসহায় মুখাবয়ৱে তাইৰ পুঞ্জিভূত সহস্ৰ বেদনা নীৰৱে প্ৰকাশ কৰিব বিচাৰিলে। নৱনীতাই তাইক আৰু একো নুসুধিলে। তাইক ভিতৰলৈ লৈ গ'ল।

****

আজিৰ পৰা প্ৰায় বাৰ বছৰৰ আগৰ কথা। মিলনপুৰ চাহ বাগিছাৰ তেনেই কাযতে আছিল বিজয়হঁতৰ ঘৰ। বৃটিছ আমোলাৰ পৰাই প্ৰতিখন চাহ বাগিচাতে একোজন মাৰোৱাৰী সম্প্ৰদায়ৰ ব্যৱসায়ী থকাটো এটা নীতি বুলিয়েই ক'ব পাৰি। এই মিলনপুৰ চাহ বাগিচাৰ ধনজী আগৰৱালাৰ জীয়েক নয়না আগৰৱালা।

এই সময়ত বিজয়হঁতৰ আৰ্থিক অৱস্থা শোচনীয় আছিল। সেয়ে ইংৰাজীত অনাৰ্চ সহ স্নাতক হোৱাৰ পিছত বিজয়ে ইংৰাজী বিষয়ত টিউচন ক্লাছ কৰি নিজৰ হাত খৰচ উলিয়াইছিল। পিছলৈ মিলনপুৰ চাহ বাগিচাত জনকল্যাণ বিষয়া হিচাপে নিযুক্তি পালে যদিও তেওঁ ইংৰাজী বিষয়ত টিউচন ল'বলৈ এৰা নাছিল। নয়না তেতিয়া মেট্ৰিক পৰীক্ষাৰ্থী। ইংৰাজী বিষয়ত তাই কিছু দুৰ্বল। এদিন তাই বিজয়হঁতৰ ঘৰলৈ গ'ল। যদিওঁ বিজয়হঁতৰ ঘৰ নয়নাহঁতৰ ঘৰৰ পৰা বৰ বেছি দূৰত নহয়, তথাপিও নয়নাৰ বাবে সেয়াই আছিল বিজয়হঁতৰ ঘৰলৈ যোৱাৰ প্ৰথম দিন। পিছদিনাৰ পৰাই বিজয়ে নয়নাক পঢ়াবলৈ আৰম্ভ কৰিলে। কিন্তু নয়নাই ইংৰাজী বিষয়ত যথেষ্ট দুৰ্বল হোৱা হেতুকে বিজয়ে তাইক পঢ়াই অলপো ভাল পোৱা নাছিল। এদিন পঢ়া নোৱাৰাৰ বাবে বিজয়ে খঙতে তাইক বেয়া ধৰণে গালি পাৰিলে। সেইদিনা নয়নাই এজনী সৰু ছোৱালীৰ দৰে মাত্ৰ উচুপিছিল। অৱশ্যে সেইটো ৰাতি বিজয়ৰ টোপনি নাহিল। তেওঁ নয়নাক তেনে ব্যৱহাৰ কৰাৰ বাবে নিজে অনুতপ্ত হৈছিল আৰু তেওঁ সিদ্ধান্ত কৰিছিল পিছদিনাৰ পৰাই নয়নাৰ ক্লাছ বন্ধ কৰিব বুলি।

কিন্তু পিছদিনা যেতিয়া নয়না গহীন হৈ এক পৰিৱৰ্তনীয় ৰূপত বিজয়হঁতৰ ঘৰলৈ আহিল, তেতিয়া বিজয় আচৰিত হ'ল। নয়না আহি পঢ়া মেজত ইংৰাজী কিতাপখন চাই আছিল। বিজয় পঢ়া মেজৰ কাষলৈ আহি ক'লে — "চোৱা নয়না, অজিৰ পৰা তোমাক মই আৰু নপঢ়াওঁ। ইয়াৰ কাৰণ দুটা। প্ৰথম কাৰণ হ'ল এগৰাকী গাভৰু ছোৱালীক এনেকৈ গালি পাৰি টান কথা কৈ মই সঁচাকৈ অপৰাধ কৰিছো আৰু দ্বিতীয়টো কাৰণ হৈছে আমাৰ কুসংস্কাৰপূৰ্ণ সমাজ ব্যৱস্থা। তুমি নিশ্চয় এদিন অনুভৱ কৰিবা, আমাৰ এই সৎ উদ্দেশ্য লৈ এজন টিউটৰৰ ওচৰলৈ অহা যোৱা কৰাটো কোনেও ভাল বুলি বিবেচনা নকৰে। তুমি যেতিয়া পৰীক্ষাত ফেইল কৰিবা তেতিয়া তাৰ বাবে মানুহে মোকেই যে জগৰীয়া কৰিব এইটো ধ্ৰুৱ সত্য। গতিকে তুমি যি পাৰা ঘৰতে নিজেই পঢ়া।"

বিজয়ৰ কথা শুনি নয়নাৰ দুগালত চকুলো বাগৰি আহিল। নয়নাৰ দুচকুৰে অশ্ৰু বৈ পৰা দেখি বিজয় নীৰৱ হৈ গ'ল। নয়নাই দুগালেদি বৈ যোৱা চকুপানী মচি মচি ক'লে - "বিজয়দা আপুনি মোৰ কাৰণে কলংকৰ ছাই সানি ল'ব নালাগে। কিন্তু মই প্ৰতিজ্ঞা কৰি কৈছো, মই পৰীক্ষাত কেতিয়াও ফেইল নকৰোঁ। আপুনি মোক আৰু দহ দিন মাত্ৰ পৰীক্ষা কৰি চাওঁক। মই আপোনাক কথা দিছো, মই মাত্ৰ আপোনাৰ কাৰণেই পঢ়িম আৰু আপোনাৰ কাৰণেই পাছ কৰিম।

নয়নাৰ কথা শুনি বিজয়ে আৰু দহ দিন তাইক পঢ়াবলৈ মান্তি হ'ল। আচৰিত কথা যে সেই দহ দিনত নয়নাৰ পঢ়া আৰু চাল-চলনত এক অদ্ভুত পৰিৱৰ্তন হ'ল। তাই যেন সেই দহ দিনৰ আগৰ নয়নাজনী নহয়। দহ দিনৰ আগতে চকু মুখত অনবৰতে লাগি থকা নয়নাৰ চঞ্চলতাখিনি অদৃশ্য হ'ল আৰু তাৰ ঠাইত তাইৰ মুখত প্ৰতিভাত হ'ল এক মোহনীয় গাম্ভীৰ্য। সময় বায়ুবেগে আগবাঢ়ি গ'ল আৰু এদিন তাই সঁচাকৈ প্ৰতিজ্ঞা ৰক্ষা কৰিলে। তাই মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিজয়ক যেন সঁচাকৈয়ে কলংকৰ পৰা ৰক্ষা কৰিলে। আনন্দত বিজয়ৰ দুচকুৰে চকুলো বৈ আহিল। সেই চকুলোৰ আৰত আছিল এটি প্ৰেমৰ নিজৰা। এদিন বিজয়ৰ লগত গৈ তাই কলেজৰ দুৱাৰ দলিত ভৰি দিলে। কলেজ হোষ্টেললৈ যোৱাৰ দিনা তাই বিজয়হঁতৰ ঘৰলৈ আহিল। তাই হাঁহি হাঁহি বিজয়ক ক'লে — বিজয়দা মই আজি হোষ্টেললৈ যাম। টানকৈ গালি এটা দিয়কনা আকৌ পাছ কৰিম। বিজয়ে মৰমেৰে নয়নাৰ গালত চৰ এটা মাৰি দি ক'লে - "নিশ্চয় তুমি পাছ কৰিবা।"

এনেকৈয়ে সিহঁতৰ মাজেদি চাৰিটা ৰঙীণ বসন্ত হাঁহি পাৰ হৈ গ'ল। কলেজ বন্ধ থকা সময়ত নয়না প্ৰায়ে বিজয়হঁতৰ ঘৰলৈ আহে। এতিয়া বিজয়হঁতৰ ঘৰলৈ নিৰ্বিঘ্নে অহা-যোৱা কৰাটো নয়নাৰ কাৰণে যেন সহজ হৈ পৰিল। বিজয়ে মনে মনে নয়নাক হৃদয়ৰ এটা কোণত বন্দুৱাই ল'লে। দিন যোৱাৰ লগে লগে বিজয় আৰু নয়নাৰ হিয়া দিয়া নিয়াৰ কথা ঠাইখনত ইকান-সিকানকৈ বাগৰিবলৈ ধৰিলে। ইয়াৰ পাছত দুখনি হৃদয় বেছি ওচৰলৈ চাপি গ'ল। এদিন দেউতাকে বিজয়ক এই ক্ষেত্ৰত বেছি আগবাঢ়ি নাযাবলৈ সাৱধান কৰি দিলে। কিন্তু এবাৰ হৃদয়ত স্থিতি লোৱা প্ৰেমে কোনো কালেই হৃদয়ৰ পৰা স্বাভাৱিকতে মচ খাব নোখোজে। বিজয়ৰো সেয়ে হ'ল। তেওঁ নয়নাক নিজৰ কৰি ল'বলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল।

নয়নাই কলেজৰ পৰা শেষ পৰীক্ষা দি অহাৰ কেইদিন মানৰ পাছতে বিজয়ে তাইৰ শেষ মতামত বিচাৰি এখন চিঠি দিলে আৰু দহ দিনৰ ভিতৰতে সেই চিঠিৰ উত্তৰো বিচাৰিলে। কিন্তু পোন্ধৰ দিন পাৰ হৈ যোৱা সত্বেও নয়নাৰ পৰা কোনো উত্তৰ তেওঁ নাপালে। আনকি নয়নাই সেই পোন্ধৰ দিনৰ ভিতৰত এদিনো বিজয়ক দেখা নিদিলে। বিজয়ৰ বুজিবলৈ একো বাকী নাথাকিল। নয়নাৰ প্ৰতি তেওঁৰ মন বিদ্ৰোহী হৈ উঠিল। অতদিনে মনৰ মাজত পুহি ৰখা আশা বিজয়ৰ বাবে নিৰাশা যেন হৈ গ'ল। তেওঁ উপলব্ধি কৰিব ধৰিলে মাটিৰ মানুহ হৈ আকাশৰ তৰা পাবলৈ বিচৰাটো তেওঁৰ বাবে সঁচাকৈয়ে মুৰ্খামি। তেওঁ নাৰী জাতিটোৰ কোমল হৃদয় বিলাক পাষাণৰ হৃদয় বুলি ভৰ্ৎসনা কৰিব ধৰিলে। তেওঁ দেখুৱাব বিচাৰিলে যে নয়নাৰ নিচিনা আৰু বহুতো ছোৱালী আছে। তাৰে যিকোনো এজনীক তেওঁ অতি সহজে পত্নীৰূপে আনিব পাৰে আৰু সেই জেদতেই ঠিক দুসপ্তাহ মানৰ ভিতৰতে নৱনীতাক বিজয়ে বিয়া কৰাই আনিলে।

****

নৱনীতাই নয়নাক নিজৰ শোৱা কোঠালৈ লৈ গ'ল। শোৱনি কোঠাত থকা বেতৰ চকীখন আগবঢ়াই দি নয়নাক বহিবলৈ ক'লে। নয়নাই তলমূৰ কৰি তেতিয়াও চকুলো মচি আছে। নৱনীতাই নয়নাক সুক্ষ্মভাৱে লক্ষ্য কৰলে। ৰাজস্থানী বংশধৰৰ প্ৰতিচ্ছবি তাইৰ গাত যেন অকনো নাই। অতীতৰ বাৰ বছৰে দূৰে দূৰে দেখা নয়নাজনী আজি তাইৰ সমুখত। যিজনী নয়নাক অজানিতে কৰবাত দেখিলেও নৱনীতাৰ চকুৰ পৰা জুইৰ আঙঠা ওলায়, সেইজনী নয়না আজি নৱনীতাৰ ঘৰত। কথাবিলাক নৱনীতাৰ মনত পৰাৰ লগে লগে তাইৰ হৃদয়ত একুৰা জুই দপ-দপকৈ জ্বলি উঠিল। নয়নাৰ চুলি কোচাত ধৰি ঘৰৰ পৰা বাহিৰ কৰি দি অপমান কৰাৰ কথা তাই ভাবিলে। কিন্তু পিছ মুহূৰ্ততে তাই ৰৈ গ'ল। হয়তো ইয়াকে কোৱা হয় - "নাৰী হৃদয়"। "যি নাৰীৰ হৃদয়ত দয়া প্ৰেম আৰু ক্ষমাৰ স্থান নাই, সেই নাৰী মাত্ৰ এটি নাৰী মূৰ্তিৰ নিৰ্জীৱ পদাৰ্থহে।" নৱনীতা মৌন হৈ ৰ'ল। তাইক চিন্তিত হৈ পৰা যেন দেখা গ'ল। তাৰ পিছত তাই কোমল স্বৰে ক'লে- "নয়না, তুমি এই হেন গভীৰ নিশা আমাৰ ইয়ালৈ কিয় আহিলা?" তোমাৰ যদি কিবা দৰকাৰ আছিলেই তেন্তে দিনৰ ভাগতে নাহিলা কিয়? নৱনীতাৰ কথা কেইষাৰ শুনা মাত্ৰকেই নয়না সৰু ছোৱালী এজনীৰ দৰে পুনৰ উচুপি উঠিল। তাই কিবা ক'বলৈ গৈয়ো আকৌ ৰৈ গ'ল। " মই জানো তুমি মোৰ স্বামীক বিচাৰি....।" নৱনীতাৰ বাক্যটো শেষ হ'বলৈ নেপালেই। হঠাৎ নয়নাই কৈ উঠিল - "নাই নাই, বাইদেউ, মই বিজয়দাক বিচাৰি অহা নাই। মইতো জানোৱেই বিজয়দা বৰ্তমান ট্ৰেইনিঙত আছে বুলি।" তাৰ পিছত নয়নাই কি ক'ব একো কথা যেন বিচাৰি নোপোৱা হ'ল। তাইৰ যেন কোৱা হৈ গ'ল।

নয়নাৰ মুখৰ পৰা ওলোৱা 'বাইদেউ' শব্দটোৱে হঠাৎ নৱনীতাৰ বুকুত খুন্দা মাৰি ধৰিলে। নৱনীতা মৌন হৈ থকা দেখি নয়নাই কৰুণ স্বৰেৰ ক'লে -

ঃ বাইদেউ, মই এই গভীৰ নিশা আপোনাৰ ঘৰলৈ অহা দেখি আপুনি হয়তো বহু কিবা-কিবি চিন্তা কৰিছে আৰু দোধোৰ-মোধোৰত পৰিছে। আপুনি হয়তো ভাবিছে মই আপোনাৰ সুখৰ সংসাৰখনত আউল লগাবলৈ আহিছো। কিন্তু মই আপোনাক কোনো ধৰণৰ দুখ দিবলৈ অহা নাই।............

ঃ তেন্তে এই নিশা কি কৰিবলৈ আহিছা? নৱনীতাই আক্ষেপেৰে সুধিলে।

ঃ কম, সকলো কম। এই নিৰ্জন নিশা মই কিয় আহিলো তাকো ক'ম। কিন্তু মই ইয়ালৈ আশ্ৰয় বিচাৰি অহা নাই। আৰু কেইঘণ্টামানৰ পিছতে মই এই পৃথিৱীৰ পৰাই বিদায় লৈ চিৰদিনৰ বাবে কৰবালৈ গুচি যামগৈ। তাৰ আগতে বিজয়দাই মোৰ প্ৰতি লৈ থকা ভুল ধাৰণাটো ভাঙি দিওঁ বুলিহে এই নিশাখন মই আহিছো। তেখেত নাই যেতিয়া আপোনাক কৈ যোৱাটোৱেই এতিয়া মোৰ কৰ্তব্য। কিন্তু কথাবিলাক কোৱাৰ আগেয়ে আপোনাক পুনৰ কওঁ, মই ইয়ালৈ আপোনাৰ এগৰাকী ভনী হিচাপেহে আহিছো, এগৰাকী বাইদেউৱে ভনীয়েকৰ সুখ-দুখৰ কথা জানো মন দি নুশুনিব? আপুনি এই বুলিয়েই ধৰি লওঁক। আজি এই নিশা আপোনাৰ স্বামী যদি ঘৰত থাকিলেহেঁতেন তেন্তে মই ইয়ালৈ অহাৰ সাহস কোনো মতেই নাপালোহেঁতেন। কিন্তু মই সাহস পালো একমাত্ৰ আপোনাৰ কোমল হৃদয়ত পুঞ্জিভূত হৈ থকা মৰম স্নেহৰ কথা শুনি। আজি বাৰ বছৰে আপোনাক দূৰে দূৰে দেখি আছো। আপোনাৰ গুণ- গৰিমাৰ বিষয়ে ইতিমধ্যে বিভিন্নজনৰ পৰা জানিব পাৰিছো। সঁচাকৈয়ে বিজয়দাই আপোনাক পত্নীৰূপে পোৱাৰ কাৰণে মই গৌৰৱান্বিত।......

নয়না হঠাৎ ৰৈ গ'ল। তাই তাৰ পিছত কি ক'ব একোকে যেন বিচাৰি পোৱা নাই। নয়নাক মৌন হৈ থকা দেখি নৱনীতাই কোমল স্বৰেৰে ক'লে।

ঃ চোৱা নয়না, তুমি যেতিয়া মোক বাইদেউ বুলি সম্বোধন কৰিলা, তেতিয়াহ'লে তোমাৰ সম্বোধন মই হৃদয়েৰে সৈতে গ্ৰহণ কৰিলোঁ। এতিয়া তুমি কোৱা, এই গভীৰ নিশা তুমি কিয় মোৰ ঘৰলৈ আহিব লগা হ'ল? যদি তুমি কিবা বিপদত পৰিছা তেন্তে পাৰোমানে মই তোমাক সহায় কৰিম।

ঃ মই আপোনাৰ পৰা কোনো সহায় নিবিচাৰো বাইদেউ। মই যিটো বিপদত পৰিছো, সেই বিপদৰ পৰা মোক কোনেও ৰক্ষা কৰিব নোৱাৰে। মই মাত্ৰ আপোনাক কেইটামান কথা জনাই

থ'বলৈহে ইয়ালৈ আহিছো। নয়না এখন্তেক ৰ'ল। তাৰ পিছত পুনৰ আৰম্ভ কৰিলে। আপোনালোকৰ বিয়া হোৱা প্ৰায় বাৰ বছৰেই হ'ল। এই সুদীৰ্ঘ সময়ত আপোনাৰ স্বামীয়ে মোৰ বিষয়ে নিশ্চয় কিছু কথা আপোনাক কৈছে। নতুবা আপুনি আন কোনোৱা মানুহৰ পৰা হ'লেওঁ শুনিছে নিশ্চয় আৰু শুনি মোৰ প্ৰতি .....।

হঠাৎ নয়নাৰ কথাত বাধা দি নৱনীতাই ক'লে 'হ'ব হ'ব নয়না, সেই বিষয়ে মই সকলো কথা গম পাইছো।' আমাৰ বিয়াৰ কিছু দিনৰ পিছতেই স্বয়ং বিজয়েই মোক সকলো কথা কৈছে। তেখেতেই নিজেই এইবোৰ কথা নোকোৱাহেঁতেন হয়তো আমাৰ মাজত সদায় অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হ'লহেঁতেন। তেখেতে নিজে মোক কথাবোৰ কৈ দিয়াত সন্দেহ কৰাৰ মোৰ কোনো অৱকাশ নাথাকিল। কিন্তু মই অন্তৰত দুখ পাইছিলো তোমালোকৰ দুখনি হৃদয়ৰ বিচ্ছেদ হোৱাৰ বাবে। অৱশ্যে বিয়াৰ আগতে যদি সেইবোৰ কথা গম পালোহেঁতেন তেন্তে মই বিজয়ৰ লগত কেতিয়াওঁ বিয়াত নবহিলোহেঁতেন। কিন্তু মোৰ কঁপালত সেন্দুৰ দিয়াৰ পিছত মোৰ কোনো উপায় নাছিল।

ঃ নাই, বাইদেউ, তাৰ বাবে আপুনিতো কোনো প্ৰকাৰে দোষী নহয়। আনকি বিজয়দাকো দোষাৰোপ কৰিব নোৱাৰি। দোষী মই। মোৰ ভাগ্য। যেনেকৈ টকা থাকিলেওঁ ভাগ্যত নাথাকিলেও মাটি- বাৰী কিনিব নোৱাৰি, ঠিক তেনেকৈ ভাগ্যত নাথাকিলে হৃদয়ৰ আপোনজনক হাতৰ পৰা হেৰুৱাবলগীয়া হয়। অৱশ্যে মোৰ নিজ পিতৃ-মাতৃয়ে মোক ঠগিলে। কিয়নো বিজয় দাই যিখন চিঠি দহ বছৰীয়া ল'ৰাজনৰ হাতত দি পঠিয়াইছিল সেই চিঠিখন বহু পলমকৈহে মোৰ হাত পৰিছিলগৈ। প্ৰথমে চিঠিখন মোৰ বাইদেউ সংগীতাৰ হাতত। যিহেতু বাইদেউ আৰু মোৰ চেহেৰাৰ বিশেষ কোনো পাৰ্থক্য নাছিল। সেইবাবে হয়তো ল'ৰাজনে ভুল কৰি সংগীতাৰ হাতত চিঠিখন দিছিল। তাৰ পিছত চিঠিখন বাগৰি গৈছিল মাৰ হাতলৈ। মাৰ হাতত চিঠিখন পৰাৰ পিছদিনাই দেউতা চহৰলৈ গৈছিল। অৱশ্যে সুদূৰ ৰাজস্থানৰ পৰা সৰু মোমাইদেউ আহি খবৰ দিলে যে ডাঙৰ মোমাইদেউ সংকটজনক অৱস্থাত হস্পিতালত পৰি আছে আৰু ঠিক পিছদিনাই দেউতাৰ বাহিৰে আমাৰ ঘৰৰ আটাইকেইজনে অসমৰ পৰা ৰাজস্থানলৈ যাত্ৰা কৰিছিলোঁ। চাৰিদিনৰ মূৰত আমি ৰাজস্থান পালোগৈ। কিন্তু কি আচৰিত, তাত গৈ দেখো ডাঙৰ মোমাইদেউৰ টান অসুখ হোৱাতো বাদেই, তেওঁৰ কোনোধৰণৰ বেমাৰেই হোৱা নাই। অৱশ্যে সংগীতা বাইদেউক কিছু চিন্তিত হোৱা যেন দেখা গৈছিল। যদিও মাৰ মুখমণ্ডলত কোনো ধৰণৰ পৰিৱৰ্তন দেখা নাছিলো। কিন্তু এটা কথা মোৰ দৃষ্টিগোচৰ হৈছিল যে, মোমাইদেউহঁত সকলোৱে মোক অলপ বেলেগ দৃষ্টিৰে লক্ষ্য কৰিছিল। ঘটনাৰ কোনো উৱাদিহ নাপাই মই অস্থিৰ হৈ উঠিছিলো। কিন্তু ডাঙৰ মোমাইদেউৰ চিৰিয়াছ অসুখৰ কথা কোনেওঁ ক্ষুণাক্ষৰে প্ৰকাশ নকৰাত ময়ো মনে মনে থাকিলো।

কেইবাদিনো পাৰ হৈ গ'ল। ঘৰৰ মানুহবোৰৰ আওঁ-ভাওঁ দেখি মোৰ সন্দেহ হ'ল কৰবাত যেন কিবা ৰহস্য লুকাই আছে। বাৰে বাৰে মোৰ অন্তৰাত্মাই ক'ব বিচাৰিছে ক'ৰবাত যেন কিবা অঘটন ঘটিছে। এনে ৰহস্যৰ মাজেৰে কেইবাটাওঁ নিশা পাৰ হৈ গ'ল। দশমদিনা আবেলি সংগীতা বাইদেউৰ লগত ফুৰিবলৈ ওলাই গৈছিলো। সংগীতা আৰু মই যদিওঁ বাই-ভনী তথাপিও বহু সময়ত আমি দুজনী প্ৰিয় বান্ধৱীৰ দৰে। কিছুদূৰ যোৱাৰ পিছত ময়েই সংগীতাক সুধিলো মোমাইদেউৰ বেমাৰ নোহোৱা সত্বেও আমাক কিয় ফাঁকি দি ইয়ালৈ আনিলে। মোৰ কথা শুনি সংগীতাই একো নামাতিলে। তাই নিৰাশ মনেৰে এখন চিঠি মোৰ ফালে আগবঢ়াই দিলে। মই বিনা দ্বিধাই চিঠিখন মেলি ল'লো। অন্তৰংগ ভাৱে চিনাকি আখৰ কেইটা দেখি অজানিতেই মোৰ বুকুখন দুৰু দুৰুকৈ কঁপি উঠিল। মোৰ অশ্ৰুসিক্ত নয়ন যুৰিয়ে চিঠিখনৰ আখৰ কেইটা মনিব নোৱাৰা হ'ল। তথাপিও দাঁত-ওঁঠ কামুৰি চিঠিখনত লিখা তাৰিখটো হিচাপ কৰি চালো; বিশ দিন পাৰ হৈ গ'ল। মোৰ দুচকুৰে লোতক বৈ গ'ল। সংগীতা মাত্ৰ নিৰৱ দৰ্শক হৈ থাকিল। তেতিয়া মই বুজি পালো মোমাইদেউৰ আচল বেমাৰটোৰ কথা। তাৰ পিছত তাত মই এখন্তেকো থাকিব নোৱাৰা হ'লো। কিন্তু মোক কোনেওঁ অসমলৈ আহিব নিদিলে। সংগীতা আৰু মা অসমলৈ ঘূৰি আহিল আৰু মই ৰাজস্থানৰ এটি পৰিয়ালৰ সংকীৰ্ণ ঘৰৰ দেৱালৰ মাজত বন্দী হৈ ৰ'লো।

ইতিমধ্যে প্ৰায় ডেৰ মাহ পাৰ হৈ গ'ল। এদিন হঠাৎ মোমাইদেৱে এখন টেলিগ্ৰাম পালে। তাৰ দুদিনমানৰ পাছতে ডাঙৰ মোমাইদেৱে মোক অসমলৈ লৈ আহিল। ঘৰলৈ আহি পোৱাৰ পিছত গ'ম পালো যে তিনি সপ্তাহমানৰ আগেয়ে বিজয়ৰ বিয়া হৈ গ'ল। মই চৌদিশে অন্ধকাৰ দেখিলো।

নয়নাৰ হৃদয় বিগলিত কাহিনী শুনি নৱনীতাৰ কোমল নাৰী হৃদয়ো বিষণ্ণ হৈ উঠিল। আনৰ দুখত কান্দিব পৰাটো হয়তো এক প্ৰকাৰৰ প্ৰকৃতি প্ৰদত্ত প্ৰভাৱ। নৱনীতাই চকুলো মচি মচি নীৰৱ হৈ বহি ৰ'ল। তাৰ পিছত নয়নাই সহজ-সৰল ভাৱে ক'লে।ঃ বাইদেউ জীৱনত প্ৰথম আৰু শেষ বাৰৰ কাৰণে যোৱা বাৰ বছৰে হৃদয়ত কঢ়িয়াই লৈ ফুৰা কথাবোৰ আপোনাক ক'লো। আপুনি যেন মোক ভুল নুবুজে আৰু যদি মই আপোনাৰ ওচৰত অজানিতে ভুলো কৰিছো তেন্তে মোক ক্ষমা কৰিব। বাইদেউ মই যাওঁগৈ। ৰাতি পুৱাবলৈ আৰু বৰ বেছি সময় নাই।

নয়না বহাৰ পৰা থিয় হ'ল। নৱনীতাই ক'লে- "তুমি যিবোৰ কথা ক'লা সেইবোৰ এতিয়া হয়তো তোমাৰ কাৰণে অতীতৰ এক স্মৃতি। তুমিতো এই হৃদয়বিদাৰক যন্ত্ৰণা লৈ বাৰ বছৰ পাৰ

জাগীৰোড মহাবিদ্যালয়

কৰি দিলা। অথচ এই কথাকেইটাকে ক'বলৈ এইহেন নিজান নিশা অকলশৰে আহিলা কিয়? তুমিটো দিনৰ পোহৰতে কেতিয়াবা আহি এইবোৰ কথা মোক কৈ যাব পাৰিলাহেঁতেন? ঃ আপুনি ঠিকেই কৈছে বাইদেউ, মই দিনতো আহিব পাৰিলোহেঁতেন, কিন্তু আজিৰ এই অভিশপ্ত নিশাটোৰ পাছত মই আৰু কেতিয়াওঁ প্ৰভাতী সুৰুয দেখা নাপাওঁ। যিহেতু মই জীয়াই থকাৰ সকলো সমল হেৰুৱাই পেলাইছো। ঃ কিন্তু বাৰ বছৰ জীয়াই থকাৰ পিছত? ঃ হয়। ই মাত্ৰ সময়ৰ আহ্বান। আপোনাক সঁচা কথা ক'বলৈ হ'লে মই ৰাজস্থানৰ পৰা ঘূৰি আহি যেতিয়া জানিব পাৰিলো যে বিজয়দাৰ বিয়া হৈ গ'ল, তেতিয়া মই নিজকে হেৰুৱাই পেলাইছিলো আৰু সেই দিনাই হঠাৎ মই প্ৰতিজ্ঞা কৰিছিলো বিজয়দা জীয়াই থকা কালত মোৰ কঁপালত কোনো পুৰুষে সেন্দুৰ দিব নোৱাৰিব।

তাই চকুলো মচি মচি পুনৰ আৰম্ভ কৰিলে। তাৰ পিছৰ পৰাই মাজে মাজে মোৰ বিয়াৰ প্ৰস্তাৱ আহিছিল। কিন্তু এইবাৰ মোৰ আৰু কোনো উপায় নাই। দেউতাহঁতে জোৰ-জবৰদস্তি কৰি মোক বিয়া দিয়াৰ সিদ্ধান্ত লৈছে। তাকো পঞ্চাশ বছৰীয়া এজন বৃদ্ধৰ লগত। এতিয়া মোৰ পূৰ্বৰ প্ৰতিজ্ঞা ৰক্ষা কৰাৰ কোনো উপায় নাই। কালি ৰাতিপুৱাতে দেউতাহঁতে সেই বৃদ্ধৰ লগত মোৰ বিয়াৰ দিন ঠিক কৰিবলৈ যাব। সেয়ে মোৰ প্ৰতিজ্ঞা ৰক্ষাৰ এটা উপায় আছে 'আত্মহত্যা'। মোৰ জীৱনৰ প্ৰথম তথা শেষবাৰৰ সত্য কথাকেইটা ক'বলৈকে আহিবলগীয়া হ'ল। এই কথা নোকোৱাকৈ মৰিলে মোৰ আত্মাই হয়তো শান্তি নাপাব।

নয়নাই বেদনাসিক্ত চকুৰে শেষ বাৰৰ কাৰণে নমস্কাৰ জনালে আৰু লগে লগে ওলাই আহিবলৈ উদ্যত হ'ল। কিন্তু নৱনীতাই নয়নাক আকোৱালি ধৰি কান্দি উঠিল। নৱনীতাৰ কান্দোন দেখি নয়না যেন বোবা হৈ গ'ল। দুয়ো এখন্তেক শিলৰ মূৰ্তিৰ দৰে থৰ হৈ থাকিল। ঃ নয়না তোমাক মই সেই বৃদ্ধৰ হাতলৈ যাবলৈ কেতিয়াও নিদিও। তোমাক মই ৰক্ষা কৰিম। তুমি আত্মহত্যা কৰিব নোৱাৰা। আজিৰ পৰা এইখন ঘৰেই তোমাৰ জীৱনৰ শেষ আশ্ৰয় হ'ব। বিজয় ঘূৰি আহিলেই তোমাৰ কঁপালতো সেন্দুৰৰ ফোট এটি জিলিকি উঠিব।

ঃ বাইদেউ, আপুনি এইবোৰ কি কৈছে? নয়নাই চিঞৰি উঠিল।

ঃ মই ঠিকেই কৈছো নয়না। মই বিবাহিতা হ'লেওঁ প্ৰেম কি বস্তু মই জানো। প্ৰেমৰ যাতনা যিমানেই দুখদায়ক নহওঁক, প্ৰেমৰ একোটা ত্ৰুটি যিমানেই পৰিতাপৰ বিষয় নহওঁক, প্ৰেম মানৱ জীৱনৰ এটি চূড়ান্ত অমূল্য আশীৰ্বাদ। সেয়ে প্ৰেম অমৰ। কেতিয়াবা প্ৰেমিক প্ৰেমিকাৰ শাৰিৰীকভাৱে বিচ্ছেদ হ'লেও হৃদয়ত স্থিতি লোৱা প্ৰেমৰ কোনো কালেই বিচ্ছেদ নহয়। আজি বাৰ বছৰে বিজয় আৰু তোমাৰ মাজত কেনো ধৰণৰ সম্পৰ্ক নাই তথাপিও নিশ্চয় হৃদয়ৰ সম্পৰ্ক আছে। যাৰ বাবেই তোমাক বিজয়ে মোৰ লগতে স্থান দিব।

ঃ বাইদেউ আপুনি মোৰ জীৱন ৰক্ষাৰ কাৰণে আপোনাৰ সুখৰ সংসাৰখন ধ্বংস নকৰিব। মই কোনো নাৰীৰ অন্তৰত দুখ দিব নিবিচাৰো।

ঃ কিন্তু তুমি এটা কথা জনা দৰকাৰ তোমাৰ সত্য কাহিনী বিজয়ে এতিয়াও নাজানে। যিদিনা তেওঁ সকলো কথা জানিব সেইদিনা তেওঁৰ কি অৱস্থা হ'ব তুমি এবাৰ ভাবি চাইছানে? সেই বাবেই কৈছো, তোমাক বিজয়ে নিশ্চয়কৈ গ্ৰহণ কৰিব। আমাৰ তিনিওৰে মাজত ভাল বুজা পৰা থাকিলে আমাৰ সংসাৰত কেতিয়াও আউল-নালাগে। পৃথিৱীৰ বহুতো পুৰুষ নাৰী এনেকৈয়ে জীয়াই আছে, আমিও জীয়াই থাকিম।

নৱনীতাৰ কথাখিনি শুনি 'বাইদেউ' বুলি কৈ নয়নাই নৱনীতাক সাৱটি ধৰি হুক হুককৈ কান্দি পেলালে। খন্তেক যেন দুয়ো-দুয়োকে পাহৰি গ'ল। নৱনীতাই নিজৰ কঁপালৰ সৰল ৰৈখিক সেওঁতাৰ পৰা সোঁহাতৰ বুঢ়া আঙুলিটোৰে অকণমান সেন্দুৰ লৈ নয়নাৰ কঁপালত বোলাই দিলে। পূব আকাশখন তেতিয়া এক ৰক্তিম আভাই ৰাঙলি কৰি তুলিছে। ●

তুমি জীৱনক ভাল পোৱানে? যদি ভালপোৱা তেন্তে অলপো সময় নষ্ট নকৰিবা, কিয়নো সময়ৰ ধাতুৰে জীৱন নিৰ্মিত।

— ভল্টেয়াৰ







# কৌতুক

শিক্ষক ঃ হলধৰ কোৱাচোন অসমৰ প্ৰধান সমস্যা কি?
হলধৰ ঃ ছাৰ, আমাৰ বছৰেকীয়া পৰীক্ষাবোৰ।

■ ■ ■

গৌৰি আহি এছ. আই. বিষয়াজনে দোকানী এজনক পিষ্টল দেখুৱাই ক'লে, হেণ্ডছ আপ'।

দোকানীজনে উত্তৰ দিলে, 'হেণ্ডছ আপ' নাই ছাৰ। লাগে যদি 'থামছ আপ'কে লৈ যাওঁক।

ককাদেউতা ঃ (হেডমাষ্টৰৰ প্ৰতি) মোৰ নাতি ল'ৰাটোক আজি একঘণ্টামান আগেয়ে চুটি দিলে ভাল পালোহেঁতেন।
হেডমাষ্টৰ ঃ আপোনাৰ নাতি ল'ৰাটো এক ঘণ্টা আগতে মোৰ ককা ঢুকাল বুলি ছুটী লৈ গ'লগৈ।



■ ■ ■

মালিক ঃ (চাকৰৰ প্ৰতি) ঐ হলিৰাম আজি বাগিছাত পানী দিয়া নাই কি?
চাকৰ ঃ আজি বৰষুণ দিছে নহয়।
মালিক ঃ ছাতি লৈ নিদিয় কিয়।

চিকাৰী ঃ ধৰি লোৱা তুমি এখন অটব্য হাবিৰ মাজেদি গৈ আছা, হঠাৎ তোমাৰ আগত যদি বাঘ এটা ওলায় তুমি কি কৰিবা?
নতুন চিকাৰী ঃ মইনো কি কৰিম, যি কৰিব বাঘেই কৰিব।



■ ■ ■

যদু ঃ মানুহ কেতিয়া মধ্যবয়সীয়া হয়?
মধু ঃ যেতিয়া ওপৰৰ ফালে বাঢ়িব এৰি, পথালিকৈ বাঢ়িব ধৰে।

■ ■ ■

মালিক ঃ বাতৰি কাকতখন ক'ত?
লগুৱা ঃ কালিৰ পৰাই বিচাৰি আছো, কিন্তু পোৱা নাই।

## কৌতুক

শিক্ষক ঃ অই যদু! তই "খাই পাত ফলা"ৰে বাক্য ৰচনা কৰচোন?
যদু ঃ ছাৰ, খাইপাত ফলা মানুহক ষ্টীলৰ বাঁহীত ভাত দিব লাগে।

■ ■ ■

প্ৰথম ব্যক্তি ঃ মোৰ ল'ৰাটোৱে ৬ বছৰ বয়সতে চাইকেলখন তলত চলাব পৰা হৈছে।
দ্বিতীয় ব্যক্তি ঃ মোৰ ল'ৰাটোৱে ৩/৪ বছৰ বয়সতে মটৰ চাইকেলত উঠিব পৰা হৈছে।
প্ৰথম ব্যক্তি ঃ ক'ত! তলত নে ওপৰত?

■ ■ ■

অচিনাকী ব্যক্তি ঃ (মানুহ ওজনৰ ওচৰলৈ গৈ) হেৰি আপোনাৰ নামটো কি ক'ব নেকি?
মহাদেৱ ঃ মোৰ নাম মহাদেৱ! হে মহাদেৱ আপোনাৰ কি লীলা। এই পৃথিৱীখনতে আপুনি নৰৰূপলৈ আছেহি। মোক আশীৰ্বাদ দি বাসনাবোৰ পূৰ্ণ কৰক প্ৰভু।

■ ■ ■

ল'ৰা ঃ মা, টকা এটা দিয়া!
মাক ঃ কিয়, কি কৰিবি?
ল'ৰা ঃ মা, আইচক্ৰীম খাম।
মাক ঃ নাখাবা ঠাণ্ডা লাগিব।
ল'ৰা ঃ কিয়, লেপৰ তলত খাম।

■ ■ ■

শিক্ষক ঃ কেমেৰাৰ ওপৰত তোমালোকে এখন ৰচনা লিখা।
ছাত্ৰ ঃ মই বেঞ্চত বহিয়েই লিখিম ছাৰ। কেমেৰাৰ ওপৰত উঠি লিখিলে কেমেৰা ভাঙি যাব পাৰে ছাৰ।

■ ■ ■

শিক্ষক ঃ যদুৱে কোট পিন্ধি আছে।
কোৱাচোন এইটো কোন কালৰ বাক্য?
ছাত্ৰ ঃ ছাৰ, এইটো শীত কালৰ বাক্য।

■ ■ ■

ছাত্ৰ ঃ যদু মহিলা ভোটাধিকাৰৰ বিপক্ষে এটা যুক্তি দেখুৱাচোন।
যদু ঃ ছাৰ, মহিলাসকল সাধাৰণতে সৌন্দৰ্য্যপ্ৰিয়। তেওঁলোকে ধুনীয়া লোককহে ভোট দিয়ে। গতিকে মহিলাসকলক ভোটাধিকাৰ দিয়া উচিত নহয়।

■ ■ ■

পুলিচ ঃ (দোকনীৰ প্ৰতি) **Hands up!**
দোকানী ঃ ইয়াত **Hands up** নাই, **Thums up** হে আছে।

শ্ৰীনন্দিতা শৰ্মা
উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ (কলা)

■ ■ ■

এদিন শিক্ষকে শ্ৰেণীত নিকুক সুধিলে
শিক্ষক ঃ নিকু ক'চোন বাৰু আমাৰ ইয়াৰ পৰা সূৰ্য্যটো আঁতৰ নে আমেৰিকাখন আঁতৰ।
নিকু ঃ আমেৰিকাখন আঁতৰ ছাৰ।
শিক্ষক ঃ কিয়?
নিকু ঃ কাৰণ সূৰ্য্যটো আমি সদায়ে দেখো। কিন্তু আমেৰিকাখন সদায়ে নেদেখো।

■ ■ ■

বিক্ৰেতা ঃ ছাতিটো আপুনি যদি যত্ন লয় কমেও ২৫ বছৰ যাব।
গ্ৰাহক ঃ তাৰ বাবে মই কি কৰিব লাগে।
বিক্ৰেতা ঃ ছাতিটো ৰ'দ আৰু বৰষুণৰ পৰা বচাই ৰাখিব লাগিব।

■ ■ ■

**মানুহ এজনে ডাক্তৰৰ ওচৰলৈ গৈ ক'লে - মোৰ ল'ৰাটোৱে অনবৰতে দাঁতেৰে নখ কামুৰি থাকে।**
**ডাক্তৰ ঃ চিন্তা কৰিব নালাগে, মই তাৰ দাঁত আইকেইটা সৰাই দিম।**

**মিছ ধৰিত্ৰী শৰ্মা**
**উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)**

■ ■ ■

গ্ৰাহক ঃ **(দোকানীৰ প্ৰতি) দাদা বহী আছেনে?**
দোকানী ঃ **হয়, বহি আছো।**
গ্ৰাহক ঃ **নহয়, আপোনাৰ দোকানত বহী আছেনে?**
দোকানী ঃ **হয়, মই মোৰ দোকনতে বহি আছো।**

■ ■ ■

বাপেক ঃ **(পুতেকৰ প্ৰতি) কাম বন নাই, তই বহি বহি কেৱল খাবলৈহে জন্ম ল'লি।**
পুতেক ঃ **আজিৰ পৰা তেনেহ'লে থিয় হৈয়ে খাম।**

■ ■ ■

স্কুলত শিক্ষকে পাঠ পঢ়াই থকা অৱস্থাত ছাত্ৰ এজনে বেৰৰ ফাকেৰে নিগনি এটা গাতত সোমোৱা দৃশ্যটো চাই আছিল। ছাত্ৰজনৰ পাঠত মনোযোগ নিদিয়া দেখি ছাত্ৰজনক উদ্দেশ্য কৰি।
শিক্ষক ঃ এই গৰু সোমালেনে নাই?
ছাত্ৰ ঃ সোমাও সোমাও হৈছে ছাৰ।
শিক্ষক ঃ কিমান বাকী আছে?
ছাত্ৰ ঃ নেজডাল বাকী আছে ছাৰ।
শিক্ষক ঃ (খঙেৰে) কিহৰ নেজ?
ছাত্ৰ ঃ নিগনিৰ ছাৰ।

■ ■ ■

## কুইজ

১। বৰ্তমান সময়ত অপৰাধক চিনাক্ত কৰিবৰ কাৰণে ব্যৱহাৰ কৰা এবিধ যন্ত্ৰ হ'ল 'লাই ডিটেক্টৰ'। কিন্তু ইয়াৰ প্ৰকৃত নামটো আপুনি জানেনে?

● পলিগ্ৰাফ্ [Polygraph]

২। বৰফ খালে যদি গৰণ লাগে আৰু গৰম গাখীৰ খালে যদি ঠাণ্ডা লাগে তেন্তে ই আচৰিত হ'বৰ কথা নহয়নে? কিন্তু এবিধ ৰোগ আছে যাৰ ফলত মানুহৰ এনে অৱস্থা হ'ব পাৰে। কি বাৰ ৰোগ বিধৰ নাম?

● চিগুৱেটেৰা [Ciguatera]

৩। গল্প-উপন্যাস পঢ়ি আমি সকলোৱে নিশ্চয় ভাল পাওঁ। কিন্তু আপুনি ক'ব পাৰিবনে, 'টাইপ ৰাইটাৰ'ত লিখা প্ৰথম উপন্যাসখন কি?

● টম ছায়াৰ।

৪। বিশ্বকাপ হকী আৰু বিশ্বকাপ ক্ৰিকেট খেলা একমাত্ৰ খেলৱৈজন কোন বাৰু?

● জণ্টি ৰোডছ।

৫। পূবৰ স্কটলেণ্ড বুলি খ্যাত মেঘালয়ৰ ৰাজধানী শ্বিলং। মনোমোহা চহৰখনৰ শ্বিলং নামটো এগৰাকী দেৱীৰ নামৰ পৰা সৃষ্টি হৈছে। দেৱী গৰাকীৰ নামটো কি বাৰু?

● জোৱান কেথলিন ৰাউলিং

৬। "সমুদ্ৰৰ বোৱাৰী" বুলি ক'লে কোনখন দেশক জনা যায় বাৰু?

● ভেনিচ চহৰক।

সংগ্ৰহ - শ্ৰীমুন কুমাৰ দাস
(স্নাতক দ্বিতীয় বৰ্ষ) (উদ্ভিদ বিজ্ঞান)

## মহৎ লোকৰ অমৃতবাণী

১. আত্মজ্ঞ জ্ঞানী লোকে কেতয়াও মৃত্যুত শোক ৰকৰে কাৰণ আত্মাৰ মৃত্যু নাই। — শ্ৰীমদ্ভগৱত গীতা

২. আপুনি এজন মানুহক নান প্ৰকাৰে আঘাত দিব পাৰে। তেওঁক হত্যা কৰাটো হ'ল আটাইতকৈ সৰু আঘাত

— হেনৰি জেইমাছ

৩. এজন মানুহক ধ্বংস কৰিব পাৰি, কিন্তু তেওঁক কেতিয়াও পৰাস্ত কৰিব নোৱাৰি। — আৰ্নেষ্ট হেসিংৱে

মিচ্ ৰশ্মি ৰেখা দাস
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

## স্মৰণীয় কথা

১। বেলেগৰ কথাত কাণ দিবা কিন্তু ইন্তৰ উজাৰী তোমাৰ কথা কাকো নক'বা। কাৰণ সেইজন কেতিয়াবা তোমাৰ শত্ৰু হ'লে তোমাৰ গোপন কথা পৃথিৱীয়ে জানিব।

— তুলসী দাস

২। দুঃখ কাৰো প্ৰগতিৰ নহয়, ইচ্ছা কৰিলেই তাক খেদি দিব পৰা যায়। — শ্ৰী শ্ৰী ঠাকুৰ

৩। কেন্দ্ৰত ২০ জন মানুহ বহিয়েই প্ৰকৃত গণতন্ত্ৰৰ প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰতিখন গাঁৱত কাম কৰিলেহে গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব। — মহাত্মা গান্ধী

৪। সত্য সবাতোকৈ মহান কিন্তু তাতোকৈ মহান হ'ল সত্যানুসন্ধানী জীৱন। যি সপ্ত, তেওঁ সদায় সত্যবাদী। কাৰণ তেওঁ যি দেখে হুবহু তাকে কয়। — গুৰু নানক

৫। পুথিগত আৰু মুখস্থ কৰা বিদ্যাতকৈ হাতে-কামে কৰি অভিজ্ঞতাৰ দ্বাৰা অৰ্জ্জন কৰা শিক্ষা বেছি ফলপ্ৰসু আৰু দীৰ্ঘস্থায়ী হয়। — জ্যাঁ জেকচ ৰুচো

৬। আশাক এনে শিক্ষা লাগে যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়। যাৰ দ্বাৰা সৎ চৰিত্ৰ গঠন হয় যাৰ দ্বাৰা বুদ্ধি মতা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত ঠিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো। — স্বামী বিবেকান্দ

৭। শিক্ষক সকল জীৱন দাতা পিতৃ-মাতৃতকৈয়ো বেছি শ্ৰদ্ধাৰ পাত্ৰ কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে। জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপন কৰে। — এৰিষ্টটল

৮। মানুহৰ জ্ঞান তিন ঠাইৰ পৰা উৎপত্তি হয় - (১) অন্তভূতি সূচক ইন্দ্ৰিয়সমূহৰ পৰা, (২) উপদেশ বা পৰামৰ্শৰ পৰা, (৩) চিন্তা শক্তিৰ পৰা। — প্লেটো

## স্মৰণীয় কথা

১. প্ৰথমে নিজক জানি লোৱা, তাৰ পাচত আনক বুজিবা।

— চক্ৰেটিছ

২. সাধু লোকে সজ কথা কয়, কিন্তু সজ ক'লেই সাধু বুলিব নোৱাৰি।

— কনফুচিয়াচ

সংগ্ৰাহক - শ্ৰীনন্দিতা শৰ্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

ভ্রমণ



# সোণালী ত্ৰিভূজৰ ডুখৰীয়া স্মৃতি

● ভাস্কৰ জ্যোতি হাজৰিকা
স্নাতক ৩ য় বৰ্ষ (কলা) (পৰ্যটন আৰু পৰিবহন বিভাগ)

অসমৰ বাহিৰত ভ্ৰমণৰ অদম্য হেঁপাহ এটা সৰুৰে পৰা পুহি ৰাখিছিলো। সেই আশা পূৰণ কৰিবলৈ সুযোগ পাইছিলো ২০০৩ বৰ্ষৰ ১২ অক্টোবৰ তাৰিখে আগ্ৰা-দিল্লী-জয়পুৰলৈ বুলি Tourism and Travel Management Department ৰ ফালৰ পৰা। ১২ অক্টোবৰ শনিবাৰে পুৱা ৭ মান বজাত কলেজ গেটৰ সন্মুখত গোট খালো, চল্লিছজনীয়া দলটোৰ নেতৃত্বত আছিল ক্ৰমে অশ্বিনী গোহাঁই আৰু সীমান্ত ডেকা ছাৰ। কলেজৰ সাধাৰণ সম্পাদক হিচাপে গোঁহাই ছাৰে মোক ছাত্ৰ-ছাত্ৰী সকলৰ বিশেষ দায়িত্ব অৰ্পন কৰিলে। সেইমতে মই তালিকা অনুসৰি ছাত্ৰ-ছাত্ৰী সকলক হিচাপ কৰি '৭০৯'ৰ চালকক গুৱাহাটী ৰেলৰে ষ্টেচন অভিমুখে যাত্ৰা কৰিবলৈ নিৰ্দ্দেশ দিলো। এইয়ে আছিল আমাৰ ভ্ৰমণৰ প্ৰথম যাত্ৰা। ৮ বাজি ৪৫ মিনিট মানত আমি ৰেলৰে ষ্টেচনত উপস্থিত হওঁ। ৰাতিপুৱা ৯ বজাত "জোধপুৰ বিকানৰ এক্সপ্ৰেছত" আমি আগ্ৰা অভিমুখে যাত্ৰা আৰম্ভ কৰোঁ। দীঘলকৈ উকি মাৰি ৰেলখন আগবাঢ়িল।

চল্লিছজনীয়া দলটোত আছিল তিনিটা Departmentৰ ক্ৰমে- পৰ্যটন আৰু পৰিবহন বিভাগ, বুৰঞ্জী বিভাগ আৰু অৰ্থনৈতিক বিভাগ ছাত্ৰ-ছাত্ৰী। বায়ু ফালি ৰেলৰ গতি তীব্ৰ হোৱাৰ লগে লগে জুনিয়ৰ চিনিয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মনৰ দুৱাৰবোৰ খুলি আনন্দত আপোন পাহৰা হোৱা কথাটো সঁচাকৈয়ে আচৰিত। বিশেষকৈ আমাৰ শ্ৰদ্ধাৰ ছাৰ বাইদেউ সকলেও আমাৰ লগত মিলি পৰিছিল। আৰু আমি হাঁহি ৰং ধেমালীৰ মাজেৰে আগবাঢ়িবলৈ ধৰিলো। মই মনতে উপলব্ধি কৰিব পাৰিলো যে ৰেল যাত্ৰাৰ অভিজ্ঞতা বিশেষকৈ দলীয় অভিজ্ঞতা সঁচাকৈয়ে মনোমোহা আৰু আনন্দদায়ক।

জন্মভূমি আই অসমীৰ সীমা অতিক্ৰম কৰি গৈ পিছদিনা পুৱা আমি বিহাৰত প্ৰৱেশ কৰিলো, চাৰে আমাক এটা সুন্দৰ দৃশ্য দেখুৱাৰ কথা ক'লে, আমি আটায়ে অতি আগ্ৰহৰে সেই দৃশ্য দৰ্শনৰ হেতু ৰেলৰ দুৱাৰ, খিৰিকিৰ ওচৰত থিয় হৈ দেখিবলৈ পালোঁ আচলতে তেওঁলোকে শাৰী পাতি প্ৰাতঃ কাৰ্য্য সমাপন কৰা দৃশ্য। ৰং ধেমালীৰ মাজেৰে কোনো অসুবিধাৰ সন্মুখীন নোহোৱাকৈ আমি ১৩ তাৰিখে সন্ধিয়া ৮ বাজি ৩০ মিনিটত আগ্ৰা ৰেলৰে ষ্টেচনত উপস্থিত হওঁ। তাৰ পৰা আমি গাড়ী ভাড়া কৰি বিলাসী হোটেল Bengal Lodge পালোগৈ। সকলোৰে ভাগৰ লাগিছিল, গতিকে নিশাৰ আহাৰ গ্ৰহণ কৰিয়েই দিনটোৰ ভ্ৰমণৰ অৱসাদ দূৰ কৰাৰ উদ্দেশ্যে সকলোৱে ঢলি পৰিছিল নিজৰ নিজৰ কক্ষত। বুকুত সপোন বান্ধি পিছদিনা ইতিহাস প্ৰসিদ্ধ পৃথিৱীৰ অন্যতম আচৰিত বস্তু 'তাজমহল' চোৱাৰ মানসেৰে।

পিছদিনা পুৱা ৯মান বজাত আমি বাছেৰে 'তাজমহল'লৈ বুলি যাত্ৰা কৰিলো। তাজমহলৰ মুখ্য দুৱাৰত বহুতো নিৰক্ষীনৰ মাজেৰে আমাক ভিতৰলৈ যাবলৈ অনুমতি দিলে। আমি উত্ৰাৱল হৈ আছিলো তাজমহল কেতিয়া আমাৰ চকুত পৰে, অৱশেষত ছাহজাহানৰ মমতাজৰ প্ৰতি থকা উৎকৃষ্ট প্ৰেমৰ নিদৰ্শন, তাজমহল আমাৰ নয়নৰ সন্মুখত, মই থৰ লাগি চাই ৰলো, সঁচাকৈয়ে তাজমহলৰ সেই মনোৰম দৃশ্যৰাজিয়ে মোক বাৰুকৈয়ে আপ্লুত কৰিছিল। ইয়াৰ পিছত আমি সকলোৱে হাতে হাতে কঢ়িয়াই নিয়া কেমেৰাৰে ফটো তোলাৰ পৰ্ব। তাজমহলৰ চাৰিটা কোণত থকা ওখ ওখ স্তম্ভ কেইটা চাই সঁচাকৈয়ে আচৰিত হৈছিলো, কেউফালেদি একে আকৃতিৰ দেখিবলৈ পোৱা তাজমহলৰ কাৰিকৰী দিশ সঁচাকৈয়ে প্ৰশংসনীয়, মুখেৰে ক'ব নোৱাৰাকৈ ওলাই আহিছিল 'বাঃ কি আচৰিত।' তাজমহলটো হেনো সম্পূৰ্ণকৈ তৈয়াৰ কৰোঁতে প্ৰায় ২০ হেজাৰ মানুহ আৰু ২২ বছৰ লাগিছিল। ৰিংকু, ভবেশ, কৰবী হেমন্ত আমি সকলোৱে নিজ নিজ ভাৱত বিভোৰ হৈ তাজমহললৈ চাই ৰলো আৰু এই দৃশ্যবোৰ চাই আমাৰ মনটো উৰা মাৰিছিল অতীতলৈ, বিদেশী পৰ্য্যটকৰ ভিৰ, মনতে গৰ্ব্ব অনুভৱ কৰিলো ভাৰতৰ দৰে মহান দেশৰ বাসিন্দা হ'বলৈ পাই। এনেতে "ঐ তহঁতে ইয়াতে থাকিবিনে যাবি, বল বল" গোহাঞি চাৰৰ মাত ভাহি আহিল, আমি সকলোৱে সাৰ পোৱাদি পালো, আৰু অনিচ্ছা সত্বেও তাজমহলৰ পৰা উভতিলো। তাৰ পিছত আমি চাহ খাবলৈ বুলি এখন ৰেষ্টুৰেণ্টত উপস্থিত হলো। তাৰ পিছত আমি ৰাওনা হলো আগ্ৰাৰ অন্যতম পৰ্যটন আকৰ্ষণ স্থান AGRA FORTলৈ বুলি, ১৫৬৫ খৃষ্টাব্দৰ এই দুৰ্গবোৰ

সঁচাকৈয়ে আচৰিত। ইয়াৰ প্ৰৱেশৰ মূখ্য দ্বাৰ ইমানে ডাঙৰ যে ইয়াক খোলাৰ বাবে বহুতো মানুহৰ প্ৰয়োজন হয়। Agra fort (আগ্ৰা কিল্লা) ৰ ভিতৰৰ দৃশ্য ৰাজি অতিশয় মনোমুগ্ধ।

আগ্ৰা কিল্লা চোৱাৰ পিছত আমাৰ কাৰণে অপেক্ষা কৰি থকা বাছখনত ততালিকে উঠিলো। বাছখন আগবাঢ়িল "ফটেহপুৰ চিকৰিলৈ' বুলি। "ফটেহপুৰ চিক্ৰি" দৰ্শনৰ বাবে আধা ঘণ্টা সময় দিয়া হৈছিল; আমি আগবাঢ়িলোঁ প্ৰতাপী ৰজা 'আকবৰৰ' বাৰবছৰ ৰাজধানী হিচাপে স্বীকৃতি পোৱা ফটেহ পুৰলৈ। Salim Chesti নামৰ সাধুজনৰ 'বিশ্যদ বানী সফল হোৱাৰ বাবে Akbar ৰে তেওঁ বাস কৰা ঠাইখিনি ৰাজধানী হিচাপে স্বীকৃতি দিলে। Fatehpur Sikri ত হেনু একান্ত মনে ভক্তি ভাৱে সূতা বান্ধি ফুল চটিয়ালে মনোকামনা পূৰ্ণ হয়, এই কথা গম পাই সকলোৱে হাত মুখ ধুই নিজৰ মনোকামনালৈ সুতা বান্ধি ফুল চটিয়াবলৈ ধৰিলে, বিশেষকৈ ছোৱালীবোৰে। তাৰ পাছত আমি বাছত উঠি আমাৰ 'পেকেজ টুৰ' অনুসৰি ৰাজস্থান অভিমুখে যাত্ৰা কৰিলো। কাৰো মূখত মাত নাই, হয়তো ভাগৰ লাগিছে আৰু পেটেও আমনি কৰিছে, এসময়ত বাছখন আহি এখন ধাবাৰ সন্মুখত ৰৈ গ'ল। তাতে সকলোকে ভাতৰ ব্যৱস্থা কৰি দিয়া হ'ল। ইয়াৰ পিছত বাছত উঠিলো; বাছখন তীব্ৰ বেগেৰে সুৰ-সুৰীয়া পথেৰে আগবাঢ়িল। ৰাজস্থানৰ ইতিহাস প্ৰসিদ্ধ স্থানবোৰ দৰ্শনাৰ্থে দৰ্শনলোভী নয়নযোৰ মুদ খাই চিন্তাৰ বিভোৰ হৈ আছিলো। হঠাৎ চিনাকি বিহুগীতৰ মাত শুনিবলৈ পালো, পিছলৈ ঘূৰি চাই দেখো মোৰ বন্ধু 'সুৰজিৎ' খিৰ্কীৰ ওচৰত বহি গীত গাই আছে, মই পিছলৈ গৈ তেওঁৰ লগত সহযোগ কৰি সকলোকে গাবলৈ কলো, 'ঐ জান ঐ আকাশখন ধুনীয়া', 'পাহাৰ বগাই বগাই চেনীমাই' আদি গাই থাকোঁতে, আগফালৰ পৰা এটা গম্ভীৰ স্বৰ কাণত পৰে- 'কিন্তু .........' আমি সকলোৱে থমকি ৰৈ চাওঁ। গোহাঁই চাৰে গীত গাই আমাৰ ফালে আহিছে কিন্তু ......... 'চালে তোমাৰ চকুলৈ' মৰম আনন্দৰে চাৰৰ লগত সহযোগ কৰি গাবলৈ ধৰিলো। সঁচাকৈয়ে চাৰহঁতে আমাৰ লগত এনেদৰে মিলি গৈছিল যে তেওঁলোক আমাৰ একেটা পৰিয়ালৰ সদস্য নাইবা আমাৰ হিতাকাংক্ষী বন্ধু-বান্ধৱীহে। এনেতে আমাৰ বাছখন ৰাজস্থানৰ এখন ধাবাৰ সন্মূখত ৰখালে ৰাতিৰ আহাৰৰ বাবে, সকলোতে ভাত খাবলৈ কোৱা হ'ল। এটা সময়ত গাড়ীৰ হৰ্ণ প-প-প কৈ বাজি উঠিল, সকলোৱে গৈ গাড়ীত উঠিল গৈ, অৱশেষত গাড়ী হোটেল, Jaisingle Palace ৰ সন্মুখত থিয় হ'লগৈ তেতিয়া ঘড়ীয়ে প্ৰায় ২ মান বজাৰ সংকেত দিছে। আমি তাত ৰাতিটো কটায় পুৱা ন মান বজাত ওলালো Pink City নামেৰে খ্যাত 'জয়পুৰ' চোৱাৰ মানসেৰে। আমি প্ৰথমতে যাত্ৰা আৰম্ভ কৰিলো জয়পুৰৰ ইতিহাস প্ৰসিদ্ধ ঠাই City Place লৈ- যিটো নিৰ্মাণ কৰিছিল "মহাৰাজা ছেৱাই জয় সিংহই। অতি সুন্দৰকৈ ওখ ওখ দেৱালৰ দ্বাৰা সৰ্জ্জিত সম্পূৰ্ণ মহলটো। City Place ৰ ভিতৰত সুন্দৰ ভাৱে ৰাখিছে সংগ্ৰাহলয়ও, ৰাজস্থানী সাজ-পোছাক, গহনা আৰু হিন্দু ৰজা সকলৰ মাৰণাস্ত্ৰ, বাৰুদ, তৰুৱাল ইত্যাদি। সংগ্ৰাহালয়ৰ পৰা ওলাই আহি আমি বাহিৰত চিনেমা শ্বুটিং কৰা ঠাইৰ দৃশ্যৰাজি উপভোগ কৰি আছিলো, হঠাৎ সীমান্ত চাৰৰ হাতত থকা কেমেৰাই তিৰবিৰাই উঠিল, আমি সকলোৱে ফটো উঠাত ব্যস্ত হৈ পৰিলো। অৱশ্যে কেমেৰা নিয়াৰ বাবত গেটত পঞ্চাচ টকা দিব লগা হৈছিল। ইয়াৰ পিছত আমি আগবাঢ়িলো Avur Place লৈ, অতি ওখ ঠাইত অৱস্থিত এই Avur Place বৰ্তমান এই প্ৰসাদটো 'অম্বা মাতা'ৰ মন্দিৰ, অতি ওখ ঠাইত অৱস্থিত হোৱাৰ কাৰণে মন্দিৰ দৰ্শনৰ সোভাগ্য আমাৰ নহ'ল।

ঘূৰি অহাৰ পথত আমি দেখিবলৈ পাইছিলো 'জাল মহল' পানীৰ মাজত থকা এই মহলটো ৰজা-মহাৰজা সকলে 'জিৰণি মহল' হিচাপে ব্যৱহাৰ কৰিছিল। উপযুক্ত সংৰক্ষণৰ অভাৱত মহলটো জৰাজীৰ্ণ অৱস্থাত পৰি থকা দেখা গৈছিল। গাড়ীৰ সংকেত ধ্বনি কাণত পৰাৰ লগে লগে আমি আহি গাড়ীত উঠিলো। 'জয়পুৰৰ পৰা দিল্লী অভিমূখী ৰেলৰ সময় আছিল নিশা ১০ বাজি ৩০মিনিটত। আমাৰ হাতত প্ৰায় ৫ ঘণ্টা মান সময় আছিল। আমাৰ গাইডজনে আমাক এটা প্ৰস্তাৱ আগবঢ়ালে যে ভাৰতৰ ভিতৰত আটাইতকৈ ডাঙৰ চিনেমা হল Rajmandir চোৱা লগতে এখন চিনেমা উপভোগ কৰা। আমি সকলোৱে সন্মতি দিলো আৰু Rajmandir অভিমূখে আমাৰ বাছখন আগবাঢ়িল Rajmandir আহি পোৱাত আমি সকলোৱে বাছৰ পৰা নামি হলটোৰ ফালে আগবাঢ়িলো। গাইডজনে গৈ চিনেমাৰ টিকট ললে, গেটত থকা চিকিউৰিটি গাৰ্ড জনে নিৰীক্ষণ কৰি আমাক ভিতৰলৈ যাবলৈ দিলে। ভিতৰ সোমাই দেখিলো চাৰিওফালে অতি সুন্দৰকৈ সজাই থোৱা বিজুলী বাতিৰ চিক্‌মিকনি, কাছৰে তৈয়াৰী শামুকৰ আকৃতিৰ বিজুলী বাতি সজাই থোৱা আছে। এই দৃশ্যৰাজিয়ে মোক অতিশয় আপ্লুত কৰিছিল। চিনেমা হলৰ পৰা ওলাই আহি আমি ৰাতিৰ আহাৰ গ্ৰহণৰ পিছত ৰেলৰে ষ্টেচনৰ ফালে আগবাঢ়িলো। জয়পুৰৰ পৰা দিল্লী অভিমূখে যাবলগীয়া ৰেলখনৰ অপেক্ষাত বাট চাই ৰলো।

যোল্ল অক্টোবৰ, পিছদিনা পুৱা ৫ বজাত আমি পুৰণা দিল্লী ৰেলৰে ষ্টেচনত উপস্থিত হলো। তাৰ পৰা বিলাসী হোটেল 'মহাৰজা কণ্টিনেনটেল লৈ যোৱা হ'ল, তাত এক দিন-ৰাতি থকা হ'ববুলি সকলোকে কোৱা হ'ল। হোটেলত গৈ সকলোৱে গা-পা ধুই সাচি থোৱা ধন খিনি খৰচৰ মানসৰে দিল্লীৰ বিভিন্ন বজাৰত ওলাল। যিহেতু দলটোত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী থকাৰ বাবে

